● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

দেওবৰীয়া দৈনিক

# অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

www.dainikagradoot.in

৫ লান্দু ঘাগিৰি জলপ্ৰপাতৰ সৌন্দৰ্য
১৫ বিশ্ব মহিলা বক্সিঙত আজি অংকুশিতাৰ অভিযান
৪ অন্ধকাৰত মৃত্যু হয় গণতন্ত্ৰৰ

## দিগ্‌দৰ্শন

*প্ৰতিজন পুৰুষে দুগৰাকী মহিলাক ভাল পায়; এগৰাকী তেওঁৰ কল্পনাৰ সৃষ্টি আৰু আনগৰাকী এতিয়া জন্ম পোৱা নাই।*

খলিল জিব্ৰান
*লেবাননৰ সাহিত্যিক*



RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ২১৪তম সংখ্যা ● গুৱাহাটী ● দেওবাৰ ৩১ ব'হাগ ১৪২৯ ভাস্কৰাব্দ ১৫ মে' ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Sunday 15 May 2022 মূল্য ঃ ৯.০০ টকা

অসমত কিছুমান শগুন আছে কেনেকৈ টকা খাব পাৰি বিচাৰি ফুৰে ■ ১১টা বিভাগত ২২,৯৫৮ জনক চাকৰি প্ৰদান ■ গৃহ বিভাগত সৰ্বাধিক ৮,৮৬৭জন ■ স্বচ্ছ-নিকা নিযুক্তি ঃ দাবী মুখ্যমন্ত্ৰীৰ

# দুৰ্নীতিগ্ৰস্ত বিষয়াৰ বিৰুদ্ধে যুদ্ধ চলিব



আৰক্ষীক অপৰাধীৰ বিৰুদ্ধে দানৱ আৰু শিক্ষকক দৰিদ্ৰসেৱী হ'বলৈ ক'লে

**ষ্টাফ ৰিপ'ৰ্টাৰ**

গুৱাহাটী, ১৪ মে' ঃ লাখ লাখ নিবনুৱাৰে ভাৰাক্ৰান্ত অসমত এটা চাকৰি বিচাৰি হাবাথুৰি খাই থকা কে'বা হেজাৰ যুৱক-যুৱতীৰ হৰ্ষোল্লাসৰ মাজেৰে নিৰ্বাচনী প্ৰতিশ্ৰুতি অনুসৰি আজি বৃহৎ নিযুক্তি প্ৰক্ৰিয়া সম্পন্ন কৰিলে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন বিজেপি মিত্ৰজোঁটৰ চৰকাৰখনে। খানাপাৰা পশু চিকিৎসা মহাবিদ্যালয়ৰ খেলপথাৰত স্বাস্থ্য বিভাগে আয়োজন কৰা এক অনুষ্ঠানত হেজাৰ হেজাৰ যুৱক-যুৱতী, অভিভাৱকৰ উপস্থিতিত গৃহ বিভাগত ৮,৮৬৭টা, প্ৰাথমিক শিক্ষা বিভাগত ৭,৪২২টা, মাধ্যমিক শিক্ষা বিভাগত ১০ পৃষ্ঠাত চাওক

বছৰ বছৰ ধৰি শেষ নহয় তদন্তৰ প্ৰক্ৰিয়া ■ উদ্বিগ্ন দায়ৱদ্ধতা আয়োগ

## ৰাজ্যজুৰি আৰক্ষীৰ বিৰুদ্ধে সঘনাই নানা অভিযোগৰ জোৱাৰ উঠিছে

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১৪ মে' ঃ** অসম আৰক্ষীত গুৰুতৰ অভিযোগত অভিযুক্ত উচ্চপদবীৰ বিষয়াৰ বিৰুদ্ধেও নিম্নপদবীধাৰীকহে তদন্তৰ দায়িত্ব অৰ্পণ কৰাত ফলাফল কাৰ্যতঃ অৰ্থহীন হৈ আহিছে। অধিকাংশ গোচৰৰে এনে কাৰণতে ফলাফল নোলোৱাক লৈ উদ্বেগ প্ৰকাশ কৰিছে আৰক্ষী দায়ৱদ্ধতা আয়োগে। শেহতীয়াকৈ আয়োগে ২০২০ৰ প্ৰতিবেদন ৰাজ্য চৰকাৰক দাখিল কৰে। এই প্ৰতিবেদনত অতি গুৰুত্ব সহকাৰে বিষয়টো উল্লেখ কৰা হৈছে। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বি পি কটকীৰ অধ্যক্ষতাত গঠিত আয়োগে স্পষ্ট কৰিছে যে আৰক্ষীৰ বিৰুদ্ধে সঘনে নানা অভিযোগ উত্থাপিত হৈ আহিছে। জ্যেষ্ঠ তথা উচ্চপদস্থ আৰক্ষী বিষয়াৰ ১০ পৃষ্ঠাত চাওক

## মন্ত্ৰী কিষাণক অপৰাধী ঘোষণা কৰি ক্ষমা বিচৰাৰ দাবী আলফাৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১৪ মে' ঃ** পৰেশ বৰুৱাক মিছলীয়া আখ্যা দিয়াৰ বাবে অসম চৰকাৰৰ মন্ত্ৰী সঞ্জয় কিষাণক অহা ২৪ ঘণ্টাৰ ভিতৰত আলফা (স্বাধীন)ৰ ওচৰত ক্ষমা খুজিবলৈ সংগঠনটোৱে আজি সময়সীমা ধাৰ্য কৰি দিয়ে। অন্যথা তিনিচুকীয়া আৰু ডিব্ৰুগড় জিলাত মন্ত্ৰীজনক ১০ পৃষ্ঠাত চাওক

■ কাৰ্বি-লাংপিৰ শ্লুইচ গেটৰ পানীৰে দুৰ্গতি

## ডিমা হাছাওত বিধ্বংসী ভূমিস্খলনত নিহত তিনি



**বিশেষ সংবাদদাতা/ অগ্ৰদূত বাৰ্তা**

**বকলীয়াঘাট/কচুৰা, ১৪ মে' ঃ** ডিমা হাছাও জিলাৰ হাফলঙত প্ৰবল বৰষুণৰ ফলত হোৱা ভূমিস্খলনত শিশু ছাত্ৰীসহ তিনিজনৰ মৃত্যু হয়। হাফলঙৰ পৰা প্ৰায় সাত কিলোমিটাৰ দূৰত্বৰ হকাইপংসী নামৰ স্থানত সংঘটিত এই ভয়ংকৰ ভূমিস্খলনত এটা বাসগৃহ মাটিয়ে হেঁচি ধৰে। ফলত এগৰাকী চতুৰ্থ শ্ৰেণীৰ ছাত্ৰীসহ তিনিজনে প্ৰাণ হেৰুৱায়। এই ঘটনাত চাৰিজনৰ কথমপি প্ৰাণৰক্ষা পৰে। উল্লেখ্য যে কন্যা দুই পৃষ্ঠাত চাওক

## প্ৰায় নিৰপেক্ষ

ধীমান সিন্‌হাৰ পষেকীয়া কলম

### যুদ্ধআৰু শান্তি



**অভিনেতা** মিঠুন চক্ৰৱৰ্তীয়ে বহু পুৰস্কৃত বাংলা ছবি 'তাঁহাদেৰ কথা'ত সৰল গ্ৰাম্য পৰিৱেশত ব্যক্তি আৰু ৰাষ্ট্ৰৰ সম্পৰ্কৰ কথা ব্যক্ত কৰিছিল। সমাজ আৰু জীৱনে দৰিদ্ৰ আৰু অৰ্ধোন্মাদ কৰা এজন ব্যক্তি, তেওঁৰ ভাষ্য হৈছে— আমাৰ মাদাৰ নাই, মাদাৰলেণ্ডো নাই। ইফালে, ৰাজনীতি শাস্ত্ৰী জন লকে আজন্ম ত্ৰাস বা প্ৰচণ্ড ভয়ক ৰাষ্ট্ৰৰ প্ৰতিষ্ঠা আৰু বিৱৰ্তনৰ মূল শক্তি বুলি ১০ পৃষ্ঠাত চাওক

## চিন্তন বৈঠকত গৃহীত হ'ল কংগ্ৰেছ বিসম্বাদীৰ দাবী

**নিউজ ব্যুৰ'**

**নতুন দিল্লী, ১৩ মে' ঃ** ৰাজস্থানত সম্পন্ন হোৱা কংগ্ৰেছৰ চিন্তন বৈঠকত অন্তৰ্ভুক্ত কৰা হৈছে বিসম্বাদীৰ এক মূল দাবী। দলৰ অতি গুৰুত্বপূৰ্ণ বৈঠকখনত বিসম্বাদীৰ মূল দাবীক পৰামৰ্শৰূপে গ্ৰহণ কৰা হয়। এই দাবী হৈছে কংগ্ৰেছ সংসদীয় পৰিষদ গঠন কৰা। এই পৰামৰ্শ এতিয়া কংগ্ৰেছ ৱৰ্কিং কমিটী অৰ্থাৎ দলৰ সৰ্বোচ্চ নীতি নিৰ্ধাৰক কমিটীৰ অনুমোদন লাভ কৰিব ১০ পৃষ্ঠাত চাওক

## মানিক সাহা ত্ৰিপুৰাৰ মুখ্যমন্ত্ৰী, হঠাতে পদত্যাগ বিপ্লৱৰ



**নিউজ ব্যুৰ'**

**আগৰতলা, ১৩ মে' ঃ** ত্ৰিপুৰাৰ মুখ্যমন্ত্ৰী বিপ্লৱ কুমাৰ দেৱে সকলোকে হতচকিত কৰি মুখ্যমন্ত্ৰীৰ ১০ পৃষ্ঠাত চাওক

## ২৪ ঘণ্টাত ১০২টা চোৰাং গৰু উদ্ধাৰ নগাঁৱত

**বিশেষ সংবাদদাতা**

**নগাঁও, ১৪ মে' ঃ** চৰকাৰে ৰাজ্যত গো সুৰক্ষা আইন অতি কঠোৰভাৱে বলৱৎ কৰাৰ ১০ পৃষ্ঠাত চাওক




অসম চৰকাৰৰ ১১টা বিভাগত ২২,৯৫৮গৰাকী যুৱক-যুৱতীক নিযুক্তি

নতুন নিযুক্তি প্ৰাপ্তসকলে তলত দিয়া ঠিকনাৰ পৰা নিযুক্তি পত্ৰ সংগ্ৰহ কৰিব পাৰিব



| ক্ৰমিক নং | বিভাগ | নিযুক্তি | নিযুক্তি পত্ৰ সংগ্ৰহৰ ঠিকনা |
|---|---|---|---|
| ১ | জলসম্পদ | ১০৩ | অতিৰিক্ত মুখ্য অভিযন্তাৰ কাৰ্যালয়, অসম জল গৱেষণা আৰু ব্যৱস্থাপনা প্ৰতিষ্ঠান, বশিষ্ঠ, গুৱাহাটী-২৯ (বশিষ্ঠ আৰক্ষী থানাৰ বিপৰীতে) |
| ২ | সমাজ কল্যাণ | ৬৯ | সামাজিক ন্যায় আৰু সৱলীকৰণ সঞ্চালকালয়, বেলতলা, গুৱাহাটী |
| ৩ | পৰিৱেশ আৰু বন | ২৩ | প্ৰধান মুখ্য বন সংৰক্ষকৰ কাৰ্যালয়, অৰণ্য ভৱন, পাঞ্জাবাৰী, গুৱাহাটী, কামৰূপ (ম), পিন - ৭৮১০৩৭ |
| ৪ | জনস্বাস্থ্য কাৰিকৰী | ৩৩০ | মিছন সঞ্চালকৰ কাৰ্যালয়, জনস্বাস্থ্য কাৰিকৰী ভৱন, হেঙেৰাবাৰী, গুৱাহাটী-৩৬ অথবা চাওক ৱেবছাইট phe.assam.gov.in/documents/notifications-2 |
| ৫ (ক) | প্ৰাথমিক শিক্ষা | ৭,৪২২ | dee.assam.gov.in |
| (খ) | মাধ্যমিক শিক্ষা | ৩,৫১৭ | madhyamik.assam.gov.in |
| (গ) | উচ্চ শিক্ষা | ১২৪ | উচ্চ শিক্ষা সঞ্চালক, কাহিলিপাৰা, গুৱাহাটী |
| ৬ | স্বাস্থ্য আৰু পৰিয়াল কল্যাণ | ২,৪১৯ | স্বাস্থ্য সেৱা সঞ্চালক : dhs.assam.gov.in<br>স্বাস্থ্য সেৱা আৰু পৰিয়াল কল্যাণ সঞ্চালকালয়, স্বাস্থ্য ভৱন, হেঙেৰাবাৰী, গুৱাহাটী বা চাওক : dhsfw.assam.gov.in<br>ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, অসম : nhm.assam.gov.in<br>চিকিৎসা শিক্ষা সঞ্চালক : dme.assam.gov.in<br>অটল অমৃত অভিযান ছ'চাইটী কাৰ্যালয়, নয়নতৰা বিল্ডিং ৩য় মহলা, ছয়মাইল, গুৱাহাটী বা চাওক : aaas-assam.in |
| ৭ | গৃহ | ৮,৮৬৭ | slprbassam.in |
| ৮ | কৃষি | ৫৫ | কৃষি সঞ্চালকালয়, কৃষি ভৱন, খানাপাৰা, গুৱাহাটী - ২২ |
| ৯ | লোক নিৰ্মাণ (পথ) | ৮ | লোক নিৰ্মাণ (পথ) বিভাগ, বি ব্লক, অসম সচিবালয়, দিছপুৰ, গুৱাহাটী |
| ১০ | খনি আৰু খনিজ পদাৰ্থ | ২ | পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰ, খানাপাৰাত ইতিমধ্যে প্ৰদান কৰা হ'ল |
| ১১ | শ্ৰমিক কল্যাণ | ১৭ | শ্ৰমিক কল্যাণ বিভাগ, ডি ব্লক, ৩য় মহলা, অসম সচিবালয়, দিছপুৰ, গুৱাহাটী |

দক্ষ আৰু দায়বদ্ধ প্ৰশাসনৰ দিশত আন এক সবল পদক্ষেপ

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত ● Follow us @diprassam dipr.assam.gov.in
অসম বাৰ্তা ছাবস্ক্ৰাইব কৰিবলৈ ৮২৮৭৯১২১৫৮ত Assam লিখি হোৱাটছএপ কৰক

জনসংযোগ/চি/৩৪০৮/২২

# তামাৰহাটৰ খণ্ড উন্নয়ন বিষয়া ভূপেন দাসক জেৰা অব্যাহত

## এতিয়াও পলাতক বিত্তীয় কেলেংকাৰিৰ অন্যতম অভিযুক্ত ইউনিছ আলী

**অগ্রদূত বাৰ্তা**

**মুছলপুৰ, ১৪ মে’ ঃ** বাগ্সা জিলাৰ গোৰেশ্বৰ উন্নয়ন খণ্ডত সংঘটিত বিত্তীয় কেলেংকাৰিৰ ঘটনাত সোধপোছৰ বাবে আজি মুছলপুৰ আৰক্ষীয়ে আটক কৰে উন্নয়ন খণ্ডটোৰ গাণনিক প্ৰসূন চক্ৰৱৰ্তীক। গোৰেশ্বৰত আত্মগোপন কৰি থকা স্থানৰ পৰাই আৰক্ষীয়ে তেওঁক আটক কৰে। আজি নিশা আৰক্ষীৰ জিম্মাত ধৃত খণ্ড উন্নয়ন বিষয়া ভূপেন দাসৰ স’তে চক্ৰৱৰ্তীক জেৰা কৰা হ’ব বুলি মুছলপুৰ আৰক্ষীৰ সূত্ৰই জনাইছে।

উল্লেখ্য যে জিলা কোষাগাৰ বিষয়াৰ এজাহাৰৰ ভিত্তিত কালি মুছলপুৰ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছিল ধুবুৰী জিলাৰ তামাৰহাটৰ হাতীধুৰা খণ্ড উন্নয়ন বিষয়া দাসক। ২০২১ত গোৰেশ্বৰ উন্নয়ন খণ্ড কাৰ্যালয়ত খণ্ড উন্নয়ন বিষয়াৰূপে কৰ্মৰত অৱস্থাত থকা সময়তে বিত্তীয় খেলিমেলি কৰা বুলি দাসৰ বিৰুদ্ধে অভিযোগ উঠে। পেঞ্চনৰ ৬০ লাখ টকা অতিৰিক্তভাৱে উলিয়াই আত্মসাৎ কৰাৰ অভিযোগত অভিযুক্ত হয় খণ্ড উন্নয়ন বিষয়াজন। গোৰেশ্বৰ উন্নয়ন খণ্ডৰ কৰ্মচাৰী ইউনিছ আলীৰ স’তে মিলি আত্মসাৎ কৰাৰ অভিযোগত আৰক্ষীয়ে দাসক গ্ৰেপ্তাৰ কৰিছিল। জিলা কোষাগাৰ বিষয়া তৰণী কলিতাই এই সন্দৰ্ভত ২০২১ৰ দুই আগষ্টত দাখিল কৰা এজাহাৰ ভিত্তিত মুছলপুৰ আৰক্ষীয়ে ৭৭/২১ নম্বৰত এটা গোচৰ পঞ্জীয়ন কৰিছিল। উক্ত গোচৰতে মুছলপুৰ আৰক্ষীয়ে কালি অভিযুক্ত খণ্ড উন্নয়ন বিষয়া দাসক গ্ৰেপ্তাৰ কৰি আদালতত হাজিৰ কৰাইছিল। আদালতে তেওঁক কালিয়ে তিনিদিনৰ বাবে মুছলপুৰ আৰক্ষী জিম্মালৈ প্ৰেৰণ কৰিছিল। অভিযোগ অনুসৰি, গোৰেশ্বৰত কৰ্মৰত অৱস্থাতে ধৃত দাসে সেই কাৰ্যালয়ৰে গ্ৰামসেৱক আলীৰ স’তে মিলি উক্ত ধনৰাশি অতিৰিক্তভাৱে বিলযোগে বাগ্সা কোষাগাৰৰ পৰা উলিয়াই আত্মসাৎ কৰিছিল। এই কাণ্ডৰ অন্যতম অভিযুক্ত আলী অদ্যাপি পলাতক অৱস্থাত আছে। সূত্ৰই জনায় যে বাইহাটা চাৰিআলি নিবাসী ধৃত দাসক যোৱা নিশা মুছলপুৰ আৰক্ষী থানাত জেৰা কৰাত তদন্তলৈ আহে গোৰেশ্বৰ উন্নয়ন খণ্ডৰ গাণনিক চক্ৰৱৰ্তী। সেই মৰ্মে আজি মুছলপুৰ আৰক্ষীৰ এটা দলে গৈ গাণনিক চক্ৰৱৰ্তীক গোৰেশ্বৰত আত্মগোপন কৰা ঠাইৰ পৰা সোধপোছৰ বাবে আটক কৰি মুছলপুৰলৈ আনে। মুছলপুৰ আৰক্ষী থানাত খণ্ড উন্নয়ন বিষয়া দাস আৰু গাণনিক চক্ৰৱৰ্তীক আজি নিশা কৰা আৰক্ষীৰ জেৰাত হয়তো এই বিত্তীয় খেলিমেলিৰ লগত জড়িত আন বহুতৰ নাম ওলাই পৰিব বুলি সূত্ৰই কয়।

# গোৱালপাৰাৰ কাৰবালাস্থিত আলছালাম হাস্পতালত কৰ্মচাৰীৰ উত্তাল প্ৰতিবাদ

## দৰমহা বৃদ্ধিৰ দাবীত নিৰাপত্তাৰক্ষী, ৱাৰ্ড বয়, ৱাৰ্ড গাৰ্ল-ক্লীনাৰৰ সমূহীয়া অব্যাহতি

**অগ্রদূত বাৰ্তা**

**মাটিয়া, ১৪ মে’ ঃ** দীৰ্ঘ দিনে দৰমহা বৃদ্ধি নকৰা বাবেই আজি গোৱালপাৰা চহৰৰ কাৰবালাস্থিত আলছালাম হাস্পতালৰ নিৰাপত্তাৰক্ষীসকলৰ লগতে ৱাৰ্ড বয়-ৱাৰ্ড গাৰ্ল আৰু ক্লিনাৰসকলে সমূহীয়াভাৱে চাকৰিৰ পৰা অব্যাহতি লোৱাৰ উপৰি উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। চিকিৎসালয়খনৰ সন্মুখত সমবেত হৈ চাকৰিৰ পৰা অব্যাহতি লোৱা কৰ্মচাৰীসকলে বিভিন্ন শ্ল’গানেৰে পৰিবেশ উত্তাল কৰে। প্ৰতিবাদী কাৰ্যসূচীৰ জৰিয়তে কৰ্মচাৰীসকলে কয় যে দীৰ্ঘদিন ধৰি অৰ্থাৎ বিগত ১৪-১৫ বছৰে কাম কৰি থকাৰ পাছতো তেওঁলোকৰ দৰমহা বৃদ্ধি কৰা নাই। ইয়াৰ বিপৰীতে হোজাইৰ পৰা অহা চিকিৎসক নাৰ্চসকলৰ দৰমহা প্ৰতিবছৰে বৃদ্ধি কৰে। কিন্তু স্থানীয় কৰ্মচাৰীসকলে দৰমহা বৃদ্ধিৰ কথা কলে চাকৰিৰ পৰা অব্যাহতি দিয়াৰ ভাবুকি প্ৰদান কৰা বুলি এক গুৰুতৰ অভিযোগ উত্থাপন কৰিছে। কৰ্মচাৰীসকলে অভিযোগ কৰা মতে স্থানীয় কৰ্মচাৰীসকলৰ প্ৰতি সদায় পক্ষপাতিত্ব কৰি আহিছে চিকিৎসালয় কৰ্তৃপক্ষই। বিশেষকৈ আজমল ফাউণ্ডেচনৰ অধীনত চলি থকা আলছালাম হাস্পতালৰ পৰিচালনাৰ দায়িত্বত থকা ডাঃ চি ইছলামৰ একনায়কত্ববাদত কৰ্মচাৰীসকলে অতীষ্ঠ হৈ পৰা বুলি অভিযোগ কৰে। এইদৰে স্থানীয় কৰ্মচাৰীসকলৰ প্ৰতি পক্ষপাতিত্ব কৰা ডাঃ চি ইছলামৰ বিৰুদ্ধে বিহিত ব্যৱস্থা গ্ৰহণৰ লগতে তেওঁলোকৰ দৰমহা বৃদ্ধি কৰাৰ দাবীত ১৬ গৰাকী চিকিউৰিটি গাৰ্ড আৰু ১৩ গৰাকী ৱাৰ্ড বয়-ৱাৰ্ড গাৰ্লৰ লগতে ক্লীনাৰসকলে সমূহীয়াভাৱে অব্যাহতি লয় বুলি সংবাদ মাধ্যমক জানিবলৈ দিয়ে।

# আজিৰে পৰা নিকাছিত অসম গোৰ্খা সন্মিলনৰ ২৭ সংখ্যক কেন্দ্ৰীয় অধিৱেশন

**অগ্রদূত বাৰ্তা**

**মুছলপুৰ, ১৪ মে’ঃ** বাগ্সা জিলাৰ নিকাছিত কাইলৈৰ পৰা চাৰিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অসম গোৰ্খা সন্মিলনৰ ২৭ সংখ্যক কেন্দ্ৰীয় অধিৱেশন অনুষ্ঠিত হ’ব। নিকাছিৰ জ্ঞানপীঠ মহাবিদ্যালয় খেলপথাৰ প্ৰাংগনত অনুষ্ঠিত হ’বলগীয়া এই অধিবেশনৰ বাবে আদৰণী সমিতিয়ে প্ৰস্তুতি ইতিমধ্যে সম্পূৰ্ণ কৰি তুলিছে। আজি আদৰণী সমিতিৰ সভাপতি-সম্পাদকে নিকাছিত এক সংবাদমেল সম্বোধন কৰি অধিবেশনৰ কাৰ্যসূচী সম্পৰ্কে সদৰী কৰে। সেই অনুসৰি অধিবেশনৰ প্ৰথম দিনা কাইলৈ পুৱা প্ৰতিনিধি পঞ্জীয়নৰ পাছত মুখ্য প্ৰৱেশ দ্বাৰ উদ্বোধনেৰে সন্মিলনৰ কাৰ্যসূচীৰ মুকলি কৰা হ’ব। মুখ্য প্ৰৱেশদ্বাৰ উদ্বোধন কৰিব ৰাজ্য চৰকাৰৰ কেবিনেট মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই। ইয়াৰ পাছত ক্ৰমে স্বেচ্ছাসেৱক বাহিনীৰ কাৰ্যালয় উদ্বোধন, অস্থায়ী কেন্দ্ৰীয় কাৰ্যালয়, ভোজনালয়, প্ৰতিনিধি শিবিৰ উদ্বোধন কৰাৰ পাছত পতাকা উত্তোলন, স্মৃতি তৰ্পণ, বৃক্ষৰোপণ, মূল মঞ্চ উদ্বোধন, প্ৰতিনিধি সভাৰ প্ৰথম বৈঠক, মুখপত্ৰ উন্মোচন আৰু প্ৰতিনিধি সভাৰ দ্বিতীয় বৈঠক অনুষ্ঠিত হ’ব। ১৬ মে’ৰ পুৱা ‘বৰ্তমান পৰিস্থিতিত নাৰী সৱলীকৰণ আৰু জাতীয় দায়িত্ব’ শীৰ্ষক আলোচনা চক্ৰ আৰু ‘অসমৰ জাতীয় জীৱনত গোৰ্খাসকলৰ অৱদান’ শীৰ্ষক আলোচনাচক্ৰ অনুষ্ঠিত হ’ব। এই আলোচনাচক্ৰত ৰাজ্য চৰকাৰৰ শিক্ষা আৰু ভৈয়াম জনজাতি উন্নয়ন বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগু, বিশিষ্ট লেখক তথা সংবাদকৰ্মী ববিতা মাদেন, বিশিষ্ট উপন্যাসিক দিপামনি কোচ ভৰালী, বিশিষ্ট বুদ্ধিজীৱী হৰি ঢুংগেল, যোৰহাট মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেবব্ৰত শৰ্মা, ইতিহাসবিদ ড° দিনেশৰাজ পন্ত, গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক ড° জয়ন্তকৃষ্ণ শৰ্মাকে ধৰি কে’বাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকিব। ১৭ মে’ত অসম গোৰ্খা সন্মিলনৰ নতুন কাৰ্যনিৰ্বাহক সমিতিৰ ভোটগণনা আৰু নিশালৈ সাংস্কৃতিক সমাৰোহ অনুষ্ঠিত হ’ব। ১৮ মে’ৰ পুৱা বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা আৰু দুপৰীয়াৰ ভাগত মুকলি সভা অনুষ্ঠিত হ’ব। অসম গোৰ্খা সন্মিলনৰ সভাপতি ৰাম প্ৰসাদ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত হ’বলগীয়া এই মুকলি অধিবেশন উদ্বোধন কৰিব সন্মিলনৰ কাৰ্যকৰী সভাপতি কৃষ্ণ ভূজেলে। মুকলি সভাত মুখ্য অতিথিৰূপে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, সন্মানীয় অতিথিৰূপে ছিকিমৰ মুখ্যমন্ত্ৰী প্ৰেমসিং গোলে, স্মৃতিগ্ৰন্থ উন্মোচক হিচাপে বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে উপস্থিত থাকিব। অসম গোৰ্খা সন্মিলনৰ সাধাৰণ সম্পাদক চি বি ৰায়, সাহিত্যিক পদ্মশ্ৰী লীল বাহাদুৰ ছেত্ৰী, জ্যেষ্ঠ বৈজ্ঞানিক ড° মুন কুমাৰ ছেত্ৰী, গোৰ্খা উন্নয়ন পৰিষদৰ অধ্যক্ষ প্ৰেম তামাং, সাংসদ নৱ কুমাৰ শৰণীয়া, গৌৰৱ গগৈ, অসম চৰকাৰৰ মন্ত্ৰী পীযুষ হাজৰিকা, অতুল বৰা, উৰ্খাও গৌৰা ব্ৰহ্ম, চন্দ্ৰমোহন পাটোৱাৰী, ৰঞ্জিত কুমাৰ দাস, বিমল বৰা, আছুৰ সভাপতি দীপাংক কুমাৰ নাথ, এবছুৰ সভাপতি দ্বীপেন বড়ো, আছাৰ সভাপতি প্ৰদীপ নাগ, আগছুৰ সভাপতি অৰ্জুন ছেত্ৰী, অসম নেপালী সাহিত্য সভাৰ সভাপতি দুৰ্গা খতিওড়া, ভাৰতীয় গোৰ্খা পৰিসংঘৰ ৰাষ্ট্ৰীয় উপাধ্যক্ষ নিত্যানন্দ উপাধ্যায়, অসম নেপালী নাট্য সন্মিলনৰ অধ্যক্ষ চন্দ্ৰমনি উপাধ্যায়ৰ লগতে কে’বাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকিব। নিশালৈ সাংস্কৃতিক সমাৰোহেৰে অধিবেশনৰ সামৰণি পৰিব। উল্লেখ্য যে অধিৱেশনৰ বাবে ইতিমধ্যে প্ৰায় ৫০ হেজাৰ দৰ্শক বহিব পৰা মূল মণ্ডপ নিৰ্মাণ কৰি উলিওৱাৰ লগতে চাৰি হেজাৰতকৈয়ো অধিক প্ৰতিনিধি বহিব পৰা প্ৰতিনিধি গৃহ, ভোজনালয় আদি সাজু হৈ উঠিছে। আদৰণি সমিতিয়ে জাতি-বৰ্ণ-ধৰ্ম নিৰ্বিশেষে অধিৱেশন সফল কৰাত সকলোৰে সহযোগিতা কামনা কৰিছে।

# শিৱসাগৰ জিলাৰ চাৰিটা শিক্ষাখণ্ডত সম্পন্ন হ’ল প্ৰাক্ গুণোৎসৱ

## ২৩-২৬ মে’লৈ অনুষ্ঠিত হ’ব মূল পৰ্যায়ৰ গুণোৎসৱ

**বিশেষ সংবাদদাতা**

**শিৱসাগৰ, ১৪ মে’ ঃ** অসম চৰকাৰৰ শিক্ষা বিভাগৰ দ্বাৰা আয়োজিত গুণোৎসৱৰ প্ৰথম পৰ্যায়ৰ জিলাখনৰ চাৰিটা শিক্ষাখণ্ডত সুকলমে প্ৰাক্ গুণোৎসৱ অনুষ্ঠিত হয়। দ্বিতীয় পৰ্যালায়ৰ গুণোৎসৱ অহা ২৩, ২৪, ২৫ আৰু ২৬ মে’ত শিৱসাগৰ জিলাত অনুষ্ঠিত হ’ব। ইয়াকে লৈ জিলাখনত শিৱসাগৰ জিলা প্ৰশাসন, জিলা শিক্ষা বিভাগৰ লগতে জিলাখনত থকা প্ৰাথমিকৰ পৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়সমূহে ব্যাপক প্ৰস্তুতি আৰম্ভ কৰিছে। ইতিমধ্যে শিক্ষা বিভাগৰ দ্বাৰা আয়োজিত গুণোৎসৱ উপলক্ষে জিলাখনৰ বিভিন্ন ঠাইত শিক্ষকসকলক গুণোৎসৱৰ প্ৰশিক্ষণ দিয়াৰ উপৰি বহী মূল্যায়কসকলক প্ৰশিক্ষণ দিয়া হৈছে। এইবাৰ গুণোৎসৱত জিলাখনৰ চাৰিটা শিক্ষাখণ্ডৰ ৭২,৬৫৫ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে মূল্যায়নত অংশগ্ৰহণ কৰিব। ইয়াৰে ডিমৌ শিক্ষাখণ্ডৰ ২২,৯৪৪গৰাকী, আমগুৰি শিক্ষাখণ্ডৰ ১৬,৪১০ গৰাকী, খেলুৱা শিক্ষাখণ্ডৰ ১১,৩৯৩গৰাকী আৰু নাজিৰা শিক্ষাখণ্ডৰ ২১,৯০৮গৰাকী ছাত্ৰ-ছাত্ৰীয়ে গুণোৎসৱৰ মূল্যায়নত অংশগ্ৰহণ কৰিব। জিলাখনৰ ১৩২৭খন বিদ্যালয়ত অনুষ্ঠিত হ’বলগীয়া গুণোৎসৱত প্ৰাথমিক বিদ্যালয়ত ৯৯৫, মধ্য ইংৰাজী আৰু মধ্য অসমীয়া বিদ্যালয়ত ১৭৯ আৰু উচ্চ-উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ১৫৩খন। ইয়াৰ সমান্তৰালভাৱে ১৩২৭ গৰাকী বহী মূল্যায়কে মূল্যায়ন কৰিব। ইফালে, জিলাখনৰ বাকীকেইটা শিক্ষাখণ্ডৰ সমান্তৰালকৈ আমগুৰি শিক্ষাখণ্ডৰ ৩২৮খন বিদ্যালয়ত কালি প্ৰাক্ গুণোৎসৱ অনুষ্ঠিত হৈ যায়। ছাত্ৰ-ছাত্ৰীৰ দক্ষতা, এম চি কিউৰ লগতে বিদ্যালয়ৰ মূল্যায়ন কৰা হয়। মণ্ডলৰ ভিতৰৰ নিজ নিজ বিদ্যালয়সমূহৰ শিক্ষক-শিক্ষয়িত্ৰীসকলে অন্য বিদ্যালয়সমূহলৈ গৈ মূল্যায়ন কৰে। অহা ২৩ ৰ পৰা ২৬ মে’লৈ স্ব-মূল্যায়ন হোৱাৰ লগতে মূল পৰ্যায়ৰ গুণোৎসৱত বহী মূল্যায়ন কৰা হ’ব। উল্লেখ্য যে ইতিমধ্যে হৈ যোৱা দুয়োটা গুণোৎসৱত শিৱসাগৰ জিলাই প্ৰথম স্থান পাবলৈ সক্ষম হৈছিল। গুণোৎসৱৰ প্ৰভাৱৰ বাবে শিৱসাগৰ জিলাই মুখ্যমন্ত্ৰীৰ বিশেষ বৃত্তি পৰীক্ষাটো জিলাখনৰ ছাত্ৰ-ছাত্ৰীসকলে সৰ্বাধিক আসনৰ লগতে নিম্ন আৰু উচ্চ প্ৰাথমিকত প্ৰথম স্থান আঁজুৰি আনিবলৈ সক্ষম হৈছে।

# শান্তিৰ কোকৰাঝাৰত এতিয়া অসুৰক্ষিত নাবালিকা

## এসপ্তাহত তিনি কিশোৰী ‘লাভ জেহাদ’ৰ বলি হোৱাৰ অভিযোগ

**অগ্রদূত বাৰ্তা**

**কোকৰাঝাৰ, ১৪ মে’ ঃ** বিটিআৰৰ মিত্ৰজোঁটৰ পৰিষদে ‘শান্তিৰ চহৰ’ আখ্যা দিয়া কোকৰাঝাৰত এতিয়া অসুৰক্ষিত হৈ পৰিছে নাবালিকা। বিগত এটা সপ্তাহত ‘লাভ জেহাদ’ৰ কৱলত পৰি তিনি গৰাকী কিশোৰী অসৎ কামনাৰ বলি হোৱা ঘটনাই সম্প্ৰতি কোকৰাঝাৰত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। উল্লেখ্য যে যোৱা সাত মে’ত দুগৰাকী জনজাতি নাবালিকা ‘লাভ জেহাদ’ৰ বলি হৈ ধৰ্ষিতা হোৱাৰ তথ্য পোহৰলৈ আহিছিল। ইয়াৰ পাছতে আজি ছালাকাটিৰ এগৰাকী জনজাতি সম্প্ৰদায়ৰ কিশোৰী ‘লাভ জেহাদ’ৰ বলি হোৱাৰ অভিযোগ উত্থাপিত হয়। এজন মুছলমান যুৱকে এগৰাকী ১৬ বছৰীয়া জনজাতি কিশোৰীক প্ৰেমৰ জালত পেলাই যৌন উৎপীড়ন চলোৱাৰ উপৰি আপত্তিজনক ফটো সামাজিক মাধ্যমত প্ৰচাৰ কৰাৰ অভিযোগ উঠিছে।

আৰক্ষী সূত্ৰই জনোৱা মতে, ছালাকাটিৰ এখন গাঁৱৰ এটা ভুক্তভোগী পৰিয়ালে এই সন্দৰ্ভত কালি কোকৰাঝাৰ সদৰ আৰক্ষী থানাত এখন এজাহাৰ দাখিল কৰে। উক্ত এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে ২২৬/২২ নম্বৰত এটা গোচৰ পঞ্জীয়ন কৰিছে। অভিযোগ অনুসৰি, ছালাকাটিৰ মছজিদপাৰাৰ নিবাসী ছলু আলীৰ পুত্ৰ আমিৰ হানজা (২৪) নামৰ যুৱকজনে এগৰাকী জনজাতি কিশোৰীৰ স’তে গোপনে প্ৰেমৰ সম্পৰ্ক স্থাপন কৰে। কিছুদিনৰ পূৰ্বে অভিযুক্ত যুৱকজনে কিশোৰীগৰাকীক ফুচুলাই নিজৰ গৃহলৈ নি অসৎ কামনা চৰিতাৰ্থ কৰাৰ লগতে দুয়োৰে অন্তৰংগ অৱস্থাৰ বিভিন্ন মুহূৰ্ত ম’বাইলৰ কেমেৰাত বন্দী কৰি সামাজিক মাধ্যমত ভাইৰেল কৰে। এই কাণ্ড পোহৰলৈ অহাৰ পাছত ভুক্তভোগী কিশোৰীগৰাকীৰ পৰিয়ালে কালি ন্যায় বিচাৰি কোকৰাঝাৰ সদৰ আৰক্ষী থানাত লিখিত এজাহাৰ দাখিল কৰে। লগতে নাবালিকাক যৌন নিপীড়ন আৰু অন্তৰংগ মুহূৰ্তৰ ফটো সামাজিক মাধ্যমত ভাইৰেল কৰা ঘটনাৰ বিৰুদ্ধে কোকৰাঝাৰ শিশু কল্যাণ সমিতিয়েও আইনী ব্যৱস্থা গ্ৰহণৰ বাবে পদক্ষেপ গ্ৰহণ কৰিছে। কোকৰাঝাৰ সদৰ আৰক্ষী থানাত ইতিমধ্যে অভিযুক্ত আমিৰৰ বিৰুদ্ধে ভাৰতীয় দণ্ড বিধিৰ ৩৪২/৩৭৬ (৩) ধাৰা আৰু পক্স’ আইন, আইটি আইন আৰু এছচি/এছটি আইনত একাধিক গোচৰ পঞ্জীয়ন হৈছে। অৱশ্যে এই পৰ্যন্ত অভিযুক্ত আমিৰ পলাতক অৱস্থাত আছে।

# ডিমা হাছাওত বিধ্বংসী

*এক পৃষ্ঠাৰ পৰা* শিশুটিৰ স’তে তেওঁৰ শিক্ষক পিতৃৰো এই দুৰ্ঘটনাত মৃত্যু হৈছে। এই ভূমিস্খলনত নিহতসকল হৈছে চতুৰ্থ শ্ৰেণীৰ ছাত্ৰী কাঞ্চিল জেমে, তেওঁৰ পিতৃ তথা এখন প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক পাওৰাম ছুইলুংমবে জেমে (৪৯) আৰু কিছেটেওং জেমে (৩৪)। উল্লেখ্য যে নেৰানেপেৰাকৈ আহি থকা মুষলধাৰ বৰষুণৰ ফলত ডিমা হাছাওৰ বিভিন্ন প্ৰান্তত যোৱা নিশাৰে পৰা সংঘটিত হৈছে ভূমিস্খলনৰ ঘটনা। ভূমিস্খলনে ভয়াৱহ ৰূপ ধাৰণ কৰাৰ সময়তে আজি পুৱা সংঘটিত হয় এই শোকাৱহ ঘটনা। এজন স্থানীয় লোকে জনোৱা মতে, বিগত কিছুদিন ডিমা হাছাওৰ বিভিন্ন প্ৰান্তত মুষলধাৰ বৰষুণ অব্যাহত আছে। ফলত আজি পুৱাৰ ভাগত হঠাত এটা বাসগৃহক বিশাল ভূমিখণ্ডই হেঁচা মাৰি ধৰে। লগে লগে স্থানীয় লোকে বাসগৃহত থকা চাৰিজনক জীৱন্তে উদ্ধাৰ কৰে যদিও আন তিনিজনক উদ্ধাৰ কৰিব নোৱাৰিলে। এই ঘটনাত অঞ্চলটোত হাহাকাৰ লাগে আৰু বাট-পথসমূহো বন্ধ হৈ পৰে। পুৱা ন বজাতেই উদ্ধাৰকাৰী দলক খবৰ দিয়া হয় যদিও উদ্ধাৰকাৰী দলে সময়ত উপস্থিত হ’ব নোৱৰাত কাষৰীয়া গাঁওসমূহৰ বাসিন্দাই উপস্থিত হৈ পাৰ্যমানে মৃতদেহ উদ্ধাৰ অভিযান অব্যাহত ৰাখে। বিয়লি পৰলৈ কিছেটেওং নামৰ লোকজনৰ মৃতদেহ উদ্ধাৰ হয়। অৱশ্যে বাকী দুটা মৃতদেহ এতিয়াও উদ্ধাৰ কৰিব পৰা নাই।

ইপিনে, নেৰানেপেৰা বৰষুণৰ ফলত ভূমিস্খলনৰ লগতে পানীত বুৰ গৈছে হাফলঙৰ দাঁতি কাষৰীয়া বহু অঞ্চল। ভয়াৱহ ভূমিস্খলনৰ ফলত লংকা-হাফলং পথৰ যাতায়াত ব্যাহত হৈ পৰিছে। লগতে বহুকেইটা পথৰ ওপৰেৰে বৈছে পানী। কাষৰ পাহাৰৰ পৰা খহি অহা শিল-বালিত পোত গৈছে যান-বাহন চলাচল কৰা পথ আৰু হাফলং ৰেল ষ্টেছন। ফলত ডিমা হাছাওৰ ক্ষতিগ্ৰস্ত অঞ্চলসমূহত জনজীৱন ব্যাহত হোৱা দেখা গৈছে।

### বছৰৰ প্ৰথমটো বানৰ কবলত নগাঁও-কাৰ্বি আংলং

ইফালে, বছৰৰ প্ৰথমটো বানৰ কবলত পৰিছে নগাঁও-কাৰ্বি আংলং জিলাৰ বিস্তীৰ্ণ অঞ্চল। পশ্চিম কাৰ্বি আংলং জিলাৰ বৈঠালাংছ’ৰ সোঁমাজেৰে বৈ যোৱা বৰপানী নদীৰ বাঢ়নী পানীয়ে কামপুৰ ৰাজহ চক্ৰৰ অন্তৰ্গত নদীৰ কাষৰীয়া একাংশ গাঁও প্লাৱিত কৰাৰ উপৰি বৰো ধানৰ খেতি পথাৰৰ ব্যাপক ক্ষতিসাধন কৰিছে। আনহাতে, বৈঠালাংছ’ৰ সমীপৰ আমডুবি-লংজাপ সংযোগী বৰপানী নদীৰ ওপৰত থকা এখন বাঁহৰ দলং কেমেৰাৰ সন্মুখতে নদীৰ বাঢ়নী পানীয়ে উটুৱাই লৈ যায়। নগাঁও জিলাৰ আমডুবি আৰু পশ্চিম কাৰ্বি আংলং জিলাৰ হংক্ৰাম-লংজাপ অঞ্চলৰ ৰাইজৰ যাতায়াতৰ একমাত্ৰ আলম এই বাঁহৰ দলংখন পানীয়ে উটুৱাই নিয়াৰ ফলত এতিয়া টুলুঙা নাৱেৰেই ভৰা নদীৰ ওপৰেৰে পাৰ হ’বলগীয়া হৈছে মানুহে। কাৰ্বি লাংপি জলবিদ্যুৎ প্ৰকল্পৰ শ্লুইচ গেট খুলি দিয়াৰ ফলতে বছৰৰ প্ৰথমটো বানৰ কবলত পৰিছে নদীৰ দাঁতি-কাষৰীয়া বহু পৰিয়াল। আন এক সূত্ৰই জনোৱা মতে, অসমৰ লগতে উত্তৰ-পূৰ্বাঞ্চলত ৰাজ্যত আগন্তুক কিছুদিনলৈ অব্যাহত থাকিব ধাৰাসাৰ বৰষুণ। বংগোপসাগৰৰ পৃষ্ঠৰ পৰা ৩.১ কিলোমিটাৰ গতিবেগত উৎপত্তি হোৱা ধুমুহাৰ ফলতে উত্তৰ-পূৰ্বাঞ্চলত আহিব পাৰে ধাৰাসাৰ বৰষুণ। বৰঝাৰস্থিত আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই সদৰী কৰা বতৰৰ আগজাননী অনুসৰি, অহা ২৪ ঘণ্টাত অসম-মেঘালয়ৰ কিছু কিছু ঠাইত ধাৰাসাৰ বৰষুণ অহাৰ লগতে বিজুলী-ঢেৰেকনি অহাৰ সম্ভাৱনা আছে। তদুপৰি অৰুণাচল, নগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাৰ বহু ঠাইত ধাৰাসাৰ বৰষুণ হোৱাৰ সম্ভাৱনা আছে। ঠিক সেইদৰে অহা ১৫ মে’ৰ পৰা ১৮ মে’লৈ অসম-মেঘালয়ৰ কিছু কিছু ঠাইত ধাৰাসাৰ বৰষুণ আহিব। বংগোপসাগৰত উৎপত্তি হোৱা ৩.১ গতিবেগৰ ধুমুহা কিছু হ্ৰাস পালে অহা ১৭ মে’ত অসম-মেঘালয়ত বৰষুণৰ পৰিমাণ কমিব পাৰে। এই আগজাননী সদৰী কৰিছে বৰঝাৰস্থিত আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই।

### বৰপানীৰ বানে উটুৱাই নিলে চাৰিখন বাঁহৰ দলং

**কচুৱাৰ অগ্রদূত বাৰ্তা ঃ** বিগত দুদিনৰ নেৰানেপেৰা বৰষুণ আৰু কাৰ্বি লাংপি হাইড্ৰ’ প্ৰজেক্টৰ চাৰিটা শ্লুইচ গেটৰ পানী এৰি দিয়াত বৰপানী নদীৰ বাঢ়নী পানীয়ে ভয়ানক ৰূপ ধাৰণ কৰিছে। ফলত বিস্তৰ ক্ষতিৰ সন্মুখীন হৈছে নগাঁও জিলাৰ একাংশ অঞ্চল। যোৱা নিশা পমিলা জাৰণি আৰু পুঠিমাৰীত বৰপানী নদীৰ পাৰ ভাঙি কামপুৰ ৰাজহ চক্ৰৰ অন্তৰ্গত তিনি হেজাৰ হেক্টৰ বৰো খেতি পানীত ডুব গৈছে। পানীৰ সোঁতে বৰপানী নদীৰ ওপৰত থকা লীলাৰঘাট, শিঙিমাৰী বজাৰঘাট, উজানমাৰী আৰু পুঠিমাৰীৰ বাঁহৰ দলং চাৰিখন উটুৱাই নিয়ে। নিশাটোৰ ভিতৰতে নদীৰ বাঢ়নী পানীয়ে পুঠিমাৰী, মিছামাৰী, খলিহামাৰী, মোৱামাৰী, গৰুবন্ধা, ৰমনিপথাৰ, ফাকলি, উজানমাৰী, ৰজাআলি, জুৰিৰপাৰ, হাতীখুঁটি, আলিটাঙনি, ৰাঙলুবস্তি, শিশুৱাপাৰ আৰু পদুমণি গাঁৱকে ধৰি অৰ্ধ শতাধিক গাঁৱৰ প্ৰায় তিনি হেজাৰ হেক্টৰ বৰোখেতি পানীত ডুব যোৱাত মূৰে-কপালে হাত দিছে কৃষকে। পাঁচ শতাংশ কৃষকে বৰো ধান চপালে যদিও ৯৫ শতাংশ কৃষকৰ পকা বৰোধান পানীত ডুব যোৱাত হাহাকাৰ অৱস্থাৰ সৃষ্টি হৈছে। ইপিনে, নদীৰ ওপৰত থকা বাঁহৰ দলংসমূহ উটুৱাই নিয়াত যাতায়াত ব্যাহত হৈ পৰিছে। উল্লেখ্য যে প্ৰতিটো নিৰ্বাচনৰ পূৰ্বে প্ৰাৰ্থীসকলে বৰপানী নদীৰ দুয়ো পাৰে মথাউৰি নিৰ্মাণ কৰাৰ প্ৰতিশ্ৰুতিৰ বন্যা বোৱায় যদিও নিৰ্বাচনত জয়ী হোৱাৰ পাছত সকলোবোৰ ফুটুকাৰ ফেনত পৰিণত হয় বুলি স্থানীয় লোকে অভিযোগ কৰিছে।

**AFFIDAVIT**

I Dipan Kumar Nath, S/O. Lt. Phul Sing Nath, Vill-Baruakhat, P.O. Khaplangkuchi, P.S. Raha, Nagaon, Assam, do hereby declared by an affidavit before Addl. District Magistrate, Nagaon that, Dipan Kumar Nath and Deepan Nath are the name of same and one person i.e. myself and my correct date of birth is 03-01-1997.

**জ্যোতিষী**

আপুনি কেনেকুৱা সমস্যাত ভুগিছে? সমস্যা যিমান কঠিন নহওক কিয় ১০০ শতাংশ **Guarantee** সহ সমাধান পাবই। মায়ং প্ৰশিক্ষণ জ্যোতিষী। আচাৰ্য ডি শৰ্মা **(M) 8099336044.**

**ASTROLOGY/ জ্যোতিষী**

ত্ৰিকাল মহাভৈৰৱ তন্ত্ৰ কেন্দ্ৰ ও আচল ৰত্নৰ ৰাজভাণ্ডাৰ ৰত্নসাগৰ অসমত সৰ্বপ্ৰথম একমাত্ৰ ১৮টা বিদ্যাৰ দ্বাৰা একেলগে, একে ঠাইত সংমিশ্ৰিত, বিশ্লেষিত সকলো সমস্যাৰ গেৰাণ্টীযুক্ত সমাধান। সৰ্বমনোকামনা পূৰণকাৰী মহাকাল ভৈৰৱ কৱচত সকলো সমস্যা তিনি ঘণ্টাৰ পৰা সমাধান। জ্যোতিষ, বাস্তু, তান্ত্ৰিক সম্ৰাট.... ত্ৰিকাল ৰাজগুৰু, কুঁৱৰীটোল, কলিয়াবৰ, নগাঁও- **9954021556, 9947066469.**

**LOST**

I have lost my B.A 4th Semester Admit and Registration Certificate enrollment number 15020160 of July 2017.

**Amit Khanal**
**Bali Jan**

I have lost my B.A 4th Semester Admit and Registration Certificate enrollment No-15020184 of July 2017.

SURAT MAHANANDA

## আজিৰ দিনটো



**কিৰো ইয়ং,** ৰত্ন কুবেৰ জেমছ এণ্ড জুয়েলাৰী

জি. এছ. ৰোড, মণিপুৰী বস্তী, গুৱাহাটী-৭

☎ ঃ ২৫১২১০২, ৯৯৫৭১-১১১৭১

### ৩১ ব’হাগ ৰবিবাৰ ১৫ মে’

**সূৰ্যোদয় ঃ** ঘঃ ৪।৪০।৩৪, **সূৰ্যাস্ত ঃ** ঘঃ ৫।৫৫।৫০। **তিথি ঃ** শুক্লা চতুৰ্দশী, দং ১৭।১৫।৩০ ঘঃ ১১।৩৪।৪৬। **নক্ষত্ৰ ঃ** স্বাতী, দং ২৫।২৪।১৬ ঘঃ ২।৫০।১৪। **যোগ ঃ** ব্যতীপাত, দং ১১।৩।৪ ঘঃ ৯।৫।৪৮। **কৰণ ঃ** বনিজ। **জন্মত ঃ** তুলাৰাশি, বৈশ্যবৰ্ণ, মতান্তৰে শূদ্ৰবৰ্ণ, দেৱগণ, মহিষৰ অস্থি, বৰুণযোগ, অষ্টোত্তৰী বুধ, বিংশোত্তৰী ৰাহুৰ দশা, ঘঃ ২।৫০।১৪ যোৱাত দেৱাৰিগণ, বাঘৰ অস্থি, বিংশোত্তৰী বৃহস্পতিৰ দশা। **আদ্যঋতু হ’লে ঃ** ১৫ দিনীয়া বেশ্যা যোগ, মতান্তৰে তিনিমহীয়া পতিহীনা যোগ। **মৰণত দোষঃ** এপদ, ঘঃ ২।৫০।১৪ যোৱাত ত্ৰিপদ। **যোগিনী ঃ** পশ্চিমত, ঘঃ ৩১।৩৪।৪৬ যোৱাত বায়ুকোনত। **যাত্ৰা ঃ** নাই, সংক্ৰান্ত্যাদি দোষ। **শুভকৰ্ম ঃ** নাই। **ভক্ষাভক্ষ্য ঃ** মাটিমাহ, মাছ-মাংস, তেল ঘঃ ১১।৩৪।৪৬ যোৱাত মাটিমাহ, মাছ-মাংস, তেল। খোৱা আৰু প্ৰায়শ্চিত্ত নিষেধ।

*দিনটোৰ ৰাশিফল*

**মেষ ঃ** আনৰ লগত তুলনা কৰাটো আপুনি ভাল নাপাব। নিজৰ ভাৱমূৰ্তিৰ প্ৰতি আপোনাৰ থকা দৃঢ়তা ৰক্ষা কৰিব পাৰিব। বিয়া-বাৰুৰ, কথা-বতৰাত আগুৱাব পাৰে। প্ৰেম-প্ৰীতিত অনুকূল। শুভ ৰং বগা, শুভ সংখ্যা-২।

**বৃষ ঃ** কিছু সন্দেহ আৰু কষ্টেৰে আজি পাৰ কৰিব দিলে খুব আহুকালত পৰিব নালাগিব। শৰীৰ মধ্যম। মূল কথাত মন দিয়ক। কিছু হ’লেও কৃতকাৰ্য হ’বই। ভ্ৰমণৰ সম্ভাৱনা আছে। শুভ ৰং নীলা, শুভ সংখ্যা-৪।

**মিথুন ঃ** ক্ৰমে দিনটো ভাল যদিও আবেলি সময়ৰ পৰা অলপ উদ্বেগ-অশান্তি দেখা যায়। শৰীৰ মধ্যম, যত্ন কৰক। শুভ ৰং সেউজীয়া, শুভ সংখ্যা-৬।

**কৰ্কট ঃ** মন ফৰকাল নাথাকিব। কৰ্মক্ষেত্ৰত অৱশ্যে কিছু দায়িত্ব পৰিবও পাৰে। ঘৰুৱা কথাত সামান্য উদাসীনতা। শুভ ৰং বেঙুনীয়া, শুভ সংখ্যা-৩।

**সিংহ ঃ** কোনো স্বভাৱগত তেজস্বিতা কাৰো আগত নেদেখুৱাব। ইয়াক কৰ্মৰ মাজতে ব্যৱহাৰ কৰক। পিতৃ-মাতৃৰ বাবে সামান্য চিন্তা। দাম্পত্যতো কিন্তু চিন্তা থাকিব। বাধা দুই-এটা আছে শুভ ৰং ৰঙা, শুভ সংখ্যা-১।

**কন্যা ঃ** কৰ্মতৎপৰতা বৃদ্ধি পাব। তাৰ পৰা নতুন কৰ্মচাৰীয়ে প্ৰশংসিত হ’ব। আৰ্থিকত খুব বেয়া নহ’ব আজিৰ দিনটোৰ। দাম্পত্যত মধ্যম, সন্তানৰ চিন্তা আঁত বিচাৰি নাপাব। বিদ্যাত উন্নতি। শুভ ৰংহালধীয়া, শুভ সংখ্যা-৮।

**তুলা ঃ** কোনো কামৰ বাবে চুক্তিবদ্ধ হ’ব পাৰে অথবা নতুন কোনো সংস্থাৰ পৰা স্বীকৃতি লাভ। শৰীৰ পিছে খুব ভালেৰে যোৱা টান হ’ব। কিন্তু নতুন এটা কৰি দেখুৱাৰো আছে। শুভ ৰং বগা, শুভ সংখ্যা-৫।

**বৃশ্চিক ঃ** কাৰ্যকৰী সংযোগত অনুকূল আৰ্থিকতে আশাপ্ৰদ। কিন্তু সাময়িক উৎকণ্ঠা থাকিব। মনোবল বঢ়াওক। গৃহৰ স্বাৰ্থত কিছুমানত এৰা-ধৰা কৰিব। পঢ়াত মধ্যম । হঠাৎ কোনো সমস্যাৰ সন্মুখীন হ’লেও দুশ্চিন্তা নানিব। শুভ ৰং মাটিয়া, সংখ্য-৯।

**ধনু ঃ** আৰ্থিকৰ বাবে কৰা চেষ্টাত কিছু সুফল দেখিব। আনহাতে, বুজন পৰিমাণৰ খৰচৰ বাবেও প্ৰস্তুত থকাটো ভাল। শুভ ৰং ৰঙা, শুভ সংখ্যা-২।

**মকৰ ঃ** উৎকণ্ঠাৰে কটাব লগা হ’ব পাৰে। কৰ্মতো মন চঞ্চল হ’ব পাৰে। কোনো খবৰত বৰ সুখী নহ’ব পাৰে। শুভ ৰং আকাশীনীলা, শুভ সংখ্যা-৬।

**কুম্ভ ঃ** পিচবেলা কোনো ক্ষেত্ৰত নিৰাশ হ’ব পাৰে। অৱশ্যে আগবেলা তাৰ কিছু ওলোটা ফল দেখিব। প্ৰয়োজনীয় ক্ষেত্ৰত সেয়ে সাৱধানে চলক। অৱশ্যে আগবেলা তাৰ কিছু ওলোটা ফল দেখিব। প্ৰয়োজনীয় ক্ষেত্ৰত সেয়ে সাৱধানে চলক দাম্পত্যত মধ্যম। শুভ ৰং সোণালী, শুভ সংখ্যা-৩।

**মীন ঃ** কৰ্মস্থানত আৰু পাৰিবাৰিক ক্ষেত্ৰত খুব উৎসাহজনক দেখা নাযায়। নিজে আগতে সকলো দিশেই দুৱাৰ খোলা নাপাব। ভ্ৰমণাদিত একেবাৰে অন্য মন্যৰ হ’ব। দুই চিন্তা নকৰিব। শুভ ৰং বগা, শুভ সংখ্যা-২।

## শব্দ-বেহু ঃ ১৫মে ২০২২



@ সব্যসাচী

**পথালিয়ে ঃ**

১। অবিবাহিত পুৰুষ, মাটিৰ পাত্ৰ, বাচন আদি সাজি জীৱিকা উলিওৱা লোক (৩)
৩। খেতিৰ পৰা উৎপন্ন শস্য, কাৰ্য্যৰ আকাংক্ষিত ফল (৩)
৫। চৰ্ম, গছ আদিৰ বাকলি, চামৰা (২)
৭। চৌকা, ৰান্ধনী-ঘৰৰ ৰন্ধা-বঢ়া কৰা অংশ (৩)
৮। বগাই যোৱা উদ্ভিদ, বল্লৰী (২)
১০। প্ৰাচীন কামৰূপ শাসন কৰা এটা ৰাজ-বংশ (৩)
১১। গীত, সুৰ দি গোৱা পদ্য (২)
১২। শাৰীৰিক গঠনৰ প্ৰাৰ্থক্যৰ ভিত্তিত ভাগ কৰা একোটা একোটা বৃহৎ মানৱ গোট (২)
১৪। পাতল, মিঠো গধুৰ নহয় (২)
১৫। ধাই, প্ৰসৱৰ সময়ত প্ৰসূতিক পৰিচৰ্য্যা কৰা পেচাদাৰী তিৰোতা (২)
১৬। উচিত, যুক্তি থকা, অধিকাৰ (২)
১৭। তৰল বস্তুৰ পাত্ৰৰ তলিত জমা হোৱা অদ্ৰৱণীয় মল, গেদ (২)
১৯। যি কাণেৰে নুশুনে, মানুহৰ কল্পনা (২)
২১। শ্ৰেষ্মা, কাহোঁতে মুখেৰে বাহিৰ হোৱা বীজলুৱা পদাৰ্থ (২)
২২। দুৰ্বল, শোচনীয়, বেয়া অৱস্থা (৩)
২৪। ইয়াতে অন্ত, সামৰণি (২)
২৬। সামাজিক ৰীতি-নীতি, ব্যৱহাৰ, ফল-মূলৰ ৰুচিকৰ খাদ্য (৩)
২৭। জন্তুক আহাৰৰূপে দিয়া ধান, মাহ, খলিহৈ আদি (২)
২৯। ক্ষত, আঘাত (৩)
৩০। তিওৱা চাউল শুকানকৈ ভাজি খুন্দি কৰা জলপান (৩)

**থিয়কৈ ঃ**

১। নল ৰজাৰ শহুৰেক বিদৰ্ভৰাজৰ নগৰ, শদিয়া (৩)
২। দীঘল আৰু শকত জৰী, ফই (২)
৩। কাৰ্য্যৰ পৰিণাম, গছৰ গুটি, অংক কৰি পোৱা শেষ ৰাশি (২)
৪। উপবাস,অনাহাৰ (৩)
৬। ৰামৰ পুত্ৰ, ভগ্নাংশৰ এটা স্থান (২)
৭। এটা সন্তান জন্মাৰ পৰা আন এটাৰ জন্মলৈ মাজৰ সময়খিনি (৩)
৯। টাটকা, সতেজ, সজীৱ (২)
১১। ঋগবেদৰ এটা মন্ত্ৰ (৩)
১৩। কপালত লোৱা ফোঁট, শ্ৰেষ্ঠজন (৩)
১৫। যি আধাৰ স্বৰূপে ধৰি থাকে (৩)
১৬। লেখা আখৰ, ছপা লিপি (৩)
১৮। স্বাভাৱিক অৱস্থাৰ অৱনতি, বিকৃতি (৩)
২০। আশয়, প্ৰধান, খৰালিৰ এবিধ শাক (২)
২১। ধাৰ, ঋণ, দেনা (৩)
২৩। গোটা বস্তুৰ খণ্ড বা ডোখৰ, চপৰা (২)
২৫। এবিধ গ্ৰীষ্মকালীন ফল (৩)
২৬। পকিলে ৰসাল হোৱা এবিধ ফল আৰু তাৰ গছ (২)
২৮। উশাহ-নিশাহ আৰু গোন্ধ লোৱা অংগ, নাক (২)

**উত্তৰ অহা সংখ্যাত**

**১৪ মে ২০২২ সংখ্যাৰ উত্তৰ ঃঃ**

**পথালিয়ে ঃ** ২। বাছ-বিচাৰ ৫। হিৰণ্যকশিপু ৭। অকৰা ১০। নাদ ১১। বন্ধ্যা ১৩। কৰ ১৪। জিলা ১৫। মাৱল ১৯। জাকত-জিলিকা ২১। সাৰ্বজনীন

**থিয়কৈ ঃ** ১। বাহি ২। বাপু ৩। বিবাহ ৪। বন্ধন ৬। বজক ৭। অদম্য ৮। বাদ ৯। হৰলা ১০। নাবদ ১২। সলিল ১৪। জিৰা ১৬। ব’দালি ১৭। তমসা ১৮। জাৰজ ১৯। জান ২০। কাম্য

**AFFIDAVIT**

By an affidavit Before the first class Magistrate Kamrup Metro on 02/02/2022, I Have declared that my name were wrongly recorded in various documents, as Tarlochan Singh and Trilochan Singh Panesar instead of Tarlochan Singh Panesar and also my father's name have been wrongly recorded as Gian Singh and Gyan Singh instead of Gian Singh Panesar.

From now onwards Tarlochan Singh and Gyan Singh will be known as Tarlochan Singh Panesar and Late Gian Singh Panesar.

I, AB KADER ALI, aged about 42 years,S/O-Magar, residing at Vill-Kathalguri, P.O K/Bhotgaon, P.S & Dist-Kokrajhar (Assam) declare that my actual and correct name is AB KADER ALI which is recorded in my Aadhaar Card No.896211140508 and other relevant documents. But in my bank passbook A/C no. 59058515530 my name is wrongly recorded as ABDUL KADER ALI instead of AB KADER ALI. So, my actual and correct name is AB KADER ALI by an affidavit before Judicial Magistrate, Kokrajhar on 13/05/2022.

I, MAYJUDDIN SHEIKH, aged about 56 years,S/O-Lt. Amjuddin Sheikh, residing at Vill-Ghoramara, P.O-Rainadabri, P.S & Dist-Kokrajhar (Assam) declare that my actual and correct name is MAYJUDDIN SHEIKH which is recorded in my Aadhaar Card No. 402117477164 and other relevant documents. But in my bank passbook A/C no. 21428559207 my name is wrongly recorded as MOIZUDDIN SHEIKH instead of MAYJUDDIN SHEIKH. So, my actual and correct name is MAYJUDDIN SHEIKH by an affidavit before Judicial Magistrate, Kokrajhar on 13/05/2022.

দেওবৰীয়া দৈনিক
অগ্ৰদূত
গুৱাহাটী, ১৫ মে', ২০২২ দেওবাৰ পৃষ্ঠা তিনি

## ডলু বাগিচাত উচ্ছেদৰ ব্যৱস্থাক দুৰ্ভাগ্যজনক আখ্যা শইকীয়াৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১৪ মে' ঃ** কাছাৰত এটা নতুন বিমানকোঠ নিৰ্মাণৰ বাবে অসম চৰকাৰে ডলু চাহ বাগিচাৰ বৃহৎ পৰিমাণৰ ভূমি অধিগ্ৰহণ কৰিবলৈ অব্যাহত থকা অভিযানৰ তীব্ৰ বিৰোধিতা কৰিছে বিধানসভাৰ বিৰোধী দলপতি দেবব্ৰত শইকীয়া আৰু উত্তৰ কৰিমগঞ্জৰ বিধায়ক কমলাক্ষ্য দে পুৰকায়স্থই। আজি শইকীয়াই এক বিবৃতিযোগে আৰু পুৰকায়স্থই অসম বিধানসভা চৌহদত সাংবাদিকৰ আগত চৰকাৰৰ সিদ্ধান্তৰ বিৰোধিতা কৰি বিমানকোঠ নিৰ্মাণৰ বাবদ চাহ আঠ পৃষ্ঠাত চাওক

## মূল্যবৃদ্ধিৰ আশংকা-মুদ্ৰাস্ফীতি বৃদ্ধিৰ চাপ ঃ ভাৰত বিশ্বৰ দ্বিতীয় সৰ্বাধিক ঘেঁহু ৰপ্তানিকাৰী দেশ

# ঘেঁহু ৰপ্তানিত নিষেধাজ্ঞা আৰোপ ভাৰতৰ

**নিউজ ব্যুৰ'**

**নতুন দিল্লী, ১৪ মে' ঃ** বৰ্ধিত মুদ্ৰাস্ফীতি আৰু অধিক মূল্যবৃদ্ধিৰ আশংকা ঘনীভূত হোৱাৰ পৰিপ্ৰেক্ষিতত তাৎক্ষণিকভাৱে কাৰ্যকৰী হোৱাকৈ আকস্মিকভাৱে ভাৰত চৰকাৰে ঘেঁহুৰ ৰপ্তানিত আজি নিষেধাজ্ঞা আৰোপ কৰাক লৈ ব্যাপক চৰ্চা আৰম্ভ হৈছে। এই সংক্ৰান্তত বৈদেশিক বাণিজ্য সঞ্চালকালয়ে জাৰি কৰা জাননীত উল্লেখ কৰা হৈছে যে সামগ্ৰিকভাৱে দেশৰ খাদ্য সুৰক্ষা নিশ্চিত কৰা আৰু চুবুৰীয়াৰ লগতে স্পৰ্শকাতৰ দেশক সহযোগিতা কৰাৰ বাবে এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। উল্লেখ্য যে যোৱা মাৰ্চত অত্যধিক গৰমৰ প্ৰকোপত দেশত ঘেঁহু খেতিৰ যথেষ্ট ক্ষতি হয়। একে সময়তে ভাৰতৰ মুদ্ৰাস্ফীতিৰ হাৰ ৭.৭৯ শতাংশলৈ বৃদ্ধি হোৱাটোৱেও চৰকাৰক চাপত ৰাখিছে। অৱশ্যে, ৰপ্তানিৰ ক্ষেত্ৰত এনে সিদ্ধান্ত ল'লেও তাৰ মাজতে চৰকাৰে ভাৰতৰ পৰা ঘেঁহু ৰপ্তানিৰ বজাৰখন সম্প্ৰসাৰিত কৰাৰো তৎপৰতা অব্যাহত ৰাখিছে। সেয়েহে আমদানি বৃদ্ধিৰ প্ৰস্তাৱ লৈ কে'বাখনো দেশলৈ শীঘ্ৰে ব্যৱসায়িক প্ৰতিনিধি প্ৰেৰণৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। এই দেশকেইখন হ'ল মৰক্কো, টিউনিচিয়া, ইণ্ডোনেছিয়া, ফিলিপাইনছ, থাইলেণ্ড, ভিয়েটনাম, তুৰ্কী, আঠ পৃষ্ঠাত চাওক



মৰাপাগলাদিয়াৰ মথাউৰি ভাঙি বিস্তীৰ্ণ অঞ্চল প্লাৱিত, শনিবাৰে।

## বনকৰা কিশোৰী ছাত্ৰীক ফুৰাবলৈ নি দলবদ্ধ ধৰ্ষণ ব্যৱসায়ীৰ ঃ পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে আৰক্ষীৰ শূন্যলৈ গুলিচালনা-লাঠিচালনা

## দিয়ামুলী বাগিচাত উত্তেজিত শ্ৰমিকৰ উত্তাল প্ৰতিবাদ



**ডুমডুমা, ১৪ মে' ঃ** এগৰাকী বনকৰা কিশোৰী ছাত্ৰীক কলকাতালৈ ফুৰাবলৈ নি দলবদ্ধভাৱে ধৰ্ষণ কৰাৰ অভিযোগ কেন্দ্ৰ কৰি আজি তিনিচুকীয়া জিলাৰ বাঘজানৰ দিয়ামুলী চাহ বাগিচাত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। উত্তেজিত শ্ৰমিকসকলে অভিযুক্ত ব্যৱসায়ী এজনৰ বাসগৃহ লণ্ড ভণ্ড কৰাৰ লগতে দুখনকৈ দুচকীয়া বাহনো আঠ পৃষ্ঠাত চাওক

## কাছাৰৰ বিমানকোঠৰ নাম গোবিন্দচন্দ্ৰ হাসনুৰৰ নামত নামকৰণৰ দাবী

**গুৱাহাটী, ১৪ মে' ঃ** কাছাৰৰ ডলুত নতুন বিমানকোঠৰ নিৰ্মাণৰ প্ৰস্তুতি চলি আছে। নতুন বিমানকোঠাটোৰ নাম গোবিন্দচন্দ্ৰ হাসনুৰৰ নামত নামকৰণ কৰিব লাগে বুলি নিখিল কাছাৰ হৈড়ম্ব বৰ্মন সমিতিয়ে দাবী জনাইছে। সন্থাৰ সভাপতি বীৰেন্দ্ৰ দৌলাগুপু বৰ্মনে যোৱা ১২ মে'ত এখন সংবাদমেলত কয় যে যদি আধুনিক বিমানকোঠৰ নিৰ্মাণ কৰা হয় তেন্তে ইয়াৰ নাম হৈড়ম্ব বৰ্মণ ৰাজাধিৰাজ গোবিন্দচন্দ্ৰ হাসনুৰ নামেৰে নামকৰণ কৰিব লাগে। তেওঁ বিমানকোঠটোৰ নিৰ্মাণৰ বাবে শিলচৰৰ সাংসদ ড° ৰাজদীপ ৰায়ৰ প্ৰচেষ্টাক শলাগ লয়।

## বজালীৰ কাৰৈমাৰীত দুই পৰিয়ালৰ দীৰ্ঘদিনীয়া সংঘাতৰ পৰিণতিত যুৱকৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**কয়াকুছি, ১৪ মে' ঃ** দুটা পৰিয়ালৰ মাজত দীৰ্ঘদিনীয়া বিবাহজনিত সংঘাতৰ ফলত নৱগঠিত বজালী জিলাৰ কাৰৈমাৰীত সংঘটিত হৈছে এক হত্যাকাণ্ড। এদল লোকৰ দলবদ্ধ আক্ৰমণত গুৰুতৰভাৱে আহত হোৱা কাৰৈমাৰী ন নম্বৰ ব্লকৰ এজন যুৱকৰ কালি সন্ধিয়া চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। কালি আবেলি প্ৰায় তিনি বজাত সংঘটিত হোৱা এক মাৰপিটৰ ঘটনাত নিহত হোৱা যুৱকজন হৈছে গাঁওখনৰ মিৰজান আলীৰ একমাত্ৰ পুত্ৰ নজৰুল ইছলাম (৩০)।

ঘটনাৰ বিৱৰণী মতে, কাৰৈমাৰী ন নম্বৰ ব্লকৰ নিবাসী আলীৰ পৰিয়ালৰ ওপৰত একেখন গাঁৱৰে আজিমউদ্দিনে তেওঁৰ তিনি পুত্ৰ আৰু পৰিয়ালৰ আন সদস্যক লগত লৈ কালি বিয়লি আক্ৰমণ চলায়। কাঠৰ বাটাম, ডেগাৰ আদিৰে আজিমউদ্দিনৰ পৰিয়ালে আলীৰ পৰিয়ালৰ ওপৰত অতৰ্কিতে চলোৱা আক্ৰমণত মূৰত গুৰুতৰভাৱে আহত হয় নজৰুল। আঘাতপ্ৰাপ্ত নজৰুলক ততাতৈয়াকৈ সৰ্থেবাৰীৰ ৩০খন বিছনাযুক্ত সৰুক্ষেত্ৰী গ্ৰাম্য চিকিৎসালয়ত ভৰ্তি কৰা হয় যদিও উন্নত চিকিৎসাৰ বাবে বৰপেটাৰ ফখৰুদ্দিন আলী আহমেদ চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰা হয়। আলীৰ একমাত্ৰ পুত্ৰ তথা দুই সন্তানৰ পিতৃ নজৰুলক আইচিইউত ভৰ্তি কৰা হয় যদিও সন্ধিয়া চিকিৎসাধীন অৱস্থাতে তেওঁৰ মৃত্যু হয়। ইপিনে, নজৰুলৰ মৃত্যুৰ খবৰ বিয়পি পৰাৰ লগে লগে উত্তেজিত স্থানীয় লোকে আঠ পৃষ্ঠাত চাওক

## ঘগ্ৰাপাৰত গ্ৰামোন্নয়ন আঁচনিত লুণ্ঠনৰাজ চলোৱাৰ অভিযোগ

## এনৰেগাত এশ দিনৰ কাম নোপোৱাৰ অভিযোগ

**অগ্ৰদুত বাৰ্তা**

**ঘগ্ৰাপাৰ, ১৪ মে' ঃ** ৰাষ্ট্ৰীয় গ্ৰামীণ নিয়োগ নিশ্চিত আঁচনি ৰূপায়ণৰ নামত নলবাৰী জিলাৰ ঘগ্ৰাপাৰস্থিত বড়িগোগ বনভাগ খণ্ড উন্নয়নৰ অন্তৰ্গত নখন গাঁও পঞ্চায়তৰ একাধিকতে লুটপাটহে চলাৰ ৰাজহুৱা অভিযোগ উঠিছে। অভিলাষী আঁচনিখনৰ অধীনত ৰাজ্যৰ কৰ্মহীন শ্ৰমিক আৰু গ্ৰামাঞ্চলৰ কৰ্মহীন দৰিদ্ৰ পৰিয়ালসমূহক জবকাৰ্ড প্ৰদান কৰি জবকাৰ্ডপ্ৰাপ্ত শ্ৰমিকৰ লগতে গ্ৰাম্য উন্নয়ন সাধন কৰাৰ লক্ষ্যৰে প্ৰৱৰ্তিত আঁচনিখন বড়িগোগ বনভাগ খণ্ড উন্নয়নৰ অধীনস্থ নখন গাঁও পঞ্চায়তে প্ৰায় ধোঁৱাচাণ্ডত উঠিছে বুলি সৰ্বস্তৰত চৰ্চিত হৈছে। প্ৰাপ্ত অভিযোগ মতে, কংগ্ৰেছৰ লেখীয়া বৰ্তমানৰ পৰিৱৰ্তনকামী বিজেপি চৰকাৰৰ দিনতো একাংশ পঞ্চায়ত সভাপতি-কাউন্সিলাৰ, সচিব, কনিষ্ঠ অভিযন্তাই নিজৰ জেপ গধুৰ কৰাৰ বাবে পিছপৰা গ্ৰামাঞ্চলৰ অথবা দৰিদ্ৰ জনগণৰ সামান্যও উন্নয়ন নহ'ল। বিগত দিনত উন্নয়ন খণ্ডটোৰ অন্তৰ্গত বালিতাৰা, চটাইবাৰী, আল্লিয়া, খাতিকুছি, দেহাৰকুছি, দতৰা, ঘগ্ৰাপাৰ, পূব বনভাগ, দিহজাৰী পঞ্চায়তত এম জি এনৰেগাৰ আঁচনি নীতি-নিয়ম জলাঞ্জলি দি জবকাৰ্ডপ্ৰাপ্ত শ্ৰমিকক কামৰ পৰা বঞ্চিত কৰি ট্ৰেক্টৰেৰে বিভিন্ন আঁচনিৰ কাম-কাজ কৰি লুটি-পুটি খোৱাৰ উপৰিও শেহতীয়াভাৱে একেটা কামে প্ৰায়বোৰ পঞ্চায়তে চলি আহিছে বুলি তথ্য পোহৰলৈ আহিছে। প্ৰণিধানযোগ্য যে এম জি এনৰেগাৰ বিপৰীতে আবণ্টিত ধনৰ ২০ শতাংশও যদি আঁচনিসমূহত ব্যয় কৰা হ'লে গ্ৰামাঞ্চলৰ ৰাইজে বাৰিষা যাতায়তৰ ক্ষেত্ৰত যমৰ যাতনা ভুগিব লগা নহ'লহেতেন বুলি চৰ্চিত হৈছে। বিগত বৰ্ষত নখন গাঁও পঞ্চায়তৰ অধীনস্থ বিভিন্ন গাঁৱত এম জি এনৰেগা আঁচনিৰ দ্বাৰা বাট-পথ, কৃষি বান্ধ আদিৰ কামত লাখ লাখ টকা ব্যয় হৈছে যদিও অধিকাংশ পঞ্চায়তে গ্ৰাম্য উন্নয়নৰ নামত মূলতঃ একোৱে নহ'ল বুলি ৰাজহুৱা অভিয়োগ উঠিছে। ইফালে উন্নয়ন খণ্ডটোৰ অন্তৰ্গত জবকাৰ্ড শ্ৰমিকে এশদিনৰ কাম পোৱাটো দূৰৈৰ কথা বিজেপিৰ চৰকাৰ অহাৰ পৰা জবকাৰ্ড শ্ৰমিকে এই আঁচনিত মুঠেই কাম কৰিবলৈ পোৱা নাই বুলি শ্ৰমিকসকলে জানিব দিয়ে। আনহাতে, সংশ্লিষ্ট পঞ্চায়তকেইখনৰ অধিকাংশতে পঞ্চায়ত সভাপতি-কাউন্সিলাৰ আৰু নিৰ্মাণ সমিতিয়ে কৌশলেৰে অথবা ভাড়া জবকাৰ্ডসমুহ হস্তগত কৰি আঁচনিসমূহৰ বিপৰীতে সিংহভাগ ধন নিম্নমানৰ কাম কৰি উলিয়াই নিয়াৰ অভিযোগ উঠিছে। পিছে এই ক্ষেত্ৰত উৰ্ধৱতন কৰ্তৃপক্ষই মুঠেই গুৰুত্ব নিদি একপ্ৰকাৰ সহযোগহে কৰিছে বুলি অভিযোগ উত্থাপিত হৈছে। তদ্ৰূপ এম জি এনৰেগা চি চি ব্লকৰে আঠ পৃষ্ঠাত চাওক

## মাটিয়া মণ্ডল বিজেপিৰ প্ৰাক্তন সভাপতিৰ বিয়োগ

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ১৪ মে' ঃ** বিজেপিৰ গোৱালপাৰা জিলাৰ মাটিয়া মণ্ডলৰ প্ৰাক্তন সভাপতি তথা গোৱালপাৰা জিলাৰ বাকাইটাৰীৰ স্থায়ী বাসিন্দা, অৱসৰপ্ৰাপ্ত শিক্ষক ভৈৰৱ চন্দ্ৰ গোস্বামী (৭৬)ৰ যোৱা নিশা হৃদযন্ত্ৰৰ ক্ৰিয়া বন্ধ হৈ মৃত্যু হয়। নিশা ১১ বজাত গোস্বামীয়ে নিজ ঘৰতে হঠাতে অসুস্থ হৈ পৰাত লগে লগে মাটিয়া প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত ভৰ্তি কৰোৱা হয়। কিন্তু অৱস্থা সংকটজনক হোৱাত উন্নত চিকিৎসাৰ বাবে গোৱালপাৰা অসামৰিক আঠ পৃষ্ঠাত চাওক

## ■ নিৰ্মাণকাৰী সংস্থাৰ বিৰুদ্ধে যুৱ-ছাত্ৰ পৰিষদ-ৰাইজৰ ক্ষোভ

## এজাক বৰষুণতে বুৰিলে ঘগ্ৰাপাৰৰ দামোদৰ ধাম পথ

**অগ্ৰদূত বাৰ্তা**

**ঘগ্ৰাপাৰ, ১৪ মে' ঃ** নলবাৰী লোক নিৰ্মাণ বিভাগৰ অন্তৰ্গত ঘগ্ৰাপাৰৰ দামোদৰ ধামপথত এজাক বৰষুণতে বানপানী সদৃশ পৰিৱেশৰ সৃষ্টি হোৱাত অঞ্চলৰ পথচাৰী ৰাইজৰ লগতে বিভিন্ন শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীয়ে নৰক যন্ত্ৰণাৰ সমুখীন হৈ আহিছে বুলি অভিযোগ উত্থাপন হৈছে। উল্লেখ্য যে নলবাৰী মেডিকেল কলেজ সংযোগী এই পথছোৱা পুনৰ নিৰ্মাণৰ কাম আজিৰে পৰা প্ৰায় তিনি বছৰ পূৰ্বে গৌতম কনষ্ট্ৰাকছন নামৰ এটি সংস্থাই হাতত লৈছিল যদিও সংস্থাটোৰ আঠ পৃষ্ঠাত চাওক



## ড্ৰাগছসহ তিনি সৰবৰাহকাৰীক গ্ৰেপ্তাৰ ঃ ম'বাইল-চিৰিঞ্জ জব্দ



**আলোপতি, ১৪ মে' ঃ** কামৰূপ জিলাৰ বকো সমষ্টিৰ মন্দিৰা আৰক্ষী চকীৰ অন্তৰ্গত নেপালীপাৰাত আজি আৰক্ষীয়ে অভিযান চলাই ড্ৰাগছসহ গ্ৰেপ্তাৰ কৰে তিনিজন সৰবৰাহকাৰীক। মন্দিৰা আৰক্ষী চকীৰ আৰক্ষীয়ে আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা ড্ৰাগছ সৰবৰাহকাৰী তিনিজন হ'ল ক্ৰমে দীপাংকৰ সাহা, ৰাকেশ আলী আৰু নজৰুল ইছলাম। সৰবৰাহকাৰী তিনিটাৰ পৰা আঠটা ড্ৰাগছ ভৰ্তি কন্টেইনাৰ জব্দ কৰে। ড্ৰাগছ সৰবৰাহকীয়ে ব্যৱহাৰ কৰা এখন এএছ-২৫ আৰ- ৪১৪২ নম্বৰৰ এখন মটৰচাইকেল, এটা চিৰিঞ্জ আৰু এটা ম'বাইল ফোন জব্দ কৰে পাছত তিনিওকে আদালততে জেললৈ প্ৰেৰণ কৰে।

## গেছ চিলিণ্ডাৰৰ মূল্যবৃদ্ধি প্ৰত্যাহাৰৰ দাবীত এছ ইউ চি আইৰ প্ৰতিবাদ

**অগ্ৰদূত বাৰ্তা**

**লখিমপুৰ, ১৪ মে' ঃ** গেছ চিলিণ্ডাৰৰ অস্বাভাৱিক মূল্যবৃদ্ধি প্ৰত্যাহাৰৰ দাবীত এছ ইউ চি আই (কমিউনিষ্ট) দলে অসম ৰাজ্যিক কমিটীৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই আজি দিনৰ দুই বজাত লখিমপুৰ চিকিৎসা মহাবিদ্যালয়ৰ সমীপত বিক্ষোভ প্ৰদৰ্শন কৰে। প্ৰতিবাদকাৰীয়ে 'সঘনে চিলিণ্ডাৰৰ মূল্যবৃদ্ধি ঘটোৱাই সাধাৰণ লোকৰ ওপৰত আৰ্থিক বোজা নচলিব, মূল্যবৃদ্ধি কৰা নচলিব আদি শ্ল'গান দিয়ে। তদুপৰি প্ৰতিবাদথলীত কাছাৰৰ ডলু চাহ বাগিচাত উচ্ছেদ



অভিযানৰ বিৰুদ্ধেও শ্ল'গান দিয়ে। উক্ত কাৰ্যসূচীত ৰাজ্যিক কমিটীৰ সদস্য কমৰেড প্ৰজ্বোল দেৱে কয়, 'বৰ্তমান ব্যৱহৃত নিত্য প্ৰয়োজনীয় বস্তুৰ আকাশলংঘী মূল্যবৃদ্ধিত চৰকাৰে নিষ্ক্ৰিয় ভূমিকা পালন কৰি আছে আৰু কৰ্প'ৰেট গোষ্ঠীৰ মুনাফা সুনিশ্চিত কৰিবলৈ চৰকাৰে চিলিণ্ডাৰ, প্ৰেট্ৰ'ল, ডিজেল আদিৰ মূল্যবৃদ্ধি কৰি আছে।

## কবি-সাহিত্যিক-প্ৰয়াগ শইকীয়াক নগঞা শইকীয়া ভোটাই ডেকা সন্মান প্ৰদান



**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**

**নগাঁও/পুৰণিগুদাম, ১৪ মে' ঃ** নগাঁৱৰ বিশিষ্ট কবি-সাহিত্যিক, চিকিৎসক প্ৰয়াগ শইকীয়াক যোৱা নিশা প্ৰদান কৰা হয় 'নগঞা শইকীয়া ভোটাই ডেকা সন্মান'। আহোম ৰাজত্ব কালৰ এগৰাকী অসাধাৰণ বীৰ, যিগৰাকীয়ে অসম বুৰঞ্জীৰ এজন খলনায়ক হিচাপে বিবেচিত লালুকসোলা বৰফুকনক হত্যা কৰাই নহয় এখন সাধাৰণ তৰোৱালেৰে জনগণৰ মাজত সন্ত্ৰাসৰ সৃষ্টি কৰা এটা প্ৰকাণ্ড ভালুক হত্যা কৰি ৰাইজক দুঃচিন্তামুক্ত কৰিছিল সেইগৰাকী ভোটাই ডেকাৰ নামত উৎসগিত এই সন্মান ইতিপূৰ্বে সমাজৰ তিনিগৰাকী বৰেণ্য লোকক প্ৰদান কৰাৰ পাছত এইবেলি চতুৰ্থবাৰৰ বাবে বিশিষ্ট কবি প্ৰয়াগ শইকীয়াক প্ৰদান কৰা হয়। নগাঁও জিলাৰ বঢ়মপুৰ সমষ্টিৰ অন্তৰ্গত ভোটাইগাঁও 'গ্ৰাম্য বিকাশ যুৱ মঞ্চ'ৰ উদ্যোগত আঠ পৃষ্ঠাত চাওক

## সোণাৰিত গুণোৎসৱৰ মাজতে শিক্ষকৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**সোণাৰি, ১৪ মে' ঃ** বিগত দুটা বৰ্ষৰ অন্তত পুনৰ ৰাজ্য চৰকাৰে অনুষ্ঠিত কৰা বিদ্যালয়সমূহৰ গুণোৎসৱৰ প্ৰথম পৰ্যায়ৰ মূল্যায়ণ কাৰ্যসূচী চলি থকাৰ মাজতে আজি পুৱা চৰাইদেউ জিলাত এজন প্ৰধান শিক্ষকে হৃদক্ৰিয়া বন্ধ হৈ মৃত্যুক আঁকোৱালি লয়। প্ৰধান শিক্ষকজন হৈছে লাচিত বৰা। উল্লেখ্য যে আজি জিলাখনৰ সাপেখাতি শিক্ষা খণ্ডৰ অন্তৰ্গত তথা চৰাইদেউ জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ অধীনস্থ হাঁওফাঁও প্ৰাথমিক শিক্ষক কেন্দ্ৰৰ ৩৪৯ নম্বৰ চাওৰাংগবাম প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক বৰাই আজি পুৱা আঠ পৃষ্ঠাত চাওক

## যোৰাবাটত বৃহৎ পৰিমাণৰ গাঞ্জাসহ গ্ৰেপ্তাৰ এক

**অগ্ৰদূত বাৰ্তা**

**সোণাপুৰ, ১৪ মে' ঃ** অবৈধ ড্ৰাগছৰ বিৰুদ্ধে আৰক্ষীয়ে অভিযান অব্যাহত ৰখাৰ সময়তে আজি পুনৰ মহানগৰীৰ সমীপৱৰ্তী যোৰাবাটত আৰক্ষীয়ে পৰিমাণৰ গাঞ্জাসহ এজন লোকক গ্ৰেপ্তাৰ কৰে। সৰবৰাহকাৰীয়ে চুবুৰীয়া ৰাজ্য মণিপুৰৰ পৰা কাছাৰ হৈ তামিলনাডুলৈ বুলি টিএন-৩৯ বিটি-১৭১১ নম্বৰৰ এখন ট্ৰাকত ৪০ টা পেকেটত গাঞ্জা কৌশলেৰে লুকুৱাই অনাৰ তথ্য আৰক্ষীয়ে লাভ কৰে। বিশেষ সূত্ৰে লাভ কৰা এই তথ্যৰ ভিত্তিত যুটীয়া আৰক্ষী আয়ুক্ত পাৰ্থ সাৰথি মহন্তৰ নেতৃত্বত



যোৰাবাট আৰক্ষীয়ে ৰাষ্ট্ৰীয় পথত আজি পুৱতি নিশা অভিযান চলাই ট্ৰাকসহ গাঞ্জাখিনি জব্দ কৰা হয়। আৰক্ষীয়ে সদৰী কৰা মতে, জব্দকৃত গাঞ্জাখিনিৰ ওজন ৮০০ কিলোগ্ৰাম আৰু ইয়াৰ বজাৰ মূল্য দুই কোটি টকা। ইতিমধ্যে আৰক্ষীয়ে ট্ৰাকখনৰ চালক তামিলনাডুৰ আনবনাগন (৩৯)ক গ্ৰেপ্তাৰ কৰি ঘটনাৰ অনুসন্ধান অব্যাহত ৰাখিছে।

## পথ সম্প্ৰসাৰণত স্থানীয় লোকৰ স্বাৰ্থ সুৰক্ষিত কৰাৰ দাবী শিৱসাগৰ আছুৰ

**বিশেষ সংবাদদাতা**

**শিৱসাগৰ, ১৪ মে' ঃ** অসম চৰকাৰে গ্ৰহণ কৰা অসম মালা প্ৰকল্পৰ অধীনত শিৱসাগৰ ষ্টেচন চাৰিআলিৰ পৰা চুমণিলৈ অৱস্থিত পথ সম্প্ৰসাৰণৰ বাবে ইতিমধ্যে বিভাগটোৱে ব্যৱস্থা গ্ৰহণৰ কাৰ্য ইতিমধ্যে আৰম্ভ হৈছে। এই প্ৰকল্প ৰূপায়ণৰ বাবে পাৰস্পৰিক বুজাবুজিৰ জৰিয়তে প্ৰত্যক্ষ ক্ৰয়ৰ যোগেদি ভূমি অধিগ্ৰহণ কৰিবৰ বাবে শিৱসাগৰ জিলাৰ উপায়ুক্ত কাৰ্যালয়ৰ আদেশ নম্বৰ এছভিএল এ ৬/ ২০২১/অসম মালা/১০৫ দিনাংক ১৬ এপ্ৰিল ২০২২ যোগে শিৱসাগৰ জিলা উপায়ুক্ত তথা সভাপতি জিলা পৰ্যায়ৰ ভূমি ক্ৰয় সমিতি, শিৱসাগৰ তৰফৰ পৰা জাননী জাৰি কৰিছে। এই প্ৰক্ৰিয়াৰে ভূমি অধিগ্ৰহণ কৰিলে শিৱসাগৰ চহৰৰ অন্যতম ব্যৱসায়িক প্ৰাণকেন্দ্ৰ স্বৰূপ ষ্টেচন চাৰিআলি আৰু ইয়াৰ সমীপৰ বহু অংশত থকা ৰাইজৰ আৱাসস্থল আৰু অৰ্ধশতাধিক ব্যৱসায়িক প্ৰতিষ্ঠান অস্তিত্ব শূন্য হৈ পৰাৰ সম্ভাৱনা প্ৰকট হৈ পৰিছে। ফলত বহুলোকে গৃহহাৰা হৈ পৰাৰ লগতে বহুলোকৰ জীৱিকা উপাৰ্জনৰ সমল ব্যৱসায় বন্ধ হৈ পৰা আশংকাই জনসাধাৰণক শংকিত কৰিছে। এই সন্দৰ্ভত শিৱসাগৰ আঞ্চলিক ছাত্ৰ সন্থাই তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰাৰ লগতে জনসাধাৰণৰ গৃহহাৰা হ'ব লগা অৱস্থাৰ আঠ পৃষ্ঠাত চাওক

## জে বি কলেজত জ্যোতিৰ্বিদ্যাৰ তথ্য বিশ্লেষণ সম্পৰ্কীয় ৰাষ্ট্ৰীয় পৰ্যায়ৰ তিনিদিনীয়া কৰ্মশালা সম্পন্ন



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**যোৰহাট, ১৪ মে' ঃ** জগন্নাথ বৰুৱা মহাবিদ্যালয়ত পদাৰ্থ বিজ্ঞান বিভাগৰ উদ্যোগত আৰু তেজপুৰ বিশ্ববিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ সহযোগত পুনেত অৱস্থিত আন্তঃবিশ্ববিদ্যালয় জ্যোতিপদাৰ্থ বিজ্ঞান আৰু জ্যোতিৰ্বিদ্যা কেন্দ্ৰৰ দ্বাৰা প্ৰযোজিত জ্যোতিৰ্বিদ্যাৰ তথ্য বিশ্লেষণ সম্পৰ্কীয় তিনিদিনীয়া কৰ্মশালাখন সম্পন্ন হয়। যোৱা ১২ মে'ত পুৱা ১০ আঠ পৃষ্ঠাত চাওক

## ডলু চাহ বাগিচাত উচ্ছেদৰ প্ৰতিবাদত উত্তাল ৰাজ্য

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১৪ মে' ঃ** কাছাৰ জিলাৰ ডলু চাহ বাগিচাত চলোৱা উচ্ছেদ অভিযানৰ বিৰুদ্ধে আজি ৰাজ্যজুৰি প্ৰতিবাদ সাব্যস্ত কৰে চাহ জনগোষ্ঠীয় সংগঠনসমূহে। শ্ৰমিকক ভাতে মাৰিবলৈ প্ৰচেষ্টা চলোৱা বুলি অভিযোগ তুলি আজি আদিবাসী ছাত্ৰ সন্থা, চাহ মজদুৰ সংঘ, জাতীয় মহাসভাকে ধৰি বিভিন্ন সংগঠনে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰি চৰকাৰৰ বিৰুদ্ধে সৰৱ পৰে। তদুপৰি ক্ষুব্ধ সংগঠনসমূহে বিভিন্ন শ্ল'গানৰে পৰিৱেশ উত্তাল কৰি তোলাৰ লগতে শ্ৰম মন্ত্ৰী সঞ্জয় কিষানৰ পুত্তালিকা দাহ কৰে। আঠ পৃষ্ঠাত চাওক

## তিতাবৰত ৫০খন বিদ্যালয়ত এজনীয়া শিক্ষক

## শিক্ষকবিহীন বিদ্যালয়ত চলিছে গুণোৎসৱৰ প্ৰস্তুতি

**তিতাবৰ, ১৪ মে' ঃ** গুণোৎসৱৰ জৰিয়তে শিক্ষানুষ্ঠান এখনৰ বাহ্যিক আৰু আভ্যন্তৰীণ পাৰিপাৰ্শ্বিক অৱস্থা, মধ্যাহ্ন ভোজনৰ পৰিৱেশন শৈলী, শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীসকলৰ পুথিগত আৰু বাহ্যিক অধ্যয়নৰ চমৎকাৰিতাৰ লগতে আচৰণবিধি আৰু শিষ্টাচাৰকে ধৰি বিভিন্ন বিষয় সাঙুৰি শিক্ষানুষ্ঠান এখনৰ গুণগত মাপকাঠিক গ্ৰেড প্ৰদান কৰি মূল্যাংকন কৰে। বাস্তৱিক অৰ্থত ওপৰে ওপৰে লক্ষ্য কৰিলে গুণোৎসৱৰ জৰিয়তে ৰাজহুৱা খণ্ডৰ শিক্ষানুষ্ঠান আৰু সেই সমূহত অধ্যয়ন কৰি থকা ছাত্ৰ-ছাত্ৰীসকলে ব্যক্তিগত মাধ্যমত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলৰ লগত সমানে ফেৰ মাৰিব বুলি চৰকাৰীভাৱে ব্যাপক প্ৰচাৰ চলাই একপ্ৰকাৰ উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি কৰি অহা পৰিলক্ষিত হৈ আহিছে। কিন্তু বাস্তৱিক অৰ্থত ইয়াৰ জৰিয়তে ৰাজহুৱা শিক্ষাখণ্ডলৈ যে ব্যাপক পৰিৱৰ্তনৰ ধুমুহা অহা নাই সেইকথা গ্ৰামাঞ্চলৰ শিক্ষানুষ্ঠান সমূহত ভূমুকি আঠ পৃষ্ঠাত চাওক





দেওবৰীয়া দৈনিক
অগ্ৰদূত
গুৱাহাটী, দেওবাৰ ৩১ ব'হাগ ১৪২৯ ভাস্কৰাব্দ ১৫ মে' ২০২২



## গুগলত অসমীয়া

অসমীয়া ভাষাৰ স্বকীয় পৰিচয় তথা বৈশিষ্ট্য, স্বমহিমাৰে সমৃদ্ধ ইয়াৰ প্ৰাচীনত্ব পুনৰ প্ৰতিপন্ন হ'ল। সম্প্ৰতি গুগল অনুবাদ (গুগল ট্ৰেন্সলেট)ত ভাৰতৰ আঠটা ভাষাৰ লগতে অসমীয়া ভাষাও অন্তৰ্ভুক্ত হ'ল। ভাৰতৰ যি আঠটা ভাষাক গুগল অনুবাদত অন্তৰ্ভুক্ত কৰা হৈছে, সেইকেইটা হ'ল— অসমীয়া, মেইটেইলন (মণিপুৰী), মিজো, মৈথিলী, কোংকনি, ভোজপুৰী, সংস্কৃত আৰু ডোগ্ৰী। উল্লেখ্য যে উত্তৰ-পূবৰ তিনিটা ভাষাক (অসমীয়া, মেইটেই, মিজো) গুগলে ইয়াৰ অনুবাদৰ ডিজিটেল প্লেটফৰ্মত স্থান দিয়াটো তাৎপৰ্যপূৰ্ণ। গুগলৰ মতে উত্তৰ-পূবৰ ভাষাই আনৰ তুলনাত কম প্ৰচাৰ লাভ কৰিছে আৰু সেই দিশৰ প্ৰতি গুৰুত্ব প্ৰদান কৰি ভাৰতৰ এই অঞ্চলৰ তিনিটা ভাষাক গুগল অনুবাদৰ অন্তৰ্ভুক্ত কৰা হ'ল। উল্লেখ্য যে ভাৰতত সহস্ৰাধিক ভাষা কোৱা বা ব্যৱহাৰ কৰা লোক আছে আৰু উত্তৰ-পূবতেই কে'বাশ ভাষাৰ প্ৰচলন হৈ আছে। অসমীয়াৰ লগতে মেইটেইলন বা মণিপুৰী আৰু মিজো ভাষাক গুগলে নিৰ্বাচন কৰাটো গুৰুত্বপূৰ্ণ। গুগলে উল্লেখ কৰা মতে অসমীয়া ভাষা কোৱা বা ব্যৱহাৰ কৰা লোকৰ সংখ্যা দুই কোটি ৫০ লাখ, মেইটেইলনভাষী আছে ২০ লাখ আৰু মিজোভাষী লোক আছে প্ৰায় আঠ লাখ ৩০ হেজাৰ। আনহাতে, ভোজপুৰী ভাষা কোৱা আৰু ব্যৱহাৰ কৰা লোকৰ সংখ্যা পাঁচ কোটি বুলি উল্লেখ কৰা হৈছে। আশ্চৰ্যকৰ কথা যে পাঁচ কোটি ভোজপুৰীভাষী লোক থকা সত্ত্বেও কেন্দ্ৰীয় চৰকাৰে ভোজপুৰী ভাষাক অষ্টম অনুসূচীৰ অন্তৰ্ভুক্ত কৰা নাই। বিহাৰ, উত্তৰাখণ্ড আদি ৰাজ্যসমূহৰ ৰাইজে ভোজপুৰী ভাষাক সংবিধানৰ অষ্টম অনুসূচীত অন্তৰ্ভুক্তিৰ বাবে বহু বছৰ ধৰি দাবী কৰি অহা সত্ত্বেও কেন্দ্ৰই এতিয়ালৈকে এই দাবী মানি লোৱা নাই। হিন্দী ভাষা তথা হিন্দী ভাষীৰ প্ৰভাৱৰ বাবেই ভোজপুৰী ভাষা এইদৰে অৱহেলিত হৈ আহিছে বুলি অভিযোগ উত্থাপিত হৈ আহিছে; কিন্তু কেন্দ্ৰই ভোজপুৰী ভাষীসকলৰ দাবী মানি লোৱা নাই যদিও গুগলে ইয়াক সন্মানজনক স্থান দি গুগল অনুবাদত অন্তৰ্ভুক্ত কৰিলে। অসমীয়া ভাষা সকলো দিশতেই সমৃদ্ধ আৰু এই ভাষাৰ প্ৰাচীন লিপিও উদ্ধাৰ হৈছে, সংৰক্ষিত হৈ আছে; কিন্তু অসমে প্ৰয়োজনীয় সকলো প্ৰমাণ, নথি আদি দাখিল কৰা সত্ত্বেও আজিও কেন্দ্ৰীয় চৰকাৰে অসমীয়া লিপিক ইউনিক'ডত অন্তৰ্ভুক্ত কৰা নাই আৰু অসমীয়া লিপিৰ স্বতন্ত্ৰ অস্তিত্বক স্বীকৃতি প্ৰদান কৰা নাই। ইয়াৰ ফলত অসমীয়া লিপিয়ে আজিও আন্তঃৰাষ্ট্ৰীয় স্বীকৃতি লাভ কৰা নাই। অসমীয়াৰ এনে অৱস্থাৰ মাজতে গুগলে অসমীয়া ভাষা তথা লিপিৰ স্বতন্ত্ৰ অস্তিত্বক স্বীকৃতি প্ৰদান কৰিলে বুলি ক'ব পাৰি। গুগল অনুবাদত অসমীয়া ভাষাক অন্তৰ্ভুক্ত কৰাৰ ফলত এতিয়া ইংৰাজী নাইবা গুগল অনুবাদত অন্তৰ্ভুক্ত বিশ্বৰ যিকোনো ভাষালৈ অসমীয়া ভাষাৰ সৃষ্টিসমূহ তৰ্জমা কৰি উলিয়াব পৰা যাব। সেইদৰে অসমীয়া ভাষালৈও আনবোৰ ভাষাৰ সৃষ্টিসমূহ অনুবাদ সহজ হৈ পৰিব। সাধাৰণতে কোনো অনুবাদকৰ প্ৰচেষ্টাৰ ফল হিচাপে আন ভাষাৰ সৃষ্টি বা গ্ৰন্থসমূহ অসমীয়াত পঢ়িবলৈ পোৱা গৈছিল। এতিয়া অসমীয়া গুগল অনুবাদত অন্তৰ্ভুক্ত হোৱাৰ ফলত অসমীয়ালৈ যিকোনো ভাষা-সাহিত্যৰ মহৎ বা মূল্যৱান সৃষ্টিৰ অনুবাদৰ ক্ষেত্ৰত অনুবাদকসকলৰ কষ্ট বহুলাংশে লাঘৱ হ'ব। প্ৰকৃততে ক'বলৈ গ'লে অনুবাদ যন্ত্ৰ বা কম্পিউটাৰেই আন ভাষাৰ পৰা অসমীয়ালৈ আৰু অসমীয়াৰ পৰা আন ভাষালৈ ৰচনাসমূহ বা সৃষ্টিসমূহ বা পাঠ (টেক্স্‌ট) সমূহ ক্ষন্তেকতে অনুবাদ কৰি দিব। ইয়াৰ ফলত শ্ৰীমন্ত শংকৰদেৱ-মাধৱদেৱৰ ৰচনা (টে'ক্স্‌ট)সমূহ, সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ লেখা নাইবা ড° ভবেন্দ্ৰ নাথ শইকীয়া, সৌৰভ কুমাৰ চলিহাৰ গল্প-উপন্যাসসমূহ আন ভাষা-ভাষীৰ লোকে নিজৰ নিজৰ ভাষাত অধ্যয়ন কৰা, গৱেষণা কৰা আদি সহজ হ'ব।

অসমৰ ছাত্ৰ-ছাত্ৰী গৱেষকসকলৰ বাবেও অসমীয়া ভাষা গুগল অনুবাদত অন্তৰ্ভুক্ত হোৱাত অন্য ভাষাৰ গৱেষণাপত্ৰ, ৰচনাসমূহ অসমীয়াতে পঢ়াৰ সুযোগ পাব। ইংৰাজী আদি ভাষাৰ জটিল পাঠ নাইবা জাৰ্মান, ফৰাচী আদি ভাষাৰ পাঠ বা উদ্ধৃতি পঢ়া আৰু বুজাত পঢুৱৈ-গৱেষকসকলৰ সহায়ক হ'ব। গুগলৰ ডিজিটেল প্লেটফৰ্মত অসমীয়া উপলব্ধ হোৱাত ভাষাটোৰ প্ৰসাৰ আৰু জনপ্ৰিয়তা বাঢ়িব বুলি আশা কৰিব পাৰি। অসমীয়া ভাষা-সাহিত্য যিহেতু অতি সমৃদ্ধিশালী, সেয়ে এই ভাষা গুগল অনুবাদত অন্তৰ্ভুক্ত হোৱাত অসমীয়া ভাষাৰ সৃষ্টিসমূহ বিশ্বৰ চুকে-কোণে থকা যিকোনো লোকে এই সৃষ্টিসমূহৰ বিষয়ে, অসমীয়াৰ সমাজ-সংস্কৃতি-ইতিহাস-ঐতিহ্যৰ বিষয়ে বিস্তৃত জ্ঞান লাভ কৰিব পাৰিব।

অৱশ্যে গুগলৰ বিষয়া তথা ছফ্‌টৱেৰ অভিযন্তাৰ মতে গুগল অনুবাদ জিৰ'শ্বট মেচিন ট্ৰেন্সলেছন হোৱাৰ বাবে ই মনোগ্ৰাহী হ'লেও সম্পূৰ্ণ নিখুঁত নহয়। তেওঁৰ মতে ভাষাসমূহ জিৰ'শ্বট মেচিন ট্ৰেন্সলেছনৰ সহায়ত অন্তৰ্ভুক্ত কৰা হৈছে। অৰ্থাৎ আমি গুগল অনুবাদত অন্তৰ্ভুক্ত হোৱা ভাষাবোৰৰ যি অনুবাদ পাম, সেই অনুবাদকজন জিৰ'শ্বট মেচিন বা কম্পিউটাৰ। এটা যন্ত্ৰই কৰা অনুবাদ এজন মানুহে কৰা অনুবাদৰ দৰে নহ'বও পাৰে। শব্দসমূহৰ অনুবাদ নিৰ্ভুল হ'ব পাৰে; কিন্তু সুন্দৰ নহ'বও পাৰে। বিশেষকৈ কবিতা বা আন মৌলিক, সৃজনশীল পাঠৰ অনুবাদ কৰ্মক বহুতে সৃষ্টিশীল অনুবাদ হিচাপে বা 'ট্ৰেন্সক্ৰিয়েছন' হিচাপে গণ্য কৰে। যন্ত্ৰই এই কাম কৰাটো হ'ব অতি কঠিন বা প্ৰায় অসম্ভৱ। যন্ত্ৰই ট্ৰেন্সক্ৰিয়েছন নকৰিব পাৰে; কিন্তু যাক যি প্ৰয়োজন, সেই তৰ্জমা ই কৰিবলৈ সক্ষম। গুগল অনুবাদত অন্তৰ্ভুক্ত হোৱাত ছাত্ৰ-ছাত্ৰী-গৱেষক, পাঠকৰ পৰা ব্যৱসায়-বাণিজ্য, প্ৰশাসন, আইনৰ কামত জড়িতসকললৈকে সকলোৱেই উপকৃত হ'ব বুলি আশা কৰা হৈছে। যিসকল অনা-অসমীয়া লোকে অসমীয়া ভাষা শিকিব বিচাৰে, অসমীয়া ব্যৱহাৰ কৰিব, শুদ্ধকৈ ক'ব বিচাৰে, তেওঁলোককো গুগল অনুবাদে সহায় কৰিব। সেইদৰে অসমীয়া ছাত্ৰ-ছাত্ৰী-গৱেষকসকলকো আন ভাষা শিকাৰ ক্ষেত্ৰত আৰু আন ভাষাৰ পাঠ অধ্যয়নৰ ক্ষেত্ৰত ই সহায় কৰিব। অৱশ্যে গুগল কৰ্তৃপক্ষই সদৰী কৰা অনুসৰি কণ্ঠস্বৰ বা মৌখিক শব্দৰ অনূদিত পাঠ অসমীয়াত এতিয়াই উপলব্ধ নহ'ব; কিন্তু সোনকালেই এই সুবিধাও উপলব্ধ হ'ব।

গুগল অনুবাদত অসমীয়াৰ অন্তৰ্ভুক্তিৰ বাবে অৱশ্যে অসমৰ বহু উচ্চ শিক্ষিত যুৱক-যুৱতী, প্ৰৱাসী অসমীয়া, অসম সাহিত্য সভাকে প্ৰমুখ্য কৰি বহুতৰ ভূমিকা, অৰিহণা গুৰুত্বপূৰ্ণ। তেওঁলোকে গুগলৰ অভিযন্তাসকলক পাঁচ লাখ ৫০ হেজাৰ অসমীয়া শব্দৰ অৰিহণা যোগোৱা আৰু সাহিত্য সভাৰ আহ্বানৰ প্ৰতি তেওঁলোকৰ ইতিবাচক সঁহাৰি গুৰুত্বপূৰ্ণ। গুগল অনুবাদত অন্তৰ্ভুক্তিয়ে অসমীয়া ভাষাৰ স্বতন্ত্ৰ পৰিচয়, ইয়াৰ মহিমা, বৈশিষ্ট্য আৰু ইয়াৰ প্ৰাচীনত্বই স্বীকৃতি লাভ কৰিলে বুলি ক'ব পাৰি। গুগলত অসমীয়াৰ অন্তৰ্ভুক্তিয়ে অসমীয়া ভাষা-সাহিত্য-সংস্কৃতি-সভ্যতাৰ চৰ্চা, গৱেষণা তথা অধ্যয়নত নিশ্চয় সকলোকে সহায় কৰিব।

# অন্ধকাৰত মৃত্যু হয় গণতন্ত্ৰৰ

## আমাৰ দেশৰ গণতন্ত্ৰ আৰম্ভণিৰ পৰাই কেৱল ক্ষমতামুখী নহয়, ক্ষমতাসৰ্বস্বও



### আত্মজিজ্ঞাসা

কানাডাৰ পৰা **মুস্তাফিজুৰ ৰহমান**

ভাৰতীয় মিডিয়াৰ স্বাধীনতাৰ কথা এসময়ত খুব শুনিবলৈ পোৱা গৈছিল। কোৱা হৈছিল সত্য প্ৰকাশ, অনুসন্ধানী সাংবাদিকতা, ঘোচ দুৰ্নীতি আৰু পেশীশক্তিৰ বিৰুদ্ধে ভাৰতীয় মিডিয়াৰ আছে এক শক্তিশালী ভূমিকা; কিন্তু গ্ল'বেল মিডিয়াৰ ৱাচ্চডগ 'ৰিপ'ৰ্টাৰ্ছ উইদাউট বৰ্ডাৰ্ছ'-এ সম্প্ৰতি ভাৰতীয় মিডিয়াৰ মুখা উন্মোচন কৰি দিছে। ৰিপ'ৰ্টাৰ্ছ উইদাউট বৰ্ডাৰ্ছ-এ তিনি মে'ত বিশ্ব মুক্ত গণমাধ্যম দিৱস উপলক্ষে সংবাদ মাধ্যমৰ স্বাধীনতাৰ যি আন্তৰ্জাতিক ৰেংকিং প্ৰকাশ কৰিছে, তাত ভাৰতৰ স্থান যোৱা বছৰতকৈ আঠ ঢাপ তললৈ নামি গৈছে। 'ৱৰ্ল্ড প্ৰেছ ফ্ৰিডম ইনডেক্স'ৰ মতে বিশ্বৰ ১৮০ খন দেশৰ মাজত ভাৰতৰ স্থান ১৫০। যোৱা বছৰ আছিল ১৪২। মিডিয়াৰ স্বাধীনতাৰ ক্ষেত্ৰত পৰিস্থিতিৰ অৱনতি ইমানেই ঘটিছে যে ভাৰতৰ মূলধাৰাৰ মিডিয়াবোৰ চৰকাৰৰ চাটুকাৰত পৰিণত হৈছে।

দেশত এপিনে যেনেকৈ সাংবাদিকৰ কামৰ নিৰাপত্তা কমিছে, তেনেকৈ মাৰাত্মকভাৱে আক্ৰান্ত হৈছে সংবাদ মাধ্যমৰ স্বাধীনতা। বিভিন্ন আইন প্ৰয়োগ কৰি সাংবাদিকক কেৱল ভয়েই দেখুওৱা হোৱা নাই, তেওঁলোকৰ জীৱনো বহু সময়ত ভাবুকিৰ মুখত পৰিছে। 'টাইম' মেগাজিন আৰু 'নিউয়ৰ্ক' টাইমছ'ৰ কলম লেখক ৰানা আয়ুব নিৰ্যাতনৰ চিকাৰ হৈছে। উত্তৰ প্ৰদেশৰ গাজিয়াবাদত এক মুছলিম বৃদ্ধৰ নিৰ্যাতন ভাইৰেল হোৱা ভিডিঅ' টুইটাৰত শ্বেয়াৰ কৰাৰ অভিযোগত ৰানা আয়ুবৰ বিৰুদ্ধে পুলিচে গোচৰ তৰিছে। ৰানা আয়ুবে কৈছে, পুলিচে যিদিনা গোচৰ তৰিছে, ঠিক সিদিনাই কেন্দ্ৰীয় চৰকাৰৰ তিনিটা এজেন্সীয়ে মোক আৰু মোৰ পৰিয়ালৰ সদস্যবোৰক চমন পঠিয়াই জানিব বিচাৰিছে যে কোনে আমাক টকা-পইচা দিয়ে। মই কিয় বিদেশী পত্ৰিকাৰ বাবে লিখো? নৰেন্দ্ৰ মোদীক কলংকিত কৰাৰ এজেণ্ডাত মই যুক্ত হয় নে নহয় ইত্যাদি।

যোৱা এবছৰৰ ভিতৰত লখিমপুৰ খেৰিত সাংবাদিক ৰমন কাশ্যপক গাড়ীৰে মহটিয়াই নিছে। বিহাৰত পুৰি মৰা হৈছে সৰু এখন চহৰৰ সাংবাদিক অবিনাশ ঝাক। লিকাৰ মাফিয়াৰ বিৰুদ্ধে লেখালেখি কৰি প্ৰাণ হেৰুৱাইছে সুলভ শ্ৰীবাস্তৱে। কাশ্মীৰত ২০১৮ৰ পৰা জেলত আছে সাংবাদিক আছিফ চুলতান। উত্তৰ প্ৰদেশৰ হাথৰছৰ গণধৰ্ষণৰ ঘটনা ক'ভাৰ কৰিবলৈ গৈ ২০২০ৰ পৰা জেলত আছে কেৰালাৰ সাংবাদিক ছিদ্দিক কাপ্পান।

২০১৪ত নৰেন্দ্ৰ মোদী ক্ষমতালৈ অহাৰ আগতে দেশৰ প্ৰধানমন্ত্ৰী বছৰত এবাৰ হ'লেও সংবাদ সন্মিলনত সাংবাদিকৰ মুখামুখি হৈছিল। বিদেশ ভ্ৰমণৰ সময়তো সাংবাদিকে প্ৰধানমন্ত্ৰীৰ স'তে মুকলিভাৱে মত-বিনিময়ৰ সুযোগ পাইছিল। সেই পৰম্পৰা এতিয়া উঠি গৈছে। যোৱা আঠ বছৰত মোদীয়ে এবাৰো সাংবাদিকৰ মুখামুখি হোৱা নাই। চৰকাৰে বিচাৰে চৰকাৰৰ হেণ্ডআউট বা বিবৃতিয়েই যেন হয় খবৰৰ একমাত্ৰ উৎস। ইয়াৰ ওচৰা-উচৰি ছ'চিয়েল মিডিয়াক ব্যৱহাৰ কৰিও চৰকাৰে বছা বছা সাংবাদিকৰ ওপৰত আক্ৰমণ চলাইছে।

১৯৭৫ত ইন্দিৰা গান্ধীয়ে জাৰি কৰা ইমাৰ্জেন্সিৰ সময়তো মিডিয়াৰ এটা অংশই গণতান্ত্ৰিক মূল্যবোধ বুলিলে যি বুজায়, সেই নাগৰিক অধিকাৰ, মৌলিক অধিকাৰৰ পক্ষে থিয় দিছিল। বৰ্তমান অৱস্থা এনে হৈছে যে কোনো সংবাদপত্ৰ বা চেনেল চৰকাৰৰ বিৰুদ্ধে খবৰ প্ৰচাৰ বা প্ৰকাশ কৰিলেই চৰকাৰৰ চকুৰ কুটা হৈ যায়। যোৱা আঠ বছৰ ধৰি যি পৰিৱৰ্তন হৈছে, সেয়া হ'ল সামগ্ৰিকভাৱে চৰকাৰে সকলো মিডিয়াকেই পূৰ্ণ নিয়ন্ত্ৰণৰ এক সৰ্বাত্মক চেষ্টা চলাই গৈছে। আৰু চৰকাৰৰ এই চাপৰ কাষত প্ৰায় সকলো মিডিয়াই সম্পূৰ্ণ আত্মসমৰ্পণ কৰিছে।

**দুই**

আমাৰ দেশৰ গণতন্ত্ৰ আৰম্ভণিৰ পৰাই কেৱল ক্ষমতামুখী নহয়, ক্ষমতাসৰ্বস্বও। যিকোনো মূল্যৰে ক্ষমতাৰ যাব লাগিব আৰু যি কিছুৰ বিনিময়ত ক্ষমতাত থাকিব লাগিব— এই ক্ষমতাকেন্দ্ৰিক চক্ৰৰ পৰা আমাৰ গণতন্ত্ৰ ওলাই আহিব পৰা নাই। দেশৰ ৰাজনীতিও সীমাহীন ক্ষমতাৰ প্ৰতীক। দুখৰ কথা এয়াই যে ক্ষমতাৰ ভঁৰাল থাকে কিছু মানুহৰ হাতত। বাকী সকলো কেৱল ক্ষমতা চৰ্চাৰ নীৰৱ দৰ্শক। সিহঁতৰ বসবাস অন্ধকাৰত। বেছিভাগ মানুহক 'অন্ধকাৰ'ত ৰাখিব পাৰিলেই ক্ষমতা চৰ্চাৰ পথ হয় সুগম। অন্ধকাৰ মানে তথ্যহীনতা। অন্ধকাৰ মানে অধিকাৰহীনতা। অন্ধকাৰ মানে প্ৰশ্নহীন সমাজ। এনে এক মানি লোৱা সমাজ সৃষ্টি কৰিব পাৰিলে নিৰংকুশ ক্ষমতাৰ পথ হয় প্ৰশস্ত। জনগণৰ সন্মুখলৈ নামি আহে অন্ধকাৰ।

'তথ্যৰ অসমানতা' তত্ত্বত অৰ্থনীতিবিদ জোছেফ ষ্টিগলিৎজে কৈছে ঃ 'যিসকলে শাসন কৰে আৰু যাক শাসন কৰা হয়— এই দুয়োৰে মাজত তথ্যৰ যি অসমানতা থাকে, সেয়াই প্ৰশাসকৰ হাতত তুলি দিয়ে বিশাল ক্ষমতা।'

শ্বেক্সপীয়েৰে কৈছিল— 'ক্ষমতা এবাৰ সীমাহীন হ'লে একোৱেই ঠিকমতে নচলে।' ইয়াৰ নামেই অন্ধকাৰ। এই অন্ধকাৰত ক্ষমতা শক্তিশালী হয়; কিন্তু গণতন্ত্ৰৰ মৃত্যু হয়।

**তিনি**

মানৱ জীৱন সহজ-সৰল স্বাভাৱিক আৰু আনন্দময় কৰি তুলিবলৈ হ'লে মানুহৰ ব্যক্তিগত স্বাচ্ছন্দ্যৰ ক্ষেত্ৰত আৰু বৈশ্বিক পৰ্যায়ত সমষ্টিগত জীৱনৰ বহুমাত্ৰিক ক্ষেত্ৰত ব্ৰিটিছ দাৰ্শনিক বাৰ্ট্ৰাণ্ড ৰাছেলৰ মতে প্ৰয়োজন দুই ধৰণৰ প্ৰীতিকৰ সমন্বয় অথবা সুষমতা। If a man's life is to be satisfactory, whether from his own point of view or from that of world at large, it requires two kinds of harmony. আভ্যন্তৰীণ ক্ষেত্ৰত প্ৰয়োজন বুদ্ধি-আৱেগ আৰু ইচ্ছাৰ সুষমতা আৰু বাহ্যিক ক্ষেত্ৰত আনৰ আকাংক্ষা আৰু ইচ্ছাৰ সুষমতা।

বিশ্বত আজি ইছলাম ফ'বিয়া আৰু মুছলিম বিদ্বেষ বিয়পিছে। পাশ্চাত্য বুদ্ধিজীৱী ৰিচাৰ্ড কোহেনে প্ৰবল ঘৃণাৰ চকুৰে চাইছিল ইছলামক। তেওঁৰ মতে পৃথিৱীত দুটা ধাৰা। এটা সভ্যতাৰ আনটো বৰ্বৰতাৰ। প্ৰথমটো পশ্চিমীয়া, দ্বিতীয়টো ইছলামী। প্ৰথমটোৱে আনিছে জ্ঞান-বিজ্ঞান আৰু মানুহৰ মুক্তি। দ্বিতীয়টোৱে সকলো কল্যাণক দেখুৱাইছে ৰক্তচকু। গাৰ্ট্ৰুড বেলেও কোনো লুক-ঢাক নৰখাকৈ মুছলিম সভ্যতাক বৰ্বৰ হিচাপে অভিহিত কৰিছে, কাৰণ শতাব্দীৰ পাছত শতাব্দী ধৰি সিহঁতে কোনো জ্ঞান বহন কৰি অনা নাই।

সঁচাকৈয়ে জানো মুছলমানে কোনো জ্ঞান বহন কৰি অনা নাই? সঁচাকৈয়ে জানো মুছলমানে কল্যাণক দেখুৱাইছে ৰক্তচকু? ইছলাম আৰু ইছলামী সভ্যতা প্ৰসংগত কালি ফিওৰিনাৰ ভাষ্য ঃ সেয়া আছিল পৃথিৱীৰ সবাতোকৈ বৃহৎ আৰু মহান সভ্যতা। এই সভ্যতাই সফল হৈছিল এক আন্তঃমহাদেশীয় ৰাষ্ট্ৰাতীত ৰাষ্ট্ৰ বা ছুপাৰ ষ্টেট প্ৰতিষ্ঠাত। এই দেশৰ বিস্তাৰ আছিল এক মহাসাগৰৰ পৰা আৰু এক মহাসাগৰৰ তটদেশ পৰ্যন্ত।

**আমাৰ দেশৰ গণতন্ত্ৰ আৰম্ভণিৰ পৰাই কেৱল ক্ষমতামুখী নহয়, ক্ষমতাসৰ্বস্ব। যিকোনো মূল্যৰে ক্ষমতাত যাব লাগিব আৰু যি কিছুৰ বিনিময়ত ক্ষমতাত থাকিব লাগিব— এই ক্ষমতাকেন্দ্ৰিক চক্ৰৰ পৰা আমাৰ গণতন্ত্ৰ ওলাই আহিব পৰা নাই। দেশৰ ৰাজনীতিও সীমাহীন ক্ষমতাৰ প্ৰতীক। দুখৰ কথা এয়াই যে ক্ষমতাৰ ভঁৰাল থাকে কিছু মানুহৰ হাতত। বাকী সকলো কেৱল ক্ষমতা চৰ্চাৰ নীৰৱ দৰ্শক**

'নেতৃত্ব যদি হয় প্ৰজ্ঞাময়, নেতৃত্ব যদি হয় সংস্কৃতি আৰু স্থায়িত্বৰ ধাৰক, নেতৃত্ব যদি হয় বৈচিত্ৰ্য আৰু সাহসৰ প্ৰতিভূ সেই নেতৃত্ব ইছলামৰ। এই ইছলামে সুদীৰ্ঘ আঠশ বছৰ পৃথিৱীক দিছে উদ্ভাৱনী নেতৃত্বত সমৃদ্ধ নেতৃত্ব। 'A history of the intellectual development of Europe' গ্ৰন্থত John William Draper-এ দেখুৱাইছে পশ্চিমৰ বুদ্ধি-বৃত্তিক নৱজীৱন লাভত ইছলামৰ ভূমিকা। তেওঁ লিখিছে ঃ ইউৰোপীয় সাহিত্যই পৰিকল্পিতভাৱে মুছলমানৰ প্ৰতি আমাৰ মনোযোগ আৰু দায়িত্বক এৰাই গৈছে। তাৰ নিন্দা নকৰি নোৱাৰি। সুনিশ্চিতভাৱে ক'ব পাৰি যে ইউৰোপৰ ওপৰত বুদ্ধি-বৃত্তিক ছাপ ৰাখি গৈছে আৰৱ সাহিত্যই।

'The Making of Humanity' গ্ৰন্থত ফৰাচী চিন্তাবিদ Robert Briffault-এ লিখিছে ঃ ইউৰোপ যেতিয়া অজ্ঞতাৰ অতল তলিত নিমজ্জিত মুছলিম বিশ্বৰ বিভিন্ন নগৰী— বাগদাদ, কাইৰো, কাৰ্ডোভা আৰু টলেডোৰ দৰে মেগাচিটী নাগৰিক সভ্যতা আৰু বুদ্ধি-বৃত্তিত কৰ্মচাঞ্চল্যৰ প্ৰাণকেন্দ্ৰ হিচাপে ক্ৰমেই সমৃদ্ধ হৈছিল আৰু সঞ্চাৰ হৈছিল নৱজীৱনৰ। আৰু সেই প্ৰেৰণাত মানৱ সভ্যতাৰ বিৱৰ্তনৰ নতুন স্তৰ সূচিত হৈছিল।

আধুনিক বিশ্বৰ বাবে আৰৱৰ সবাতোকৈ কালজয়ী অৱদানৰ নাম বিজ্ঞান। কেৱল বিজ্ঞানেই যে মৃত ইউৰোপক পুনৰুজ্জীৱিত কৰিছিল সেয়া নহয়, ইছলামী সভ্যতাৰ আৰু বহু প্ৰভাৱ ইউৰোপীয় জীৱনৰ আকাশক প্ৰথমবাৰৰ বাবে আলোকিত কৰিছিল। Edgar Swainৰ বিখ্যাত গ্ৰন্থ 'A History of World Civilization'-এ জনায় তাৰ পৰ্যবেক্ষণ। তেওঁ লিখিছে ঃ 'মুছলিম সভ্যতা আছিল সংমিশ্ৰিত সভ্যতা। সেয়া বিলীয়মান ভাৰতীয়, বাইজেন্টাইন, পাৰ্চী আৰু মিছৰীয় সভ্যতাৰ পৰা চিন্তা-ভাবনা আহৰণ কৰিছিল। পাশ্চাত্যৰ চিকিৎসা, গণিত, পদাৰ্থ বিজ্ঞান, ৰসায়ন আৰু শিল্পকলা ব্যাপকভাৱে আৰৱী জ্ঞানৰ ওপৰত আছিল নিৰ্ভৰশীল।'

চিন্তা আৰু বুদ্ধি-বৃত্তিৰ নতুন জোৱাৰ লৈ ইছলাম মানৱ মন আৰু ইউৰোপৰ নিয়তিক যি স্থানলৈ লৈ গ'ল, তাৰ পৰাই জন্ম হ'ল নতুন এক পৃথিৱীৰ। এইছ জি ৱেলছৰ মতে— 'মেধাৰ বিস্তাৰ আৰু বুদ্ধি-বৃত্তিৰ জাগৰণত মুছলিম সভ্যতা-সমকালীন আৰু পূৰ্বৱৰ্তী অন্যান্য সভ্যতাক পিছ পেলাইছিল— এনেকি এই ক্ষেত্ৰত পাশ্চাত্যৰ বহুল প্ৰশংসিত গ্ৰীক সভ্যতাও আৰৱসকলৰ তুল্য হ'ব পৰা নাছিল।'

ফৰাচী বহু বিদ্যাবিশাৰদ Gustave Lee Bon-এ তেওঁৰ 'The World Islamic Civilization' গ্ৰন্থত লিখিছে ঃ ইছলামৰ আৱিৰ্ভাৱৰ মাত্ৰ এটা শতাব্দীৰ ভিতৰত ইছলাম শাসিত সকলো অঞ্চলতেই বিস্ময়কৰ সমৃদ্ধি সাধিত হৈছিল। এই সৰ্বব্যাপী সমৃদ্ধিৰ কাৰণ আছিল ইছলামৰ অবিনাশী অম্লান মংগলময় আদৰ্শ। ইয়াৰ অন্তৰ্নিহিত বিশ্বাসৰ কুসুমৰাজি প্ৰাকৃতিক বিজ্ঞানৰ স্বাভাৱিকতাৰ স'তে সম্পূৰ্ণ একেই সূতাৰে গঁথা। এই বিশ্বাসৰ সাৰনিৰ্যাসে চৰিত্ৰক সুন্দৰভাৱে নিৰ্মাণ কৰে। কাম-কাজত মমতাৰ অনুভূতি সৃষ্টি কৰে আৰু বিশ্বাস, ধৰ্ম আৰু বিধি-ব্যৱস্থাৰ প্ৰতি সহনশীল হ'বলৈ আদেশ দিয়ে।'

এয়াই যদি সত্য, তেনেহ'লে মুছলিম সভ্যতাক বৰ্বৰ বুলি কোৱাৰ তাৎপৰ্য কি? ছাৰ এম এন ৰায়ৰ মতে— এয়া বস্তুনিষ্ঠতাৰ ফালৰ পৰা ৰূপকথাৰ মালা মাত্ৰ। এয়া এক 'হীন মতবাদ।' The historical role of Islam : An essay on Islamic culture' গ্ৰন্থত তেওঁ লিখিছে ঃ ইতিহাসৰ পক্ষপাতহীন আৰু বৈজ্ঞানিক গৱেষণাই যেতিয়া গাঁজাখুৰী ৰূপকথাৰ মালাক ছিঙি টুকুৰা-টুকুৰি কৰিছে, তেতিয়া ইছলামৰ উত্থানে দৃঢ় ভিত্তি লাভ কৰিছে মানৱজাতিৰ বাবে অভিশাপ হিচাপে নহয়, পৰম আশীৰ্বাদ হিচাপেই।

**চাৰি**

ৰাতি অন্ধকাৰত এজন মানুহ কবৰস্থানৰ কাষৰ ৰাস্তাৰে ভয়ে ভয়ে গৈ আছিল। এনেতে প্ৰকাণ্ড গছ এডালৰ তলত মানুহ এজনক দেখা পাই ভয় আঁতৰিল। অলপ সাহস পালে। আগবাঢ়ি গৈ মানুহজনক সুধিলে ঃ এই ৰাতি আপুনি ইয়াত কি কৰিছে?

ঃ কবৰৰ ভিতৰত খুব গৰম। গৰম সহ্য কৰিব নোৱাৰি কবৰৰ পৰা ওলাই আহিছো অলপ বতাহ খাবলৈ। মানুহজনে উত্তৰ দিলে।

মানুহজনৰ কথা শুনি মানুহজন দেখি সাহস পোৱা মানুহজনৰ ভয় আৰু বাঢ়ি গ'ল।

নতুন চৰকাৰৰ এবছৰ পূৰ্ণ হ'ল!

**পাঁচ**

Bhupen : Now members, whatever,
Ask, I want you to answer all
At once. How many Congress
MLA do we have now?
Members : All at once.

ফোন ঃ ০০১৪০৩২৭০১৮১৭

# এতিয়া গিৰীয়েকৰ তৰ্জনী আঙুলি!

**ৰিজু হাজৰিকা**

**আজি** কালি গিৰীয়েক-ঘৈণীয়েক বিলাকৰ মাজত প্ৰায়েই কাজিয়া পেচাল লাগেই। বিশেষকৈ পুৰুষবিলাকে অফিচৰ পৰা বা কৰ্মস্থলীৰ পৰা আহি বিছনাত বহিলেই ঘৈণীয়েকজনীয়ে বিছনাতে গিৰীয়েক বিলাকক আলপৈচান ধৰিব লাগে। কিছুমান কতো বিছনাত বহাৰ লগে লগে জোতা মোজা, কোট-পেণ্ট খুলি, চৰিয়াত পানী নি ভৰি হাত ধুৱাই গামোছাৰে মচি দি, তাতে প্ৰথমতে চাহ, তাৰ পাছত জৰ্দা পাণ দিব লাগে। টিভিটোও অন কৰি দিব লাগে। তাৰ পাছত ভাত হ'লে বিছনাৰ কাষতে টেবুলখন সজাই দি তাতে ভাত বাঢ়ি দিব লাগে, খোৱাৰ পাছত মুখ-হাত ধুবলৈ এটা চৰিয়াত পানী দিব লাগে। তাৰ পাছত পাণ দিব লাগে।

এদিন ঘৈণীয়েক বিৰক্ত হৈ গিৰীয়েকে কিবা এটা খুজিলেই লেঠু ডাল মানে বুঢ়া আঙুলি দেখুৱাই দি ক'লে— এডাল দিম, নিজে আনি খা। লাহে লাহে গিৰীয়েক সৈমান হ'ল। সকলো বস্তু নিজে আনি খোৱা হ'ল। ঘৈণীয়েকে ভিতৰি ভিতৰি মুখ টিপি হাঁহে— কেনে মজা পাইছ? লেঠু ডালৰ শক্তি আছে।



এদিন ক'ৰবালৈ যাওঁতে ঘৈণীয়েকৰ এক্সিডেণ্ট হৈ বুঢ়া আঙুলিটো কটা গ'ল। ডাক্তৰে অশেষ চেষ্টা কৰিও লেঠু ডাল যোৱা লগাব নোৱাৰিলে। তেনেকৈয়ে লেঠু ছিঙা বেঙেনাৰ দৰে হৈ থাকিল।

তাৰ পাছত এদিন তেওঁ এজন উকীলৰ ওচৰলৈ গ'ল। কথাখিনি উকীলৰ ওচৰত বুজাই ক'লে। উকীলজনে মনপুতি শুনিলে। তাৰ পাছত ক'লে— আপুনি কেলেই ভাবিলে যে আপোনাৰ লেঠু ডালৰ মূল্য এক লাখ টকা হ'ব পাৰে বুলি? তিৰোতাজনীয়ে ক'লে— কাৰণ এই বুঢ়া আঙুলিটোৰ যহতে মই মোৰ স্বামীৰ ওপৰত তিনি তেলেনি মাৰি খাই আছিলো। এতিয়া সি মোৰ কথা মুঠেই নামানে। আগতে সি কিবা এটা কৰি দিবলৈ ক'লেই মই তাক কৈছিলো— লেঠু ডাল দিম, তই নিজেই কৰি আন। সি খুচ-মুচ কৈ উঠি গৈ নিজেই কৰিছিল, এতিয়া সি কেৰেপেই নকৰে, মই তৰ্জনী আঙুলিটো দেখুৱাই দিলে সি কয়— তই মোক কামৰ নিৰ্দেশ দিবলৈ আহিছ? মোৰ আঙুলিৰে তোৰ চকু ঘুকি দিম— চিনি পোৱা নাই? গতিকে উকীল চাহাব আপুনি কি কয়— মই ইয়াৰ মূল্য পাঁচ লাখেই ক'ব লাগিছিল। উকীলে হাঁহিলে, হাঁহি ক'লে— কিন্তু আপুনি মোৰ ফিজ এক লাখ টকা দিব লাগিব। কেচটো হাইকোঁটত যাব, মোৰ খৰচ আছে।

তিৰোতাজনীয়ে ক'লে— আপুনি যদি নোৱাৰে মই বেলেগ উকীল লম, উকীলৰ আকাল লগা নাই।

এই বুলি উকীল বিচাৰি গ'ল। বহুত উকীলক লগ ধৰিলে, কিন্তু কোনো উকীলে কেচটো নল'লে। অৱশেষত মহিলা গৰাকী ঘৰলৈ উভতি গ'ল।

এতিয়া তেওঁ উপাই নাপাই গিৰীয়েকৰ কথা মতে চলিব লগা হ'ল। গিৰীয়েকে উঠ বুলিলে উঠে, বহ বুলিলে বহে। কাৰণ বুঢ়া আঙুলিটো অবিহনে মানুহে একো কৰিব নোৱাৰে। দহো আঙুলিয়ে খায়, বুঢ়াই হেচুকিলেহে যায়।

ৰাতি হ'লে মহিলাই কান্দে— ভাতে পেট নভৰে, টোপনি নাহে, বাওঁখন হাতোৰে চামুচ লৈ খোৱাৰ সমান দুখ নাই। বিয়াত বুফে খোৱাৰ দৰে পেট নভৰে। কাৰণ চামুচেৰে মাংসৰ হাড়, মাছৰ কাঁইট গুচাব নোৱাৰে। হাত লগাবই লাগিব। এনে দশা হৈছে ঘৈণীয়েকৰ। ভাতে পেট নভৰে, চকুত টোপনি নাহে। ভগৱানক ভাবে-দিনে-নিশাই। চকু পানীৰে গাৰু, গাল, তিতি যায়। গিৰীয়েকে নিজৰ খুচি মতে ঘৰলৈ আহে, ৰান্ধে, মাতে— তাই ভোকত মৰে। বুঢ়া আঙুলিটোৰ যে ইমান প্ৰয়োজন আগতে অলপো অনুভৱ কৰা নাছিল। এতিয়া তাই সময় মতে চাহ ভাত একো খাবলৈ নাপায়। মাক-দেউতাকো নাই। ভায়েকহঁতে তাইক নাৰাখে।

আগতে বুঢ়া আঙুলিটোৰে তাই গিৰীয়েকক তলত ৰাখিছিল, এতিয়া গিৰীয়েকে তাইক তৰ্জনী আঙুলিটোৰে তলত ৰাখে। হায়ৰে জীৱন। স্বামী-স্ত্ৰীৰ মিলনেই হ'ল সংসাৰ। এই কথা সদায় মনত ৰাখিব। তেহে সংসাৰ সুখৰ হয়।

# বাপেকে বিচাৰে মাইক পুতেকে বিচাৰে বাইক

**মনোজ কুমাৰ ভট্টাচাৰ্য**

— হেৰা, ইমান দেৰি কৰিলা কিয়? অকলে অহা কথা, অলপ সোনকালে আহিব নোৱাৰা।
— আহিব যে পাৰিছো সেয়ে বহুত। আহিবই নিদিয়ে জানেনে, ইটো-সিটোক মাত লগাই আহোতে এইখিনি সময় লাগিবই।
— তোমালোক মাইকী মানুহৰ স্বভাৱটোৱেই এনেকুৱা। কাৰোবাক লগ পালেই আঠা লগাদি লাগি ধৰা। বাৰু, বিয়াত নিমন্ত্ৰিত অতিথি বহুত হৈছিল নেকি?
— যথেষ্ট হৈছে। পৰিয়ালটোও ডাঙৰ নহয়?
— খোৱা-বোৱা কেনে হৈছে? ভালকৈ খুৱাইছেনে?
— খুৱাইছে বহুত। ৰন্ধা-বঢ়াখিনিও বৰ সুস্বাদু হৈছে।
— মাত-কথা দিছে নে নাই?
— সকলোকে হাতযোৰ কৰি মাতি বহিবলৈও দিছে, খাবলৈও দিছে। একোতে ত্ৰুটি ৰখা নাই। দৰা সোনকালে আহিব বোলে। মোক দৰা নোচোৱাকৈ আহিবই নিদিয়ে জানেনে?
— মানুহৰ কাণ্ডজ্ঞান বোলা বস্তু এটা থাকিব লাগে। তুমি দৰা চাই ইমান ৰাতি অকলে কেনেকৈ আহিবা, সেইটো সিহঁতে ভাবি চাব নালাগে?
— কিয়নো নাভাবিব? দীপকে তাৰ গাড়ীৰে মোক ঘৰত থৈ যাম বুলি কৈছিল। মইহে নাথাকিলো। আপুনি বিয়ালৈ কিয় নগ'ল আটায়ে সুধিছে।
— তুমি কি ক'লা?
— আপোনাৰ এৰাব নোৱাৰা জৰুৰী সভা এখন থকাৰ কথাটো কৈছো। বাবাৰ কথাও সুধিছে। তাক যেনে-তেনে দৰা অহাৰ আগতে গৈ পোৱাকৈ মাতিছে।
— বিয়ালৈ সি যাব জানো? সোধাচোন তাক।
— সি ক'ত যাব, নাযায়। আপোন মানুহখিনিৰ লগতেই যদি সম্পৰ্ক নাৰাখে, তেনেহ'লে কাৰ লগত সি সম্পৰ্ক ৰাখিব কওকচোন?
— তোমাৰ লগত ময়ো বিয়ালৈ যোৱাটোৱেই ভাল আছিল।
— আপোনাৰ আকৌ সভাখন থাকিল নহয়। সভা পালেতো আপোনাৰ গাত ততেই নাথাকে। সভাখনক পাছ পেলাই বিয়াখনক আগ কৰিবনে আপুনি?
— তুমি ঠিকেই কৈছা। পিছে, আজি মোৰ দিনটোৱেই কিবা অথলে গ'ল। ইফালেও নহ'ল, সিফালেও নহ'ল।
— আপুনি কি কৈছে মই ঠিক ধৰিব পৰা



নাই।
— মোৰ বিয়াও খোৱা নহ'ল আৰু সভালৈও যোৱা নহ'ল। ঘৰতেই বহি থকাহে হ'ল।
— সভাখন আজি নহ'ল নেকি? পিছুৱালে বোধকৰো?
— হৈছে। মইহে নগ'লো।
— কি? আপোনাৰ গা বেয়া নেকি?
— মই সুস্থ হৈয়েই আছো দিয়া, চিন্তা কৰিব নালাগে।
— তেনেহ'লে সভালৈ কিয় নগ'ল?
— মই আন মানুহৰ দৰে নহয় বুজিছা? মোৰ আত্মসন্মান আছে। সমাজত মান-মৰ্যাদা থকা লোক হিচাপে মোৰ এটা চিনাকি আছে।
— হঠাতে ইমান দাং খাই উঠিছে যে কথাটো কি?
— তোমাক কিয় লাগে? মই বিয়ালৈ যে যোৱা নাই তাৰ বাবে তুমিতো মূৰ ঘমোৱা নাই। সভালৈ নোযোৱাটোত লাগি আছা কিয়?
— নহয় ৰ'ব। বিয়া-সবাহলৈ নিজৰ ব্যস্ততাৰ বাবে আপুনি কাচিৎহে যায়; কিন্তু মিটিঙলৈতো নোযোৱাকৈ নাথাকে। নিশ্চয় আপোনাৰ ৰক্তচাপ বৃদ্ধি হৈছে। হয়নে?
— শুনা, বিয়াৰ পৰা দুখে-ভাগৰে আহিছা, অলপ জিৰণি লোৱাগৈ। পাৰা যদি বুজাই মেলি বাবাক বিয়ালৈ যাবলৈ কোৱা। মিতিৰ মানুহ। সি নগ'লে বেয়া কথা হ'ব।
— কৈছিলো তাক। নগ'লে মই কৰিম কি কওকচোন?
— মই কোৱা বুলি ক'বা তাক। নগ'লে হ'বনে? কিয় নাযায় সি?
— বাইক থকা হ'লে বোলে বিয়ালৈ গ'লহেঁতেন। চাওকচোন তাৰ কথা। বাইক নথকা মানুহে বিয়ালৈ নোযোৱাকৈ আছে নেকি?
— যি কৰে কৰক দিয়া। গ'লে যাব, নগ'লে নাই। বাইকৰ প্ৰতি চখ হৈছে যেতিয়া সি বাছত উঠিব কেনেকৈ? লোকেও নিন্দা কৰিব, তাৰো লাজ লাগিব, নহয় জানো? লাট চাহাবৰ বেটা নহয় সি?
— তাৰ কথা বাদ দিয়ক। আপুনি সভালৈ নগ'ল কিয় সেইটো কওক।
— শুনা, মই এজন গুণী-জ্ঞানী সাহিত্যিক। গামোচা এখনৰ আশাত বহুতৰ দৰে সভা শুৱনি কৰিবলৈ মই নাযাও। ৰাইজৰ আগত মুখখন দেখুৱাই সম্বৰ্ধনা লোৱা ব্যক্তি মই নহয়। কিছু ক্ষেত্ৰত ব্যতিক্ৰম মই।
— আচল কথাটো নকয় কিয়?
— সিহঁতে মোক নিবলৈ আহিছিল। ময়ো যাবলৈ সাজু হৈয়েই আছিলো।
— পিছে কি হ'ল?
— সভাত সিহঁতে মাইকৰ ব্যৱস্থা কৰা নাই বুলি যেতিয়া গম পালো, তেতিয়াই মই নাযাওঁ বুলি কৈ দিলো।
— সিহঁতে আপোনাক বেয়া পোৱা নাই?
— সিহঁতে মোক কি বেয়া পাব, মইহে সিহঁতক বেয়া পাইছো। মোৰ দৰে ব্যক্তিক আমন্ত্ৰণ কৰিব পাৰে অথচ মাইক এটা যোগাৰ কৰিব নোৱাৰে।
— মাইক নানিলেও আপুনি সভাখনলৈ যাব লাগিছিল। সময়ৰ মূৰকত সিহঁতক বিপদত পেলোৱাহে হ'ল।
— হেৰা, মই প্ৰতিখন সভাতে ৰাইজ উপকৃত হ'ব পৰাকৈ সাৰগৰ্ভ ভাষণ দিওঁ। মোৰ জ্ঞানৰ ভাণ্ডাৰ শ্ৰোতা দৰ্শকৰ মাজত বিলাবলৈ চেষ্টা কৰো। তেনেস্থলত মাইক নহ'লে মোৰ ভাষণ ৰাইজে কেনেকৈ শুনিব কোৱাচোন?
— আপোনাৰ মহিমা বুজাই টান দিয়ক।
— মই সভাত আজে-বাজে ভাষণ নিদিওঁ, বুজিছা? তত্ত্বগধূৰ কথাহে কওঁ। সিহঁতে মাইক আনিব নোৱাৰে যদি মোক নামাতিলেই হ'ল। মোৰ চাফা কথা।
— কি যে সংসাৰ আমাৰ ভাবিয়েই নাপাওঁ! বাপেকটো মৰে এটা মস্ত ঢঙত, পুতেকটো মৰে আকৌ সাংঘাতিক খঙত। বাপেকে বিচাৰে মাইক, পুতেকে বিচাৰে বাইক। এনেকৈ এখন সংসাৰ চলে নেকি কওকচোন?
— হা?

ফোন ঃ ৯১০১৭৭৪৮৬৮

দেওবৰীয়া দৈনিক
অগ্ৰদূত
গুৱাহাটী, ১৫ মে' দেওবাৰ, ২০২২ পৃষ্ঠা ৫

**ভূটানৰ টাংকলা নামৰ ঠাইৰ পৰা ওলাই অহা এখন নৈ হৈছে 'দিয়া।' 'দিয়া'ৰ ওচৰে ওচৰে বাগৰি আহিছে আন এটা জুৰি 'পাগ্‌লা'। 'পাগ্‌লা'ই মাজে মাজে শিলৰ বাধা অতিক্ৰমী সুঁতি সলাই সলাই পুনৰ শান্ত হৈ বৈ আহি ভূটানৰ সীমাত অৱস্থিত এটা সৰু অঞ্চল 'চৌকি'ত 'দিয়া'ৰ লগত লগ লাগি 'পাগলাদিয়া' নাম লৈ বৈ আহিছে পাগ্‌লাদিয়া নৈখন অবিভক্ত নলবাৰী জিলাৰ সুৱনখাটাৰ উত্তৰৰ পলস ত্ৰিভুজৰ শীৰ্ষইদি অসমত সোমাই মৰা পাগ্‌লাদিয়া বনাঞ্চলেদি ১৪ কিলোমিটাৰ পথ বৈ আহি খৈৰাণী নামৰ ঠাইত ওলাইহি।**

# পাগলাদিয়া

## তপনজিৎ ডেকা

**পৃথিৱীৰ** বহুকেইটা প্ৰাচীন সভ্যতা গঢ়ি উঠিছিল নদীৰ পাৰতেই, নদীক কেন্দ্ৰ কৰি। নদীৰ পানী, পানীয়ে ধুৱাই যোৱা পলসুৱা মাটিৰ ওপৰতেই নিৰ্ভৰশীল পাৰৰ মৎস্যজীৱী, কৃষিজীৱী এচাম মানুহ। এক কথাত নদীয়েই নিৰূপণ কৰে ইয়াৰ পাৰৰ মানুহখিনিৰ আৰ্থ-সামাজিক দিশ। নদী হৈছে তেওঁলোকৰ বাবে জীৱন আৰু জীৱিকাৰ আধাৰ।

নদী-মাতৃক ৰাজ্য অসমৰ সভ্যতা-সংস্কৃতি-সমাজক বিচিত্ৰতা দান কৰা মহাবাহু ব্ৰহ্মপুত্ৰ নদীৰ এখন প্ৰধান উপনৈ হৈছে পাগ্‌লাদিয়া। সঘনাই সুঁতি সলনি কৰি অনিশ্চিতভাৱে যেনি-তেনি বৈ থকাৰ বাবে অসমৰ কে'বাখনো নদীক 'পাগল' নৈ নাম দিয়া হৈছে। ইয়াৰ ভিতৰত আটাইতকৈ প্ৰখ্যাত নৈখনেই হৈছে পাগ্‌লাদিয়া। বানপানীৰ বাবেই পাগ্‌লাদিয়া নৈখন ইয়াৰ পাৰত বসবাস কৰা ৰাইজৰ বাবে দুখৰ কাৰণ যদিও নদীখন তেওঁলোকৰ বৰ মৰমৰ। পাগ্‌লাদিয়াই বহন কৰি আহিছে এক স্থানীয় সভ্যতা আৰু সংস্কৃতি। ই সঘনাই সুঁতি সলাই ন ন ৰূপ ল'লেও ইয়াৰ গতি নিৰবধি, পাৰৰ মানুহৰ আশা-আকাংক্ষা কঢ়িয়াই লৈ লুইতমুখী ইয়াৰ দুৰন্ত গতি। নদীৰ পাৰতেই গঢ়ি উঠা বহুতো গাঁও জ্ঞান অৰ্জনৰ কেন্দ্ৰত পৰিণত হৈছে। পাগ্‌লাদিয়া নৈখন গাঁৱৰ মানুহবোৰৰ জীৱনৰ শক্তি স্বৰূপ। নৈপৰীয়া মানুহৰ মাজত একতাৰ ভাব গঢ় লৈ উঠে। নদীৰ সোঁতত বানপানীৰ লগত পলস উটি আহে। সেই পলসে পাৰৰ খেতি-বাতিলৈ উৰ্বৰতা আনে। কিছুমান অঞ্চলত পাগ্‌লাদিয়া নদীৰ ওপৰত এতিয়াও বাঁহৰ দলং আছে। কোনো কোনো ঠাইত নদীৰ প্ৰবল সোঁতে মাটি খহায়। ৰাতি নদীত পানীৰ সোঁত আৰু ঢৌৰ শব্দই গুমগুমনিৰ সৃষ্টি কৰে। এতিয়া অৱশ্যে পাগ্‌লাদিয়া নদীৰ চেহেৰা লাহে লাহে সলনি হৈছে। নৈৰ গৰাবিলাক ঠায়ে ঠায়ে ছিগা। মানুহৰ ঘৰ-দুৱাৰ নদীৰ কাষতেই থাকে। বাৰিষা কিন্তু নদীখনে কালৰূপ ধাৰণ কৰে। পাগ্‌লাদিয়াৰ বোঁৱতী সোঁতে ভূটান সীমান্তৰ পৰা আৰম্ভ কৰি লেব্ৰা, শান্তিপুৰ, পাহাৰপুৰ আদি অঞ্চলত ২০১৭ মানৰ পৰা পূব দিশলৈ ঢাল খোৱাত খহনীয়াৰ সৃষ্টি কৰি প্ৰায় ডেৰশটামান পৰিয়ালৰ ঘৰ-মাটি আদি উটুৱাই নিয়াত পৰিয়ালকেইটা আন ঠাইত সংস্থাপিত হয়। বাৰিষা আহিলেই গঞা আতংকিত হয়। অঞ্চলটোৰ ৰাইজে খহনীয়া প্ৰতিৰোধ কৰিবলৈ নিজাববীয়াকৈ নিৰৱচ্ছিন্নভাৱে কাম কৰি আহিছে। পাগ্‌লাদিয়াৰ ৰুদ্ৰমূৰ্তিৰ পৰা ৰক্ষা পাবলৈ নদীৰ বুকুত শিল-বালিৰ বান্ধ বান্ধি গছৰ ডাল কাটি পাৰ্কুপাইন স্থাপন কৰি গুণাৰ জালিৰে শিলৰ বৃহৎ স্পাৰ বান্ধি গৈছে স্থানীয় ৰাইজে।

ভূটানৰ টাংকলা নামৰ ঠাইৰ পৰা ওলাই অহা এখন নৈ হৈছে 'দিয়া।' 'দিয়া'ৰ ওচৰে ওচৰে বাগৰি আহিছে আন এটা জুৰি 'পাগলা'। 'পাগলা'ই মাজে মাজে শিলৰ বাধা অতিক্ৰমী সুঁতি সলাই সলাই পুনৰ শান্ত হৈ বৈ আহি ভূটানৰ সীমাত অৱস্থিত এটা সৰু অঞ্চল 'চৌকি'ত 'দিয়া'ৰ লগত লগ লাগি 'পাগ্‌লাদিয়া' নাম লৈ বৈ আহিছে পাগ্‌লাদিয়া নৈখন অবিভক্ত নলবাৰী জিলাৰ সুৱনখাটাৰ উত্তৰৰ পলস ত্ৰিভুজৰ শীৰ্ষইদি অসমত সোমাই মৰা পাগ্‌লাদিয়া বনাঞ্চলেদি ১৪ কিলোমিটাৰ পথ বৈ আহি খৈৰাণী নামৰ ঠাইত ওলাইহি। ছয় কিলোমিটাৰ ভটিয়াই আহি গেৰুৱা নামৰ ঠাইত গেৰুৱা নৈৰ লগ লাগে। গেৰুৱা নৈৰো উপনৈ আছে— লেব্ৰা আৰু লেব্ৰাৰ উপনৈ সাতভনী।

গেৰুৱাৰ পৰা নৈখন চাৰি কিলোমিটাৰ বৈ আহি বাওঁপাৰে মূটঙা নৈক আৰু আকৌ দুই কিলোমিটাৰ বৈ আহি গেৰুৱা নামৰ জান এটাক সোঁপাৰে লয়। ইয়াৰ পৰা ১৫ কিলোমিটাৰ ভটিয়াই আহি কদমতোলাইদি পাক মাৰি কালিবাৰী, গোৱালবিল হৈ আঠ কিলোমিটাৰ বৈ আহি গোৰাকুছিত ডিমলা নৈক বাওঁপাৰে লয়। ইয়াৰ পাছত নৈখন চেং নামৰ ঠাইত দুভাগ হৈ মূল ভাগটো বৈ আহে পাগ্‌লাদিয়া নামেৰেই আৰু আনটো ভাগ চেং নামেৰে গৈ বুঢ়াদিয়া নৈত পৰে। পাগ্‌লাদিয়াৰ মূল শাখাটো নলবাৰী চহৰেৰে গৈ বৰমিৰিকং আৰু সোণকুৰিহা পাই আকৌ নখেতিত বৰলীয়া নৈক বাওঁপাৰে লয়। নখেতিৰ পৰা নৈখন বৈ আহি নলবাৰী-হাজো পথ পাই দক্ষিণ-পশ্চিমমুৰা হৈ বৈ আহি আদাবাৰীত বৰপেটা-হাজো পথ পাৰ হৈ লাউপাৰাত পুঠিমাৰী নৈক বাওঁপাৰে লয়। তাৰ পাছত নৈখন দক্ষিণ-পশ্চিমলৈ বৈ আহি ব্ৰহ্মপুত্ৰত পৰে।

পাগ্‌লাদিয়া এখন বালিময় নৈ। বাৰিষা পানী থাকে, খৰালি তাকৰ। নৈখনৰ এৰাসুঁতিবোৰত মৎস্যপালন এক ভাল ব্যৱসায়। উৎসৰ পৰা পাগ্‌লাদিয়া নৈৰ দৈৰ্ঘ্য ১৮২০ কিলোমিটাৰ। অবিভক্ত নলবাৰী জিলাৰ আন এখন নৈ হৈছে মৰাপাগ্‌লাদিয়া। পাগ্‌লাদিয়া আৰু মৰাপাগ্‌লাদিয়া এই দুই নৈয়ে নলবাৰী আৰু বাগ্‌সা জিলাৰ কৃষিভিত্তিক সভ্যতা গঢ় লৈ উঠাত অৰিহণা যোগাইছে। অতীজতে পাগ্‌লাদিয়াৰ বুকুৰে নাও চলিছিল। যোগাযোগ আৰু বেপাৰ-বাণিজ্য নৈৰ বুকুৰেও হৈছিল। খৰালি নৈখনত পানী কম থাকে বাবে বৰ্তমান বাগ্‌সা জিলাৰ অন্তৰ্গত উজনিৰ অংশৰ বাসিন্দাই ডোং আদিৰ দ্বাৰা নদীলৈ পানী নিব লগা হয়।

অবিভক্ত নলবাৰী জিলাৰ আৰ্থ-সামাজিক ক্ষেত্ৰখনত পাগ্‌লাদিয়া নৈৰ ভূমিকা অসীম। এতিয়াও বিভিন্ন আলংকাৰিক মাছৰ পৰা আদি কৰি নানাবিধ মাছ পাগ্‌লাদিয়া নৈত পোৱা যায়। দুয়োপাৰৰ কৃষিভূমি পলসে সাৰুৱা কৰাৰ ফলত লহপহকৈ বাঢ়ি অহা শস্যই কৃষকৰ অৰ্থনৈতিক ভেটি টনকিয়াল কৰিবলৈ সক্ষম হৈছে। পাগ্‌লাদিয়াই যিকোনো দিশতে গতি সলাই থকাৰ বাবে নলবাৰী জিলাত ৬০ৰ দশকৰ মাজভাগ মানতহে স্থায়ী দলং নিৰ্মাণ হৈছে। নৈৰ পাৰত গঢ়ি উঠা কৃষি পামসমূহে অসমৰ অৰ্থনীতি টনকিয়াল কৰিছে।

কিছুদিনৰ আগৰ এটা ক্ষেত্ৰভিত্তিক অধ্যয়নৰ বাতৰিত প্ৰকাশ পাইছিল যে পাগ্‌লাদিয়া নৈখন যি ঠাইত ব্ৰহ্মপুত্ৰত পৰিছে সেই ঠাইত ব্ৰহ্মপুত্ৰ যথেষ্ট বাম হৈ পৰিছে। ফলত পাগ্‌লাদিয়া নৈ তীব্ৰ গতিত গৈ ব্ৰহ্মপুত্ৰত পৰাৰ বিপৰীতে লাহে লাহে পৰিছে আৰু ইয়াৰ পলস-বালিবোৰ নৈখনতে ৰৈ গৈছে আৰু ই বাম হৈ গৈছে।

পাগ্‌লাদিয়াৰ দুয়োপাৰৰ খৰালিৰ পৰিৱেশ ধূলিয়ৰি। ঠাই বিশেষে পাগ্‌লাদিয়াৰ উপত্যকা অঞ্চলত কুঁহিয়াৰ, সৰিয়হ, তিল আদিৰ খেতিও হয়। কিন্তু বাৰিষাৰ পাগ্‌লাদিয়াৰ ৰূপ সঁচাই পাগলৰ দৰে। ফেনে-ফোটোকাৰে বাঢ়ি আহে বানপানী। অৱশ্যে পাগ্‌লাদিয়াৰ বানপানী বেছিদিন নাথাকে, দুই বা তিনি দিন। বানপানীয়ে সাৰুৱা কৰে পথাৰ, পলসুৱা কৰে পাৰৰ মাটিভাগ। বানপানী হয় বাবে পাগ্‌লাদিয়াত মাছৰ উজান উঠে। কাষৰ খাল-ডোংবোৰতো মাছৰ বংশ বৃদ্ধি হয়। পাগ্‌লাদিয়াৰ নদীৰ বানপানীৰ ভয়াবহতাৰ কথা ভুক্তভোগী মানুহে কেতিয়াও পাহৰিব নোৱাৰে। পাগ্‌লাদিয়া এসময়ত নলবাৰীৰ চকুলো সদৃশ আছিল। পাগ্‌লাদিয়াৰ নদীৰ বানপানীৰ ভয়াবহতাৰ কথা ভুক্তভোগী মানুহে কেতিয়াও পাহৰিব নোৱাৰে। পাগ্‌লাদিয়া এসময়ত নলবাৰীৰ চকুলো সদৃশ আছিল। পাগ্‌লাদিয়া নৈত পানীৰ সোঁতে গৰা খহাই খহাই গৈ থাকে। নৈখনৰ কোন ঠাইত তৰাং কোন ঠাইত দ ধৰিবই নোৱাৰি। খৰালি খোজকাঢ়ি পাৰ হ'ব পৰা নৈখনে বাৰিষা ৰুদ্ৰমূৰ্তি ধৰে।



পাগ্‌লাদিয়া নদীৰ পাৰতেই এক স্থানীয় সভ্যতা গঢ় লৈ উঠিছিল। এই নদীৰ দুয়োপাৰে অসমৰ বহুত বিশিষ্ট পণ্ডিত-সাহিত্যিক-বুদ্ধিজীৱীৰ জন্মস্থান।

পাগ্‌লাদিয়া নদীক মূল উপজীৱ্য হিচাপে লৈ নিৰুপমা বৰগোহাঞিয়ে 'সেই নদী নিৰবধি', 'ইপাৰৰ ঘৰ, সিপাৰৰ ঘৰ' আদি উপন্যাস লিখিছে। সুধাকণ্ঠ ড° ভূপেন হাজৰিকায়ো গান লিখি গৈছে পাগ্‌লাদিয়াক লৈ। অনেক কবিৰ কবিতাত ঠাই পাইছে পাগ্‌লাদিয়া নদীখনে।

নদীৰ কাৰ্য সাধাৰণতে তিনিটা— খনন কাৰ্য, পৰিবহণ আৰু অৱক্ষেপন বা জমাকৰণ কাৰ্য। নদীবোৰ সভ্যতা-সংস্কৃতিৰ বাবে অতিকে মূলৱান। নদীৰ পানীৰ পৰা জলসিঞ্চন আৰু খোৱাপানী যোগান আঁচনিৰ কাম কৰা হৈছে। তথাপি নদীবোৰ কিন্তু অৱহেলিত অৱস্থাতে আছে। মানুহে জাবৰ পেলোৱা ডাষ্টবিন হিচাপে নদীবোৰ ব্যৱহাৰ কৰে; কিন্তু নদীৰ ওপৰত অত্যাচাৰ কৰা মানেই প্ৰাকৃতিক ভাৰসাম্য বিনষ্ট কৰা। অসমৰ নদীবোৰক মীন পালন, নৌ পৰিবহণ, প্ৰমোদ ভৰন আদি কৰাৰ থল আছে। শেহতীয়াকৈ পাগ্‌লাদিয়া নদীৰ পাৰত নদী পৰ্যটনৰ দৰে প্ৰকল্প গঢ়ি উঠিছে। লগতে কৃষিজীৱী ৰাইজৰ কৃষি বিপ্লৱ আছেই। পাগ্‌লাদিয়া নদীৰ ওপৰত বান্ধ দি জলসিঞ্চনৰো ব্যৱস্থা কৰা হৈছে।

অসমৰ মুঠ ৪৪খন, প্ৰদূষিত নৈৰ ভিতৰত পাগ্‌লাদিয়াও অন্যতম। নদী এখনক কম প্ৰদূষিত কৰি ৰখাত বা প্ৰদূষণ নোহোৱাকৈ ৰখাত সেই নদীৰ পাৰত বাস কৰা জনসাধাৰণৰ ভূমিকা অসীম।

*ফোন ঃ ৮৬৩৮১৪৮৪৯৫*



# লান্দু ঘাগিৰি জলপ্ৰপাতৰ সৌন্দৰ্য

## দিনমণি দাস

**গুৱাহাটীৰ** পৰা ৭০ কিলোমিটাৰ পশ্চিমে ছয়গাঁও ৰাজহ চক্ৰৰ অন্তৰ্গত অসম-মেঘালয় সীমান্তৱৰ্তী এখন অতি মনোমোহা গাঁও উকিয়াম। প্ৰকৃতিৰ ৰম্যভূমি উকিয়ামত তিনিখন পাহাৰীয়া নদী শিৰি, ঘোগা আৰু দ্ৰোণ মিলিত হৈছে। উকিয়ামত এটা সৰু টিলাৰ ওপৰত প্ৰকৃতিপ্ৰেমী ইংৰাজসকলে সজা বন বিভাগৰ কাঠৰ চাং বঙলা আছে। বঙলাৰ পূব ফালে দ্ৰোণ নদীখন নাচনি শিলা পাহাৰৰ পশ্চিম কাষেৰে বৈ আহি শিৰি আৰু ঘোগাৰ লগত মিলি কুলসী নাম লৈ বৰলুইতত মিলিবলৈ ধাৱমান হৈছে।

যোৱা বছৰ কাতিৰ এটা গধুলি (২৭ নৱেম্বৰ/২০২১) উকিয়াম বন পৰিদৰ্শন বঙলাৰ কিছু পশ্চিমত খাচী পাহাৰৰ ৰাজাবালা গাঁৱৰ বিৰলা নংবাকহত বাস কৰা টিলাৰ কিছু আঁতৰত ঘোগা আৰু শিৰি নদীৰ সংগমস্থলীৰ বালিময় বুকুত শিবিৰ পাতি মাজৰাতিলৈ বীৰবলৰ স'তে নদীৰ শীতল পানীত নামি জালেৰে মাছ ধৰিছিলো। মাজৰাতি সেই মাছেৰে কুলসীৰ বালিত বনভোজ পাতি আমি চাৰিজনে ইউচুফ আলি, চবিন ৰাভা, বীৰবল দাস আৰু মই শিৱিৰতে নিশাটো কটালো।

পিছদিনা ৰাতিপুৱা আমাৰ সংগী কৃষ্ণপুৰ গাঁৱৰ চবিন ৰাভাই এই দ্ৰোণ নদীৰ আগলি অংশত লান্দু ঘাগিৰি নামে এটা জলপ্ৰপাত আছে বুলি জনালে আৰু তেওঁ লান্দু ঘাগিৰিলৈ যাবলৈ লগ ধৰিলে।

কথামতেই কাম, আগনিশা উকিয়ামৰ ৰাজাবালা গাঁৱৰ নামনিত পতা কেম্প সামৰি বীৰবল দাসক উকিয়ামত এৰি আমি তিনিজনে ইউচুফ আলি, চবিন ৰাভা, মই ইউচুফ আলিৰ ইয়ন গাড়ীখন লৈ দুৰ্গম পাহাৰীয়া পথেৰে মই নিজে চালকৰ আসনত বহি আগবাঢ়িলোঁ। উকিয়ামৰ আৰক্ষী পহৰা চকীৰ কাষৰ পথেৰে নতুনকৈ পাহাৰৰ গা কাটি বাট উলিওৱা পথেৰে অতি কষ্টৰে আগবাঢ়োতে বাটত কে'বাখনো কাঠ আৰু বাঁহৰ জৰাজীৰ্ণ দলং পাৰ হ'ব লগা হ'ল। প্ৰায় চাৰি কিলোমিটাৰমান গৈ নুনমাটি নামৰ গাঁওখন পালো। নুনমাটি গাঁওখন অসমৰ ভিতৰত যদিও ইয়াত মেঘালয় চৰকাৰৰ এখন বিদ্যালয় চলি থকা বুলি এজনে জনালে। অলপ দূৰ গৈ দ্ৰোণ নদীৰ পাৰৰ গাৰো লোকৰ বসতিপূৰ্ণ উমথুলি গাঁও পালো। উমথুলি গাঁৱৰ এমূৰৰ সৰু চ'কটোত দুখন বাঁহৰ চালিৰ দোকান। দুয়োখন দোকান বন্ধ, সেইদিনা ৰবিবাৰ, গাঁৱৰ সকলো গাৰো লোকেই খ্ৰীষ্টান ধৰ্মৰ বাবে দোকান বন্ধ বুলি জানিব পাৰিলোঁ। তাতেই লগ পালো আমাৰ ভ্ৰমণ সংগী চবিন ৰাভাৰ চিনাকি দীঘল বিল গাঁৱৰ ভেৰি গ্লিচ চাংমাক। চাংমা বৰ সৰবৰহী লোক, প্ৰথম দৰ্শনতে আপোন যেন লাগিল।

উমথুলি গাঁও সম্পৰ্কে জানিব পাৰিলো খাচী ভাষাত উম শব্দৰ অৰ্থ পানী আৰু থালি মানে চেং মাছ। এই পাহাৰী নদীখনৰ এই অঞ্চলটোত প্ৰচুৰ পৰিমাণে চেং মাছ পোৱা গৈছিল। সেয়েহে স্থানীয় লোকে ঠাইখনক উমথালি বা উমথুলি বুলি কৈছিল।

ভেচি গ্লিচ চাংমাই উমথুলি গাঁৱৰ পাহাৰৰ দাঁতিৰে দ্ৰোণ নদীৰ পাৰে পাৰে আমাক লৈ আগবাঢ়িল। কিছু হাবি-বন ভাঙি ভাঙি পাহাৰৰ কিছু ওপৰত লান্দু ঘাগিৰি জলপ্ৰপাত পালো। পাহাৰৰ ভিতৰৰ শিলাময় ঠাইডোখৰ জলপ্ৰপাতৰ ভয়ংকৰ গৰ্জনে কঁপাই তুলিছে। পাহাৰৰ পৰা তীব্ৰবেগেৰে পানী পৰা শিলাময় ঠাইডোখৰত পানীৰ তীব্ৰ আঘাতৰ বাবে ঘূলি আদিৰ সৃষ্টি হৈছে। তাত গা ধুব পৰা সৰু পুখুৰী দেখিবলৈ পালো। নৈখনৰ দুয়োপাৰে পাহাৰে আৱৰা ঠাইখনত প্ৰাকৃতিক ভাৱে সৃষ্ট গাত, শিলৰ পতাৰ আকৃতি দেখিবলৈ পালো।

দ্ৰোণ নদীৰ এই জলপ্ৰপাতটিৰ শিলাময়, জয়াল অংশটিত ডুবা দেৱতাই বাস কৰে বুলি স্থানীয় অধিবাসীসকলে বিশ্বাস কৰে। স্থানীয় লোকৰ মতে তাত হেনো অপেশ্বৰীয়ে গা ধুই নৃত্য কৰে। মাছবোৰে জপিয়াই ফুৰে। এই জয়াল ঠাই ডোখৰলৈ অকলে যাবলৈ আজিও মানুহে ভয় কৰে।

অতীতত উমথুলি গাঁৱৰ লগতে আশে-পাশে থকা গাৰো লোকসকলে বছৰি বলি বিধান দি মদ, মাংস প্ৰসাদ আদিৰে ডুবা দেৱতাৰ 'ৰঙামাল' পূজা কৰিছিল। ডুবা দেৱতাৰ আৱাস স্থলী এই জলপ্ৰপাতটিক ডুবা খাগৰি বুলিছিল। খাগৰি শব্দৰ অৰ্থ পৰ্বতীয়া ঝাৰা। ঝাৰা হৈছে পাহাৰীয়া একাধিক সৰু বৰ নিজৰাৰ সমষ্টি। ডুবা খাগৰি মানে ডুবা দেৱতাই বাস কৰা ঝাৰা। পাছলৈ স্থানীয় গাৰো লোকসকল খ্ৰীষ্টানধৰ্মলৈ দীক্ষিত হোৱাত ডুবা পূজা নকৰা হ'ল। ডুবা খাগৰিক মানুহে লান্দু খাগৰি বা লান্দু ঘাগিৰি বুলি কয়। অৱশ্যে বাহিৰৰ লোকসকলে লান্দু ঘাগিৰি বুলিহে জানে।

উকিয়ামৰ এই অন্যতম দ্ৰোণ নদীখন বকোৰ অসম-মেঘালয় সীমান্তৰ লাম্পীৰ নংদ্ৰোণ নামৰ শিলাময় ঠাই খণ্ডৰ পৰা ওলাই প্ৰায় ৪০/৫০ কিলোমিটাৰ অতিক্ৰম কৰি শিৰি আৰু ঘোগাৰ স'তে উকিয়ামত মিলিছে। নং দ্ৰোণ খাচী ভাষাৰ শব্দ। পশ্চিম খাচী পাহাৰৰ স্থানীয় ভাষা মতে নং শব্দৰ অৰ্থ হৈছে গাঁও আৰু দ্ৰোণ মানে নদী।

জলপ্ৰপাতৰ পৰা কষ্টেৰে নামি আহি দুপৰীয়া উমথুলি গাঁৱৰ এমূৰত থকা গাঁৱৰ চ'কটোত থকা দোকানৰ বেঞ্চত কিছু সময় বহিলো। চ'কটোৰ সন্মুখত দ্ৰোণ নদীৰ ওপৰত সজা সৰু পকী দলংখনৰ নিৰ্মাণ ফলকত মেঘালয়ৰ নংষ্টেইন ব্লকৰ জৰিয়তে নিৰ্মাণ কৰা বুলি উল্লেখ থকা দেখিলো। উমথুলি গাঁওখন অসমৰ ভৌগোলিক সীমাৰ ভিতৰৰ এখন গাঁও। স্থানীয় প্ৰশাসনে চৰকাৰক নজনোৱাটো গুৰুতৰ অপৰাধ।

এনেবোৰ কাৰ্যৰ কাৰণে চৰকাৰে সংশ্লিষ্ট বিষয়াৰ ওপৰত শাস্তিমূলক ব্যৱস্থা লোৱা দৰকাৰ। অসম চৰকাৰৰ পৰ্যটন বিভাগ, গ্ৰামোন্নয়ন বিভাগ আগবাঢ়ি আহি লান্দু ঘাগিৰি জলপ্ৰাতটিক পৰ্যটকৰ আকৰ্ষণীয় কৰি তোলা দৰকাৰ। এনে কাৰ্যব্যৱস্থা হাতত ল'লে ঠাইডোখৰৰ উন্নতি হোৱাৰ লগতে চৰকাৰৰ হাতলৈ ৰাজহ আহিব আৰু ঠাইডোখৰ মেঘালয়ৰ আগ্ৰাসনৰ পৰা ৰক্ষা পৰিব।

*ফোন ঃ ৯৪৩৫১৯২০৫৬*

জাতীয় অভিধান-জাতীয় ইতিহাসৰ যৌথমঞ্চ

### বিশিষ্ট ইতিহাসবিদ দ° সূৰ্য্য কুমাৰ ভূএগ্ৰালৈ ক্ষমাপ্ৰাৰ্থনাৰে..

### দুতিৰাম স্বৰ্নকাৰ হাজৰিকাৰ পদ্য বুৰঞ্জিখনৰ আখৰ জোঁটনি সম্পূৰ্ণৰূপে সৰল বানানৰ পৰা জটিল কৰি পেলালে কিয় ?

# মূল লেখকৰ বানান সলনি কৰা সম্পাদনাৰ নীতিবিৰুদ্ধ নহয়নে ?

## দ° দেৱব্ৰত শৰ্মা




**অসমৰ** বিশিষ্ট ইতিহাসবিদ দ° সূৰ্য্যকুমাৰ ভূঞাই তেখেতৰ নিৰলস, নিৰৱচ্ছিন্ন অধ্যয়ন-গৱেষনা-ৰচনা-সংকলন-সম্পাদনাৰে অসমৰ ইতিহাসচৰ্চালৈ যি বিপুল পৰ্বতপ্ৰমাণ অৱদান আগবঢ়াই গৈছে আৰম্ভনিতে তাৰ বিনম্ৰ শলাগ লৈ লওঁ। সঁচা ক'বলৈ গ'লে আমাৰ আধুনিক সময়ৰ ইতিহাসচৰ্চা দ° ভূঞাৰ অৱদানৰ অবিহনে অসম্পূৰ্ণ আৰু অকল্পনীয়ও।

কিন্তু আজি আমি আলোচনা কৰিবলৈ লৈছোঁ সম্পূৰ্ণ বেলেগ এটা প্ৰসংগ। সেয়া হ'ল এখন বিশেষ বুৰঞ্জিৰ সম্পাদনাৰ ক্ষেত্ৰত তেখেতে অৱলম্বন কৰা আখৰজোঁটনিৰ নীতি। এই ক্ষেত্ৰত গ্ৰহণযোগ্য নীতিটো হ'ল- এই যে মূল লেখকে অনুসৰণ কৰা পদ্ধতিৰ সম্পাদক/সংকলকে পৰিবৰ্তন নঘটাব। প্ৰয়োজন হ'লে তেওঁ পাদটীকা দিব। দেখদেখ ভুল থাকিলে বানানো শুধৰাব। কিন্তু সেইবুলি আগৰ পৰা গুৰিলৈকে সকলো শব্দৰে বানান সমূলে সলাই তাক এটা অচিনাকি অখজা ৰূপ দিয়াৰ অধিকাৰো তেওঁৰ নাথাকে।

যোৰহাটৰ দুতিৰাম স্বৰ্ণকাৰ হাজৰিকাৰ অসমৰ পদ্যবুৰঞ্জিখন সংগ্ৰহ, সম্পাদনা, আৰু বুৰঞ্জী আৰু পুৰাতত্ব বিভাগৰ দ্বাৰা প্ৰকাশ কৰাই ভূঞাদেৱে আমাৰ চিৰকৃতজ্ঞতা অৰ্জন কৰিলে। কিন্তু তথাপিও বানানৰ প্ৰসংগটো আমি নীতিগত, সম্পাদনাৰ নীতিগত কাৰণত, তুলিবলৈ বাধ্য। **কাৰণ যোৰহাট কলেজে পালন কৰিবলৈ লৈছে মহান বুৰঞ্জিবিদ দুতিৰাম স্বৰ্ণকাৰ হাজৰিকাৰ ১২১ সংখ্যক মৃত্যু দিৱস। সেইবাবে আমি যোৱা এবছৰে বুৰঞ্জিখনৰ কাম কৰি আছো।** বুৰঞ্জী আৰু পুৰাতত্ব বিভাগতে সংৰক্ষিত, আৰু দুতিৰাম স্বৰ্নকাৰ হাজৰিকাৰে আজো আজো নাতিনী ৰীণা ধলুৱা দাসৰ দ্বাৰা আমাৰ বাবে সংগৃহীত পাণ্ডুলিপিত আমি বুৰঞ্জিখনৰ ৩৫-৩৮ স্তৱককিটা এনেকৈ পাওঁ ঃ

"ইতো কথা নৃপতিৰ আগত জনাওঁ
জদি বিচাৰিয়ে দিএ অন্য ঠাই জাওঁ।।
এহি বুলি দুতসবে পালটি আসই।
পতি পাব্যে বুলি ৰানিৰেসে ধাতু নাই।।৩৫
নৃপতিৰ আজ্ঞা আছে গদাৰ নিমিত্তে।
সিকাৰনে তান ভাৰ্য্য এড়ি আইলা তাতে।।
"সেহিবেলা ৰাজৰানি গাৰে নাহি তত।
কিজানি স্বামিও পৰে ইসবৰ হাত।।৩৬
স্বামিক ডণ্ডিবে বুলি সুনিচিলো কানে।
সেহি হেতু আসিচিলা আমাৰ ভৱনে।।
নপইল্যা ইহাতে তাংক গৈলেক অন্তৰি।
যদি পন্থে পাৰে লাগ জোনো নিবে ধৰি।৩৭
ইহেন সংকটে কোনে কৰিবেক ত্ৰান ?
কৃষ্ণ বিনে নেদেখোহো আমাৰ জিৱন।।
তুমি জগতৰ ইস তুমি জগজিৱ।
এহি আপদত ৰাখিয়োক সদাসিব।৩৮"

এতিয়া এই শাৰীকিটাৰ বিপৰীতে দ° ভূঞাই সম্পাদনা কৰি প্ৰকাশ কৰা ১০ শাৰীৰ তুলনা কৰক ঃ

ইটো কথা নৃপতিৰ আগত জনাওঁ।
যদি বিচাৰিবে দিয়ে অন্য ঠাই যাওঁ।।
এহি বুলি দূতসৱে পালটি আসয়।
পতি পাবে বুলি ৰাণীৰেসে ধাতু নাই।।
নৃপতিৰ আজ্ঞা পাছে গদাৰ নিমিত্তে।
সিকাৰণে তান ভাৰ্য্যা এৰি আইলা তাতে।
সেহি বেলা ৰাজ-ৰাণী গাৰে নাহি তত।
কিজানি স্বামীও পৰে ইসৱৰ হাত।।
স্বামীক দণ্ডিবে বুলি শুনিছিলোঁ কাণে।
সেহি হেতু আসিছিলা আমাৰ ভৱনে।।
নপাইলা ইহাতে তাঙ্ক গৈলেক অন্তৰি।
যদি পন্থে পাৰে লাগ জোনো নিবে ধৰি।।
ইহেন শঙ্কটে কোনে কৰিবেক ত্ৰাণ।
কৃষ্ণ বিনে নেদেখোঁহো আমাৰ জীৱন।।
তুমি জগতৰ ঈশ তুমি জগজীৱ।
এহি আপদত ৰাখিয়োক সদাশিৱ।।"

ইয়াত আমি দেখা পালোঁ দ° ভূঞাই মূল বুৰঞ্জিখনৰ ১৪ শাৰীৰ ১৬ টা শব্দৰ বানান সমূলে সলাই পেলালে। যথা ঃ

জদি— যদি, জাঁও— যাও, দুত— দূত, আসই— আসয়, ৰানিৰেসে— ৰাণীৰেসে, সিকাৰনে— সিকাৰণে, ৰাজৰানি— ৰাজৰাণী, স্বামি— স্বামী, সুনিচিলোঁ— শুনিছিলোঁ, আসিচিলা— আসিছিলা, সংকটে— শংকটে, ত্ৰান—ত্ৰাণ, ইস— ঈশ, জগজিৱ— জগজীৱ, সদাসিব— সদাশিৱ।

এইবাৰ আমি বুৰঞ্জিখনৰ মাজভাগৰ আন কেইটামান শাৰী লওঁ ঃ

"সুনিয়ো পোসাৰি বাই আমাৰ বচন।
ইহাত আমাৰ থাকিবাৰ নাহি মন।।
স্বৰূপত কহো মই তোমাৰ আগত
জদি অন্য আগে কহ স্বামিৰ সপত।।১১১
গদাধৰ ঘৰিনি মোহোৰ হৰে বাই।
ভাগিনকো মাৰিলেক চাবুকে কোবাই
বহিনিকো সাস্তিকৈ কৈলা নথাকিলা বাংকি।
আজি মাৰিলেক মই চায়া থাকো কাকি।।১১২
এতেকে জানিবা বাই নথাকো ইহাত।
কানমাৰিগুটি দিচোঁ থৈয়োক চাঙ্গত।।
পুনৰপি আসি মই এহি ঠাই পাইবো।
ইতো কান মাৰিৰেসে পান আনি দিবো।।১১২
পিতৃৰ দাহন মোৰ কানমাৰিডালি।
যদি ভাল কৰি ৰাখ মোহোকেসে পালি।।
এহে বুলি কানমাৰি তাইৰ হাতে দিলা।
নিয়া ভাল মতে তাই চাঙেতুলি থৈল্যা।।১১৩"

এতিয়া এই ১৬ শাৰীৰ বিপৰীতে দ° ভূঞাই 'সম্পাদনা' কৰি সলনি কৰি পেলোৱা ১৬ শাৰী চাওক ঃ

"শুনিয়ো পোসাৰী বাই আমাৰ বচন।
ইহাতে আমাৰ থাকিবাৰ নাহি মন।।১১১
স্বৰূপত কহোঁ মই তোমাৰ আগত।
যদি অন্য আগে কহ স্বামীৰ শপত।।
গদাধৰ ঘৰিণী মোহোৰ হৰে বাই।
ভাগিনকো মাৰিলেক চাবুকে কোবাই।।১১২
বহিনীকো শাস্তি কৈলা নথাকিল বাঙ্কী।
আজি মাৰিলেক মই চায়া থাকোঁ কাকি।।
এতেকে জানিবা বাই নথাকোঁ ইহাত।
কান-মাৰিগুটি দিছোঁ থৈয়োক চাঙ্গত।।১১৩
পুনৰপি আসি মই এহি ঠাই পাইবোঁ।
ইটো কান-মাৰিৰেসে পাণ আনি দিবোঁ।।
পিতৃৰ দাহন মোৰ কান-মাৰিদালি।
যদি ভাল কৰি ৰাখ মোহোকেসে পালি।।১১৪
এহি বুলি কান-মাৰি তাইৰ হাতে দিলা।
নিয়া ভালমতে তাই চাঙ্গে তুলি থৈলা।।"

ইয়াত আমি দেখা পালো এই পৰিবৰ্তনসমূহ হ'ল ঃ সুনিয়ো— শুনিয়ো, পোসাৰি— পোসাৰী, স্বৰূপ—স্বৰূপ, স্বামি— স্বামী, সপত—শপত, ঘৰিনি — ঘৰিণী, বহিনি—বহিনী, সাস্তি— শাস্তি, বাংকি—বাংকী, দিচোঁ—দিছোঁ, পান— পাণ

এই ১৬ শাৰীতো আমি ১১ টাকৈ শব্দৰ বানান সলাই পেলোৱা দেখা পালোঁ। এইবাৰ একেবাৰে সামৰণিলৈ যাওঁ।

"দেখাদেখা কেনে ইটো প্ৰানিৰ বিলাই।
ধন বিসয়ৰ আসে কৰিলা অন্যায়।।
অধৰ্ম্ম কৰিয়া ইঠাৱাতে ক'ত কাল।
নৰহিবে মৰি সমুলঞ্চেওজাইবে তল।।১১৮৪
পৰকালে ধৰি ডণ্ড কৰিবে সমন।
হেনজানি লোকে নকৰিব অন্যমন।।
নকৰাহা হিংসা দ্বেস কৰা ভুতদায়া।
তেবেসে গুচিবে এহি সংসাৰৰ মায়া।।১১৮৫
কৰুনা কৰিবে হৰি মোৰ দাস বুলি।
ৰাম ৰাম বুলি বৈকুণ্ঠে জাইব চলি।।১১৮৬
এহি বুৰঞ্জি কলি ভাৰত শ্ৰী দুতিৰাম স্বৰ্নকাৰ হাজৰিকিয়া ডেকাৰসাতোলাৰৰচিত।
শ্ৰীকৃষ্ণ অপৰাধমৰুসনং
তোমাৰ দুখাৰি চৰন"

ইয়াৰ বিপৰীতে দ° ভূঞাৰ সম্পাদিত, পৰিবৰ্তিত বানানত আমি পাওঁ—

"দেখা দেখা কেনে ইটো প্ৰাণীৰ বিলাই।
ধন বিষয়ৰ আশে কৰিলা অন্যায়।।
অধৰ্ম্ম কৰিয়া ইঠাৱতে কত কাল।
নৰহিবে মৰি সমূলঞ্চে যাইবে তল।।১১৮৪
পৰকালে ধৰি দণ্ড কৰিবে শমন।
হেন জানি লোকে নকৰিবে অন্য মন।।
নকৰাহা হিংসা দ্বেষ কৰা ভূত দায়া।
তেবেসে গুচিবে এহি সংসাৰৰ মায়া।।১১৮৫
কৰুণা কৰিবে হৰি মোৰ দাস বুলি।
ৰাম ৰাম বুলি বৈকুণ্ঠে যাইবা চলি।।১১৮৬
এহি বুৰঞ্জি কলিভাৰত
শ্ৰীদুতিৰাম স্বৰ্ণকাৰ হাজৰিকীয়া ডেকাৰ সাতোলাৰ ৰচিত।
শ্ৰীকৃষ্ণ অপৰাধ মৰষণঃ।
তোমাৰ দুখানি চৰণং।।"

এই ১৪ টা শাৰীতো আমি এইবোৰ বানানৰ আমূল সলনি দেখিবলৈ পাওঁ ঃ

ইতো—ইটো, প্ৰানি—প্ৰাণী, বিসয়—বিষয়, জাই—যায়, সমন—শমন, দ্বেস—দ্বেষ, কৰুনা—কৰুণা, জাই—যায়, বুৰঞ্জি—বুৰঞ্জী, স্বৰ্নকাৰ—স্বৰ্ণকাৰ, হাজৰিকিয়া— হাজৰিকীয়া

ইয়াতো ১১টা শব্দৰ বানান সলোৱা হৈছে। অৰ্থাৎ **বুৰঞ্জিখনৰ প্ৰায় ৪৪০০ শাৰীত কমেও ৪০০০ শব্দৰ, আনকি বুৰঞ্জিখনৰ নামটো, আৰু বুৰঞ্জি লেখকজনৰ নামটোও সলাই পেলোৱা হৈছে আৰু এনেকৈয়ে বৃতিচৰ শাসনলৈকে চলি থকা অসমীয়া আখৰজোঁটনিৰ স্বাভাৱিক সৰলতাক সমাধিস্থ কৰা হৈছে।**

**কেৱল ৰজা-ৰাজনীতিৰে ইতিহাস নাথাকে। ভাষা-সাহিত্য-আখৰজোটনিৰো ইতিহাস থাকে। লেখকৰ বিনানুমতিত, মৰণোত্তৰভাৱে এনেকৈ বানানৰ পৰিবৰ্তন, তাকো সৰলতাৰ পৰা হেমকোষীয়, সংস্কৃতীয়া জটিলতা অভিমুখে, অনৈতিহাসিক, আৰু অন্যায়।**

*লেখক অসমীয়া জাতীয় অভিধান তথা জাতীয় ইতিহাসৰ মুখ্য সম্পাদক·*



চাবোন প্ৰস্তুতকৰণৰ ব্যৱসায়ৰ জৰিয়তে সহজে লাভ অৰ্জন কৰা সম্ভৱ। এই ব্যৱসায়ত, চাবোন যন্ত্ৰৰ সহায়ত তৈয়াৰ কৰা হয় আৰু বজাৰত বিক্ৰী কৰা হয়। বহুতে হাতেৰেও চাবোন তৈয়াৰ কৰে আৰু সেইবোৰ বজাৰত বিক্ৰী কৰে।

## মাহিলি ৫০ হেজাৰ টকাৰ লাভ!

## মোদী চৰকাৰে দিব ঋণ, ঘৰতে আৰম্ভ কৰিব পাৰে এই ব্যৱসায়

**চাবোন** প্ৰস্তুতকৰণৰ ব্যৱসায়টোক বৰ্তমানে এক অতি লাভজনক ব্যৱসায় হিচাপে গণ্য কৰিবলৈ লৈছে সকলোৱে। সমগ্ৰ দেশতে সকলো সময়তে চাবোনৰ চাহিদা থাকে। সেয়েহে, চাবোন প্ৰস্তুতকৰণৰ ব্যৱসায়ৰ জৰিয়তে সহজে লাভ অৰ্জন কৰা সম্ভৱ। এই ব্যৱসায়ত, চাবোন যন্ত্ৰৰ সহায়ত তৈয়াৰ কৰা হয় আৰু বজাৰত বিক্ৰী কৰা হয়। বহুতে হাতেৰেও চাবোন তৈয়াৰ কৰে আৰু সেইবোৰ বজাৰত বিক্ৰী কৰে। এই ব্যৱসায়ৰ আটাইতকৈ ডাঙৰ সুবিধাটো হ’ল, ব্যৱসায়টো নিজাববীয়াকৈ কেৱল এজন মানুহে নিজৰ ঘৰতে আটাইতকৈ সৰু স্তৰতো আৰম্ভ কৰিব পাৰে।

**ভাৰতত চাবোনৰ বজাৰৰ শ্ৰেণী**

চাবোনৰ বজাৰক ইয়াৰ ব্যৱহাৰৰ ওপৰত ভিত্তি কৰি বিভিন্ন শ্ৰেণীত বিভক্ত কৰিব পাৰি।

লণ্ড্ৰী চাবোন বা কাপোৰ ধোৱা চাবোন

সৌন্দৰ্যবৰ্ধক চাবোন

ঔষধযুক্ত চাবোন

পাকঘৰত ব্যৱহাৰ হোৱা বাচন ধোৱা চাবোন

সুগন্ধি যুক্ত চাবোন

**বজাৰৰ চাহিদাৰ ওপৰত ভিত্তি কৰি উপৰোক্ত শ্ৰেণীসমূহৰ পৰা যিকোনো ধৰণৰ চাবোনৰ ব্যৱসায় আৰম্ভ কৰিব পাৰি**

**মাত্ৰ চাৰি লাখ টকাৰ প্ৰাৰম্ভিক মূলধন**

সাম্প্ৰতিক সময়ত সৰু চহৰৰ পৰা ডাঙৰ চহৰলৈ, প্ৰান্তীয় গাঁও আদিলৈকে প্ৰায় সকলো ঠাইতে চাবোনৰ প্ৰচুৰ চাহিদা আছে। ফলস্বৰূপে চাবোন প্ৰস্তুতকৰণৰ ব্যৱসায় এক লাভজনক ব্যৱসায় হিচাপে পৰিগণিত হৈছে। চাবোন তৈয়াৰ কৰাৰ বাবে কাৰখানা এটা কম টকাতে খুলিব পাৰি। প্ৰাৰম্ভিক মূলধন হিচাপে চাৰি লাখ টকাৰো কম ধনৰাশি খটুৱালেই এনে এটা উদ্যোগৰ মালিক হ’ব পৰা যায়। এই ব্যৱসায়ৰ বাবে বৃহৎ সংখ্যক



কৰ্মচাৰীৰো প্ৰয়োজন নহয়। তাৰ উপৰি চাবোনৰ ব্যৱসায় আৰম্ভ কৰিবলৈ মোদী চৰকাৰৰ মুদ্ৰা আঁচনিৰ জৰিয়তে ঋণো প্ৰাপ্ত কৰিব পাৰি।

**উপাৰ্জনৰ পৰিমাণ**

কেন্দ্ৰীয় চৰকাৰৰ মুদ্ৰা আঁচনি প্ৰকল্পৰ প্ৰ’ফাইল অনুসৰি, এই ব্যৱসায় কৰি এবছৰত প্ৰায় চাৰি লাখ কিলোগ্ৰাম চাবোন উৎপাদন কৰিব পাৰি। যাৰ মুঠ মূল্য হ’ব প্ৰায় ৪৭ লাখ টকা। চাবোন তৈয়াৰ কৰা এই ব্যৱসায়টোত আন সকলো খৰচ বাদ দিলেও বছৰি প্ৰায় ছয় লাখ টকা লাভ কৰাৰ সম্ভাৱনা থাকে। অৰ্থাৎ চাবোন প্ৰস্তুত কৰি প্ৰতি মাহে প্ৰায় ৫০ হেজাৰ টকাৰ লাভ হোৱাৰ সম্ভাৱনা থাকে।

**যন্ত্ৰৰ ব্যয়**

চাবোন প্ৰস্তুতকৰণৰ ইউনিট স্থাপন কৰিবলৈ প্ৰায় ৭৫০ বৰ্গফুট ঠাইৰ প্ৰয়োজন। আনহাতে চাবোন তৈয়াৰ কৰিবলৈ প্ৰায় ৮ প্ৰকাৰৰ কেঁচামাল বা উপকৰণৰো প্ৰয়োজন হয়। কেন্দ্ৰীয় চৰকাৰৰ মুদ্ৰা আঁচনিৰ প্ৰতিবেদনত উল্লেখ থকা অনুসৰি, চাবোন প্ৰস্তুতকৰণৰ বাবে দৰকাৰ হোৱা যন্ত্ৰটোৰ মূল্য প্ৰায় এক লাখ টকা।

**বেংকৰ পৰা ঋণ**

চাবোন প্ৰস্তুতকৰণৰ বাবে ব্যৱসায়িক ইউনিট এটা স্থাপন কৰিবলৈ প্ৰায় ১৫,৩০,০০০ টকা ব্যয় হয়। ইয়াত অন্তৰ্ভুক্ত থাকে ইউনিটটো স্থাপন কৰাৰ বাবে স্থানৰ বন্দৱস্ত কৰা , যন্ত্ৰ ক্ৰয় কৰা আৰু তিনি মাহৰ বেংকিং কেপিটেল বা মূলধন। এই ১৫.৩০ লাখ টকাৰ ভিতৰত, মাত্ৰ ৩.৮২ লাখ টকাহে নিজৰ পৰা ব্যয় কৰিব লাগিব। বাকীখিনি টকা মুদ্ৰা আঁচনিৰ জৰিয়তে কেন্দ্ৰীয় চৰকাৰৰ সাহায্যত বেংকৰ পৰা ঋণ হিচাপে ল’ব পাৰি।

## পিএনবিৰ গ্ৰাহকে পাব বিনামূলীয়াকৈ আঠ লক্ষ টকা!

**যদি** আপুনি পঞ্জাৱ নেচনেল বেংক চমুকৈ পিএনবিৰ গ্ৰাহক হয় তেন্তে এই খবৰটো আপোনাৰ বাবে যথেষ্ট উপযোগী হ’ব পাৰে। পঞ্জাৱ নেচনেল বেংকৰ গ্ৰাহকে এতিয়াৰে পৰা টকাৰ প্ৰয়োজনৰ সময়ত সহজে আঠ লাখ টকা পৰ্যন্ত লাভ কৰাৰ সুবিধা পাব। পঞ্জাৱ নেচনেল বেংকৰ ‘ইনষ্টা লোন’ৰ জৰিয়তে এজন গ্ৰাহকে আঠ লাখ টকা পৰ্যন্ত ঋণ লাভ কৰিব পাৰিব।



**কি এই ইনষ্টা লোন?**

পঞ্জাৱ নেচনেল বেংকৰ ‘ইনষ্টা লোন’ হৈছে এক ধৰণৰ ব্যক্তিগত ঋণ আঁচনি যাৰ দ্বাৰা জৰুৰী সময়ত পিএনবিৰ গ্ৰাহকে তাৎক্ষণিকভাৱে মোটা অংকৰ ধনৰাশি লাভ কৰিব পাৰে। এই ব্যক্তিগত ঋণ ল’বলৈ হ’লে গ্ৰাহকে কেৱল ম’বাইল নম্বৰ আৰু আধাৰ নম্বৰ বেংকত জমা দিলেই হয় ।

**এই ঋণৰ চৰ্ত আৰু সুবিধাসমূহ**

এই ঋণ লাভ কৰিবলৈ হ’লে গ্ৰাহকজন কেন্দ্ৰীয় চৰকাৰ বা ৰাজ্য চৰকাৰৰ কৰ্মী বা পিএছইউৰ গ্ৰাহক হ’ব লাগিব।

এই ঋণৰ সুবিধা সকলো

**প্ৰয়োজন মাথোঁ ম’বাইল নম্বৰ আৰু আধাৰ নম্বৰ**

সময়তে উপলব্ধ।

ইয়াৰ অধীনত গ্ৰাহকে আঠ লাখ টকা পৰ্যন্ত ঋণ লাভ কৰিব পাৰিব।

এই ঋণৰ প্ৰচেছিং মাচুল শূন্য। পিএনবিয়ে শেহতীয়াকৈ এক টুইট কৰি কয় যে এতিয়াৰে পৰা পিএনবিৰ গ্ৰাহকৰ বাবে ব্যক্তিগত ঋণ লাভ কৰাটো খাদ্য অৰ্ডাৰ দিয়াৰ দৰেই সহজ কাম হৈ পৰিব। যদি কোনো গ্ৰাহকে কম সুতৰ হাৰত ব্যক্তিগত ঋণ ল’ব বিচাৰে তেন্তে তেওঁ পিএনবি ইনষ্টা লোন (PNB Intsa Loan) ৰ বাবে আবেদন কৰিব পাৰে। অধিক বিৱৰণৰ বাবে ইচ্ছুক গ্ৰাহকে https://instaloans.pnbindia.in/personal-loan/verify-customer# ত ক্লিক কৰি ৱেবছাইটটো চাব পাৰে।



সুদীৰ্ঘকাল ধৰি ভাৰতীয় অৰ্থনীতিত চলি অহা কৰ ব্যৱস্থাৰ সম্পূৰ্ণ গাঁথনি সলনি কৰি জিএছটি প্ৰৱৰ্তন কৰা হৈছে। জিএছটি ৰূপায়ণৰ পূৰ্বে কৰ গাঁথনিটো আছিল কে’বাবিধো ভিন্ন ধৰণৰ কৰ মিশ্ৰণ। ইয়াৰে কিছুমান চহৰ পৰ্যায়ত আৰোপ কৰা হৈছিল, যাৰ ফলত যথেষ্ট সমস্যাৰ সৃষ্টি হৈছিল আৰু কৰ ব্যৱস্থাটো দুৰ্নীতিৰ উৎস হৈ পৰিছিল।

## জিএছটি কৰ ব্যৱস্থা

**ভাৰতৰ** কৰ ব্যৱস্থাত সামগ্ৰী আৰু সেৱা কৰ (GST) আৰম্ভণিৰে পৰা এক বিতৰ্কিত বিষয় হিচাপে চৰ্চিত হৈ আহিছে। সুদীৰ্ঘকাল ধৰি ভাৰতীয় অৰ্থনীতিত চলি অহা কৰ ব্যৱস্থাৰ সম্পূৰ্ণ গাঁথনি সলনি কৰি জিএছটি প্ৰৱৰ্তন কৰা হৈছে। জিএছটি ৰূপায়ণৰ পূৰ্বে কৰ গাঁথনিটো আছিল কে’বাবিধো ভিন্ন ধৰণৰ কৰ মিশ্ৰণ। ইয়াৰে কিছুমান চহৰ পৰ্যায়ত আৰোপ কৰা হৈছিল, যাৰ ফলত যথেষ্ট সমস্যাৰ সৃষ্টি হৈছিল আৰু কৰ ব্যৱস্থাটো দুৰ্নীতিৰ উৎস হৈ পৰিছিল। পূৰ্বৰ কৰ গাঁথনিৰ গোটেই প্ৰক্ৰিয়াটো জটিল আছিল আৰু এনে জটিলতা বজাই ৰাখিবলৈ কেন্দ্ৰৰ বহুত খৰচো হৈছিল। শাসনাধিষ্ঠিত চৰকাৰখনে জিএছটিয়ে দেশৰ কৰ ব্যৱস্থাক অধিক স্বচ্ছ কৰা বুলি দাবী কৰি আহিছে। ভাৰতত জিএছ টিৰ হাৰ হৈছে এক গতিশীল হাৰ যি দেশখনৰ অৰ্থনৈতিক অৱস্থা অনুসৰি সময়ে সময়ে সলনি হয়। জিএছটিৰ গঠন সহজ আৰু পোনপটীয়া। জিএছটি ব্যৱস্থাত মুঠ পাঁচটা শ্লেব আছে, সেইবোৰ হৈছে— কৰমুক্ত শ্লেব, ৫ শতাংশ শ্লেব, ১২ শতাংশ শ্লেব, ১৮ শতাংশ শ্লেব আৰু ২৮ শতাংশ শ্লেব । এই শ্লেববোৰৰ বিষয়ে তলত বিতংভাৱে ব্যাখ্যা কৰা হ’ল—

**কৰমুক্ত শ্লেব ঃ** দেশৰ আৰ্থ-সামাজিক প্ৰয়োজন অনুসৰি জিএছটি কৰ ব্যৱস্থাৰ পৰা কিছুমান বস্তু ৰেহাই দিয়াৰ সিদ্ধান্ত লৈছে চৰকাৰে। গড় কৰদাতাৰ বাবে দৈনন্দিন জীৱনৰ নিত্য প্ৰয়োজনীয় সামগ্ৰী যেনে ফলমূল, শাক-পাচলি, ৰুটি, নিমখ, আটা, বাতৰি কাকত আদিক জিএছটিৰ পৰা ৰেহাই দিয়া হৈছে। সমান্তৰালভাৱে সেৱা খণ্ডৰ অধীনত যিবোৰ হোটেলৰ চাৰ্জ



প্ৰতিদিনে ১,০০০ টকাতকৈ কম, জমা একাউণ্ট আৰু জন ধন যোজনাৰ বেংক শুল্কতো জিএছটি ৰেহাই দিয়া হৈছে।

**পাঁচ শতাংশ শ্লেব ঃ** পাঁচ শতাংশ কৰ শ্লেবৰ পৰা আৰম্ভ হয় জিএছটি হাৰ। পাঁচ শতাংশ কৰ শ্লেবত স্কিমড্ মিল্ক পাউদাৰ, কফি, মাছ, কয়লা, গোবৰ, আয়ুৰ্বেদিক ঔষধ, ইনচুলিন, কাজু, ধূপকাঠি, ইথানল, জৈৱ ইন্ধন আদিৰ দৰে সামগ্ৰী অন্তৰ্ভুক্ত কৰা হৈছে। লগতে এই শ্লেবত সৰু ৰেষ্টুৰেণ্ট, ৰেলৰে আৰু বিমান ভ্ৰমণ, এচি ৰেষ্টুৰেণ্ট, নন-এচি ৰেষ্টুৰেণ্ট আৰু মদ পৰিৱেশন কৰা ৰেষ্টুৰেণ্টসমূহ অন্তৰ্ভুক্ত কৰা হৈছে।

**১২ শতাংশ জিএছটি শ্লেব ঃ** ফ্ৰ’জেন মাংসৰ সামগ্ৰী, মাখন, চচেজ, ঘিউ, আচাৰ, ফলৰ ৰস, টুথ পাউদাৰ, ইনষ্টেণ্ট ফুড মিক্স, ছাতি, ঔষধ, ম’বাইল ফোন, পেইন্টিঙৰ বাবে কাঠৰ ফ্ৰেম, লোহাৰ বাচন-বৰ্তন,ফটোগ্ৰাফ আদি ১২ শতাংশ জিএছটি শ্লেবত পৰে। লগতে বিজনেছ ক্লাছৰ বিমান টিকট আৰু ১০০ টকাৰ তলৰ চিনেমাৰ টিকটৰ ক্ষেত্ৰতো একেই জিএছটি হাৰ প্ৰযোজ্য।

**১৮ শতাংশ জিএছটি শ্লেব**

১৮ শতাংশ জিএছটি শ্লেবত পৰা বিভিন্ন সামগ্ৰীৰ ভিতৰত আছে চেনি, কৰ্ণফ্লেক, পাস্তা, পেষ্ট্ৰি আৰু কেক, ডিটাৰজেণ্ট, ধোৱা আৰু পৰিষ্কাৰ কৰা সামগ্ৰী, আইনা, কাঁচৰ বস্তু, পাম্প, লাইট ফিটিং, কম্প্ৰেছাৰ, ফেন, চকলেট, ট্ৰেক্টৰ, সংৰক্ষিত শাক-পাচলি, আইচক্ৰীম, টিভি আদি। মাৰ্বল আৰু গ্ৰেনাইট, ৰং, সুগন্ধি স্প্ৰে, চুলিৰ শ্বেভাৰ, লিথিয়াম-আয়ন বেটাৰী, কৃত্ৰিম ফল, চুলিৰ কাৰ্লাৰ, চুলি ড্ৰায়াৰ, মজিয়াৰ শিল, ভেকুৱাম ক্লিনাৰ, চেনিটেৰীৱেৰ, চামৰাৰ কাপোৰ, হাতঘড়ী, কুকাৰ, ষ্টোভ, কাটলেৰী, বাইনোকুলাৰ, চশমা আৰু কৃত্ৰিম ফুল আদিও এই শ্ৰেণীত অন্তৰ্ভুক্ত হৈ আছে। তদুপৰি ১৮ শতাংশ কৰ শ্লেব সেৱা খণ্ডৰ কিছুমান বিশেষ গোটৰ বাবেও প্ৰযোজ্য। ৭৫০০ টকাতকৈ অধিক মূল্য লোৱা হোটেলৰ ভিতৰত অৱস্থিত ৰেষ্টুৰেণ্ট, ১০০ টকাৰ ওপৰৰ চিনেমাৰ টিকট, আই টি আৰু টেলিকম সেৱাৰ লগতে ব্ৰেণ্ডেড কাপোৰ আদিক এই শ্লেবত অন্তৰ্ভুক্ত কৰা হৈছে।

**২৮ শতাংশ জিএছটি শ্লেব**

২৮ শতাংশ জিএছটি শ্লেবত অন্তৰ্ভুক্ত সামগ্ৰীবোৰৰ জিএছটি হাৰ সৰ্বাধিক। এই শ্লেব মূলতঃ বিলাসী সামগ্ৰীৰ বাবে সংৰক্ষিত। পান মছলা, ডিচৱাছাৰ, অইলিং মেচিন, পেইণ্ট, চিমেণ্ট, ছানস্ক্ৰীন আদিক এই শ্লেবত অন্তৰ্ভুক্ত কৰা হৈছে। চুলিৰ ক্লিপৰ লগতে অটোম’বাইল আৰু মটৰ চাইকেল আদিও এই শ্লেবৰ অংশ। পঞ্চ তাৰকা হোটেলৰ ক্ষেত্ৰতো ২৮ শতাংশ জিএছটি হাৰ প্ৰযোজ্য। হোটেলত থকাৰ বাবে প্ৰকৃত বিলিং পৰিমাণ ৭৫০০ টকাতকৈ অধিক, চিনেমাৰ টিকট, কেচিনো বেটিঙৰ লগতে ৰেচিং আদিও এই শ্লেবত অন্তৰ্ভুক্ত



কৰা হৈছে।

**জিএছটি সংশোধনী**

**৩৭ নম্বৰ জিএছটি পৰিষদে জিএছটি কৰ হাৰৰ কিছু সংশোধনী প্ৰকাশ কৰিছে আৰু সেইবোৰ তলত দিয়া ধৰণৰ**

যিবোৰ হোটেলৰ কোঠাৰ ভাড়া ১,০০০ টকাতকৈ কম হ’ব, সেইবোৰৰ ক্ষেত্ৰত জিএছটি প্ৰযোজ্য নহ’ব।

অৰ্ধসামৰিক বাহিনীৰ বাবে গ্ৰুপ বীমা আঁচনিত জিএছটি নাথাকিব।

ৰপ্তানি খণ্ডক উন্নীত কৰিবলৈ গহনা ৰপ্তানিৰ ক্ষেত্ৰত শূন্য জিএছটি প্ৰৱৰ্তন।

কটা আৰু পলিচ কৰা অৰ্ধমূল্যবান শিলৰ ওপৰত কৰ হাৰ তিনি শতাংশৰ পৰা ০.২৫ শতাংশলৈ হ্ৰাস ।

হীৰা খণ্ডত চাকৰি কৰাসকলৰ বাবে জিএছটিৰ হাৰ পূৰ্বৰ পাঁচ শতাংশৰ পৰা ১৫ শতাংশলৈ হ্ৰাস ।

অভিযান্ত্ৰিক উদ্যোগৰ বাবে যান্ত্ৰিক কামৰ ওপৰত জিএছটিৰ হাৰ ১৮ শতাংশৰ পৰা ১২ শতাংশলৈ হ্ৰাস।

পৰিৱেশ অনুকূল পৰিবহণক প্ৰসাৰিত কৰাৰ উদ্দেশ্যে বৈদ্যুতিক বাহনত জিএছটিৰ হাৰ ১২ শতাংশৰ পৰা পাঁচ শতাংশলৈ হ্ৰাস।

প্ৰসংগক্ৰমে উল্লেখ কৰিব পাৰি, ভাৰতত জিএছটি ব্যৱস্থা নতুন হোৱাৰ বাবে আৰু কৰ গাঁথনি নিৰ্ধাৰণ কৰাৰ সময়ত বহুতো কাৰক আহি পৰে বাবে এতিয়াও কৰৰ হাৰ নিৰ্ধাৰণৰ কাম চলিয়েই আছে। যিহেতু ভাৰত এতিয়াও এখন উন্নয়নশীল দেশ, গতিকে ২৮ শতাংশ জিএছটি শ্লেব অদ্যাপি বিতৰ্কৰ কাৰণ হৈয়েই আছে।

## বেংকৰ পৰা ধন উলিওৱা বা জমা কৰাৰ ক্ষেত্ৰত নতুন প্ৰতিবন্ধকতা, আয়কৰ আইনৰ পৰিৱৰ্তন

**বেংকৰ** পৰা স্বেচ্ছাই ধন উলিওৱা বা জমা কৰাৰ ক্ষেত্ৰত নতুন নিষেধাজ্ঞা জাৰি কৰা হৈছে। সকলো কৰদাতাই সময়মতে কৰ আদায় দিছে নে নাই সেয়া নিৰীক্ষণৰ বাবে বিগত সময়ছোৱাত চিবিডিটিয়ে কে’বাটাও নিয়ম প্ৰৱৰ্তন কৰিছিল। এইবাৰ পুনৰ তেনে এক নতুন নিয়ম জাৰি কৰিছে চেণ্ট্ৰেল ব’ৰ্ড অৱ ডাইৰেক্ট টেক্সেছ চমুকৈ চিবিডিটিয়ে। নতুন নিয়ম অনুসৰি, এতিয়াৰে পৰা এজন ব্যক্তিয়ে গোটেই বছৰটোত তেওঁৰ সকলো একাউণ্টত ২০ লাখ টকা জমা কৰিব বিচাৰিলে পেন দাখিল কৰাটো বাধ্যতামূলক হ’ব। একেদৰে ধন উলিওৱাৰ ক্ষেত্ৰতো পেনৰ কথা উল্লেখ কৰাটো প্ৰয়োজনীয় হ’ব। কেন্দ্ৰীয় প্ৰত্যক্ষ কৰ পৰিষদে চলিত মাহৰ পৰা সকলো বেংকক এই নতুন নিয়ম কাৰ্যকৰী কৰিবলৈ নিৰ্দেশ দিছে। বিভিন্ন বেংকে লাভ কৰা নিৰ্দেশনা মতে অহা ২৬ মে’ৰ পৰা কাৰ্যকৰী হ’ব এই নিয়ম। উল্লেখ্য যে ইমানদিনে বেংক একাউণ্টত দুই লাখ বা তাতোকৈ অধিক টকা জমা কৰা বা উলিওৱাৰ ক্ষেত্ৰতহে পান বাধ্যতামূলক আছিল । দুই লাখ টকাৰ তলৰ লেনদেনৰ ক্ষেত্ৰত কোনো কঠোৰ নিয়ম নাছিল। ফলস্বৰূপে বহু গ্ৰাহকে বাৰে বাৰে সৰু সৰু লেনদেন কৰিছিল। মনকৰিবলগীয়া, কেৱল চৰকাৰী নহয়, ব্যক্তিগত আৰু সমবায় বেংকৰ লগতে ডাকঘৰৰ ক্ষেত্ৰতো এই নিয়ম প্ৰযোজ্য হ’ব।





## ফিক্সড্ ডিপ’জিটৰ সুতৰ হাৰ বৃদ্ধি কৰিলে ভাৰতীয় ষ্টেট বেংকে

**দেশৰ** সৰ্ববৃহৎ বেংকিং প্ৰতিষ্ঠান ভাৰতীয় ষ্টেট বেংকৰ গ্ৰাহকৰ বাবে এটা ভাল খবৰ। যদি কাৰোবাৰ এছবিআইত ফিক্সড্ ডিপ’জিট একাউণ্ট আছে তেন্তে তেওঁ এতিয়াৰে পৰা পূৰ্বৰ তুলনাত লাভ কৰিব অধিক সুত অৰ্জনৰ সুবিধা। কিয়নো এছবিআয়ে শেহতীয়াকৈ ফিক্সড্ ডিপ’জিটৰ সুতৰ হাৰ বৃদ্ধিৰ কথা ঘোষণা কৰিছে। বেংকটোৰ ৱেবছাইটত উল্লেখ কৰা অনুসৰি দুই কোটি বা ততোধিক টকা জমা থকা একাউন্টসমূহৰ ক্ষেত্ৰত এই বৰ্ধিত সুতৰ হাৰ প্ৰযোজ্য হ’ব। ৱেবছাইটৰ তথ্য অনুসৰি, হ্ৰস্বম্যাদী (৭-৪৫ দিন) একাউন্টৰ ফিক্সড্ ডিপ’জিটৰ সুতৰ হাৰ বৃদ্ধি কৰা হোৱা নাই। ৪৮ দিনৰ পৰা ১৪৯ দিনৰ ভিতৰত ম্যাদ পূৰ্ণ হোৱা ফিক্সড্ ডিপ’জিট একাউন্টৰহে সুতৰ হাৰ ৫০ বেছিছ পইণ্ট অৰ্থাৎ ০.৫০ শতাংশকৈ বৃদ্ধি কৰা হৈছে। আনহাতে, এবছৰতকৈ অধিক আৰু দুবছৰৰ কম ম্যাদৰ একাউন্টৰ ক্ষেত্ৰত সুতৰ হাৰ ৪০ বেছিছ পইণ্টকৈ বৃদ্ধি কৰা হৈছে।

**৫ৰ পৰা ১০ বছৰীয়া ম্যাদৰ একাউন্টৰ জমা ধনৰ ওপৰত সৰ্বাধিক সুত প্ৰদান কৰিছে সম্প্ৰতি বেংকটোৱে**

দুবছৰতকৈ অধিক কিন্তু তিনি বছৰৰ কম সময়ৰ বাবে জমা কৰা ধনৰ ক্ষেত্ৰত সুতৰ হাৰ ৬৫ বেছিছ পইণ্ট বৃদ্ধি কৰা হৈছে। তিনিৰ পৰা পাঁচ বছৰ আৰু পাঁচৰ পৰা ১০ বছৰ ম্যাদৰ এফ ডি একাউন্টৰ ক্ষেত্ৰত জমা ধনৰ ওপৰত সুতৰ হাৰ ৪.৫ শতাংশলৈ বৃদ্ধি কৰা হৈছে।

**ৰেপ’ ৰেট বৃদ্ধি কৰাৰ পাছতে এই সিদ্ধান্ত গ্ৰহণ**

শেহতীয়াকৈ আৰবিআয়ে দেশত মুদ্ৰাস্ফীতি ৰোধ কৰিবলৈ ৰেপ’ ৰেট ৪০ বেছিছ পইণ্ট বৃদ্ধি কৰিছে। যোৱা সপ্তাহত আৰবিআইৰ গভৰ্ণৰ শক্তিকান্ত দাসে ৰেপ’ ৰেট চাৰিৰ পৰা ৪.৪০ শতাংশলৈ বৃদ্ধি কৰাৰ কথা ঘোষণা কৰিছিল। তেতিয়াৰে পৰা আন বহুকেইটা বেংকে সুতৰ হাৰ বৃদ্ধি কৰিছে। এছবিআইৰ এই নতুন সুতৰ হাৰত নতুন জমাকাৰীসকলে বিশেষ সুবিধা লাভ কৰিব । আনহাতে, পৰিপক্ক হ’বলগীয়া এফডিৰ পুনৰ পঞ্জীয়নৰ ক্ষেত্ৰতো নতুন সুতৰ হাৰ প্ৰযোজ্য হ’ব। সকলো ক্ষেত্ৰতে জ্যেষ্ঠ নাগৰিকে সাধাৰণ গ্ৰাহকৰ তুলনাত ৫০ বেছিছ পইণ্টকৈ অধিক সুত পাব। অৰ্থাৎ সাধাৰণ একাউন্টৰ ক্ষেত্ৰত যদি ৮-১০ বছৰৰ বাবে সুতৰ হাৰ ৩ শতাংশ আৰু ৫.৫ শতাংশ হয়, তেন্তে জ্যেষ্ঠ নাগৰিকে ৫.৫ শতাংশকৈ সুত পাব।

## মাত্ৰ এক লাখ টকাৰে আৰম্ভ কৰক এই উদ্যোগ

## প্ৰতি মাহে ৪০ হেজাৰ টকাতকৈও অধিক হ’ব লাভ!

প্ৰায় প্ৰতি মাহৰ মূৰে মূৰে এতিয়া নিত্য প্ৰয়োজনীয় সামগ্ৰীৰ মূল্যবৃদ্ধি পাইছে। ইয়াৰ ফলত স্বাভাৱিকতে সাধাৰণ মানুহৰ দুৰ্দশা হৈছে। অলপীয়া উপাৰ্জনেৰে বাজেট মিলাব নোৱাৰি এনে পৰিস্থিতিত বহুলোকে নতুন ব্যৱসায় আৰম্ভ কৰাৰ পৰিকল্পনা কৰিছে। পিছে সমস্যাটো হৈছে কম প্ৰাৰম্ভিক মূলধনেৰে কম সময়তে থিতাপি লগাব পৰা ব্যৱসায় বিচাৰি উলিয়াওতেহে। কৰ’না আৰু তলাবন্ধত আৰ্থিক স্বচ্ছলতা হেৰুৱাই পেলোৱা বহুলোকৰ এতিয়া নতুন ব্যৱসায় কৰো বুলিলেও মূলধনৰ অভাৱ। এনেস্থলত কেন্দ্ৰীয় চৰকাৰৰ মুদ্ৰা আঁচনিৰ অধীনত কেনেদৰে লাভজনক ব্যৱসায় কৰিব পাৰি সেই বিষয়ে স্বয়ং কেন্দ্ৰই মুকলি কৰা প্ৰকল্প প্ৰতিবেদন পঢ়িলে উপকৃত হ’ব পাৰিব এই ধৰণৰ ব্যৱসায় কৰাৰ বাবে আগ্ৰহীসকলে। চৰকাৰৰ দ্বাৰা প্ৰকাশিত এই প্ৰকল্প প্ৰতিবেদনত লাভজনক ব্যৱসায় হিচাপে স্বীকৃতি দিয়া হৈছে বেকাৰী উদ্যোগক।

**বেকাৰী উদ্যোগৰ দ্বাৰা স্বনিৰ্ভৰশীলতা**

এই ব্যৱসায় মাত্ৰ এক লাখ টকাৰে আৰম্ভ কৰিব পাৰি আৰু ইয়াৰ পৰা প্ৰতি মাহে ৪০ হেজাৰ টকাতকৈও অধিক লাভ আদায় কৰিব পৰা যায়। যদি কোনোবাই মুদ্ৰা আঁচনিৰ অধীনত এই ব্যৱসায় আৰম্ভ কৰে তেন্তে নামমাত্ৰ মূলধন বিনিয়োগ কৰিব লাগিব। বিস্কুট হৈছে এনে এক সামগ্ৰী যাৰ সকলো সময়তে বজাৰত চাহিদা থাকে। বিস্কুটৰ লগতে বজাৰত কেক, পেষ্ট্ৰি,পাউৰুটী আদিৰো চাহিদা প্ৰচুৰ। এই ধৰণৰ খাদ্য সামগ্ৰী প্ৰস্তুত কৰা গোট স্থাপন কৰিও বৃহৎ পৰিমাণৰ উপাৰ্জন কৰিব পাৰে ইচ্ছুক ব্যৱসায়ীয়ে। বেকাৰী উদ্যোগ এটা খুলিবলৈ বিচাৰিলে আজিৰ তাৰিখত মোদী চৰকাৰৰ পৰা অৰ্থ সাহায্য লাভ কৰিব পাৰে এজন ব্যক্তিয়ে। মুদ্ৰা আঁচনিৰ নিয়ম অনুসৰি, এই ব্যৱসায় আৰম্ভ কৰাৰ বাবে প্ৰয়োজন হোৱা মুঠ ব্যয়ৰ ৮০ শতাংশলৈকে কেন্দ্ৰীয় চৰকাৰে প্ৰদান কৰে। এই ব্যৱসায় কৰিবলৈ চৰ্ত মাথোঁ এটাই। সেইটো হৈছে— উদ্যোগটো গঢ়িবলৈ প্ৰয়োজন হোৱা ভূমিৰ ব্যৱস্থা নিজেই কৰিব লাগিব ব্যৱসায়ীয়ে। নিজা ভূমি নাথাকিলে ভাড়া কোঠালী লৈ হ’লেও প্ৰকল্পৰ ফাইলত সেই বিষয়ে উল্লেখ কৰিব লাগিব ।



**ম্যাদী ঋণ আৰু কাৰ্যকৰী মূলধন ঋণ পাব**

চৰকাৰী হিচাপ মতে, এই ধৰণৰ উদ্যোগ এটা স্থাপন কৰোতে গোটেই প্ৰকল্পটোৰ মুঠ ব্যয় হয় প্ৰায় ৫.৩৬ লাখ টকা। ইয়াৰ ভিতৰত ব্যৱসায়ীজনে কেৱল এক লাখ টকাহে নিজৰ পৰা বিনিয়োগ কৰিব লাগিব। বাকীখিনি খৰচ চৰকাৰে বহন কৰিব । অৱশ্যে ইয়াৰ বাবে ব্যক্তিজন মুদ্ৰা আঁচনিৰ নিয়ম অনুসৰি বাছনি কৰা হ’ব লাগিব; তেহে ২.৮৭ লাখ টকাৰ ম্যাদী ঋণ আৰু ১.৪৯ লাখ টকাৰ কাৰ্যকৰী মূলধন ঋণ পাব কেন্দ্ৰৰ পৰা। এই ব্যৱসায় কৰাৰ বাবে আবেদনকাৰী ব্যক্তিৰ নিজাকৈ কমেও ৫০০ বৰ্গ ফুট ভূমি থাকিব লাগিব। অন্যথা ভাড়াৰ খৰচ নিজেই বহন কৰিব লাগিব ব্যৱসায়ীজনে।

**লাভৰ পৰিমাণ**

চৰকাৰে প্ৰস্তুত কৰা প্ৰকল্প প্ৰতিবেদনত উল্লেখ কৰা মতে, গোটেই বৰ্ষৰ বাবে এই ব্যৱসায়ত উৎপাদন ব্যয় যদি প্ৰায় ৪.২৬ লাখ টকা হয় তেন্তে উক্ত মূল্যত উৎপাদিত বিস্কুট, পাউৰুটী আদি বিক্ৰী কৰি বছৰটোত প্ৰায় ২০.৩৮ লাখ টকা উপাৰ্জন কৰিব পৰা যায়। এবছৰত এই ধৰণৰ উদ্যোগৰ আনুমানিক মুঠ অপাৰেটিং লাভ ৬.১২ লাখ টকাৰ আশে-পাশে থাকে। অৱশ্যে,উদ্যোগটোৰ পৰিচালনা, বিক্ৰী সামগ্ৰীৰ পৰিবহণ ব্যয় আৰু অন্যান্য কামত প্ৰায় ১,৯০,০০০টকা অতিৰিক্তকৈ ব্যয় হয়। গতিকে এবছৰত মুঠ লাভ প্ৰায় ৪.২ লাখ টকা বুলি ধৰিব পাৰি।

**আবেদনৰ প্ৰক্ৰিয়া ঃ**

প্ৰধানমন্ত্ৰী মুদ্ৰা যোজনাৰ অধীনত যিকোনো বেংকত আবেদন কৰিব পাৰে। ইয়াৰ বাবে প্ৰথমে এখন প্ৰ-পত্ৰ পূৰণ কৰিব লাগিব। এই প্ৰ-পত্ৰত নাম, ঠিকনা, ব্যৱসায়, শিক্ষা, বৰ্তমানৰ উপাৰ্জনকে ধৰি কে’বাটাও গুৰুত্বপূৰ্ণ তথ্য দিব লাগিব। ইয়াৰ বাবে কোনো প্ৰচেছিং মাচুল বা গেৰাণ্টি মাচুল পৰিশোধ কৰাৰো প্ৰয়োজন নহ’ব। ঋণৰ ধন পাঁচ বছৰৰ ভিতৰত ঘূৰাই দিব লাগিব।

## জ্যেষ্ঠ নাগৰিকক সঁকাহ দিব এই চৰকাৰী আঁচনিয়ে

**সমাজৰ** আন শ্ৰেণীৰ উপভোক্তা বা বিনিয়োগকাৰীৰ তুলনাত প্ৰবীণ নাগৰিকসকলে নিশ্চিত আৰু সুৰক্ষিত আয়ৰ ওপৰত সৰ্বাধিক গুৰুত্ব দিয়ে। অৱসৰৰ পাছৰছোৱা সময়ত সাধাৰণতে প্ৰতিজন ব্যক্তিৰ উপাৰ্জনৰ পৰিমাণ হ্ৰাস পায় অথবা আৰ্থিক অৱস্থাৰ অৱনতি ঘটে। কৰ্মজীৱনৰ পৰা অব্যাহতি লোৱাৰ পাছত সেয়ে ক্ষুদ্ৰ সঞ্চয় আঁচনিসমূহেই প্ৰবীণ নাগৰিকসকলৰ বাবে নিয়মীয়া আয়ৰ সৰ্বোৎকৃষ্ট ভৰসা বুলি বিবেচিত হৈ আহিছে। কিন্তু বিগত কিছুদিন ধৰি বেংকৰ ফিক্সড্ ডিপ’জিট আঁচনিসমূহত সুতৰ অনিশ্চয়তাই দেখা দিছে। শেহতীয়াকৈ আৰবিআইৰ ৰেপো ৰেট বৃদ্ধিৰ পাছত এছবিআইকে ধৰি দুই এক শীৰ্ষস্থানীয় বেংকে এফডিৰ সুতৰ হাৰ বৃদ্ধি কৰিছে যদিও কিমান দিনলৈ গ্ৰাহকসকলে এই বৰ্ধিত সুতৰ সুবিধা পাই থাকিব সেয়া নিশ্চিত নহয়। গতিকে ফিক্সড্ ডিপ’জিটৰ বাদে জীৱনৰ বিয়লি বেলাত প্ৰবীণ নাগৰিকসকলক কোনটো আঁচনিয়েনো প্ৰকৃতাৰ্থত সঁকাহ দিব পাৰে সেই বিষয়ে জানো আহকচোন—



**ছিনিয়ৰ চিটিজেন ছেভিংছ স্কীম**

কেন্দ্ৰীয় চৰকাৰৰ ছিনিয়ৰ চিটিজেন ছেভিংছ স্কীম নামৰ ক্ষুদ্ৰ সঞ্চয় আঁচনিখনে বিশেষভাৱে সহায় কৰিছে এইসকল উপভোক্তাক। ছিনিয়ৰ চিটিজেন ছেভিংছ স্কীম (এছচিএছএছ) নামৰ এই আঁচনি ধন জমা কৰাৰ বাবে আগতে ডাকঘৰেই একমাত্ৰ অৱলম্বন আছিল যদিও এতিয়া তেনে একো ধৰা বন্ধা নাই। প্ৰথমে ভাৰতীয় ষ্টেট বেংকৰ দৰে ৰাষ্ট্ৰায়ত্ত বেংক আৰু ২০১৭ৰ অক্টোবৰৰ পৰা বেচৰকাৰী বেংকসমূহকো ক্ষুদ্ৰ সঞ্চয় প্ৰকল্প বিক্ৰীৰ অনুমতি দিছে কেন্দ্ৰীয় চৰকাৰে। সাধাৰণতে ৬০ বছৰৰ ঊৰ্দ্ধৰ যিকোনো ব্যক্তিয়ে এই আঁচনিৰ আওতাত একাউন্ট খুলিব পাৰে যদিও এই নিয়মত আছে কেতবোৰ ৰেহাই। বিশেষ চৰ্তসাপেক্ষে ৬০ বছৰৰ কম বয়সৰ লোকেও এই ধৰণৰ একাউন্ট খুলিব পাৰে। ছিনিয়ৰ চিটিজেন ছেভিংছ স্কীমৰ ম্যাদ হৈছে পাঁচ বছৰ। অৱশ্যে উপভোক্তাই বিচাৰিলে এই ম্যাদ বৃদ্ধি কৰাৰো সুবিধা ৰাখিছে চৰকাৰে। আনহাতে এই আঁচনিত আছে আয়কৰ ৰাহি কৰাৰো সুবিধা। বেংকৰ সাধাৰণ জমাৰ তুলনাত এই এছচিএছএছ আঁচনিৰ সুবিধা হ’ল, প্ৰাথমিক বিনিয়োগৰ ওপৰত ইয়াত আয়কৰ আইনৰ ৮০ চি ধাৰাৰ অধীনত কৰ ৰেহাইৰ সুযোগ আছে। ২০০৪তে আৰম্ভ হোৱা এই আঁচনিত বৰ্তমানে ৭.৪ শতাংশ হাৰত সুত আগবঢ়াই থকা হৈছে। দেশৰ বহু আগশাৰীৰ বেংকৰ এফ ডিৰ তুলনাত কেন্দ্ৰৰ এই বিশেষ আঁচনিৰ সুতৰ হাৰ যথেষ্ট ভাল। অৱশ্যে আঁচনিখনৰ কেতবোৰ অসুবিধা বা সীমাবদ্ধতাও আছে। যেনে—ইয়াৰ আওতাত এজন ব্যক্তিয়ে সৰ্বোচ্চ ১৫ লক্ষ টকাহে বিনিয়োগ কৰিব পাৰে। উল্লেখ্য যে সাধাৰণ অৱসৰপ্ৰাপ্ত চাকৰিয়ালৰ লগতে ৫০ বছৰৰ বেছি আৰু ৬০ বছৰৰ কম বয়সৰ অৱসৰপ্ৰাপ্ত সেনা জোৱানসকলেও এই আঁচনিত বিনিয়োগ কৰিব পাৰে। তাৰ বাবে অৱসৰ লাভৰ এমাহৰ ভিতৰতে একাউন্ট খুলিব লাগিব। চৰকাৰী, ৰাষ্ট্ৰায়ত্ত বা বেচৰকাৰী- যিকোনো সংস্থাৰ অৱসৰপ্ৰাপ্ত কৰ্মীয়ে অনুৰূপ সুযোগ পাব। এই সময় যদি পাৰ হৈ যায় তেন্তে সাধাৰণ নিয়ম অনুসৰি ৬০ বছৰৰ বেছি বয়স পৰ্যন্ত অপেক্ষা কৰিব লাগিব। ছিনিয়ৰ চিটিজেন ছেভিংছ স্কীমত সুত প্ৰতি তিনি মাহৰ অন্তৰে অন্তৰে পাব পাৰি। প্ৰাপ্ত সুত নুলিয়ালে তাৰ উপৰঞ্চি কোনো অতিৰিক্ত সুত নাপায় উপভোক্তাই।

## নগাঁৱত ড্ৰাগছ সৰবৰাহকাৰী গ্ৰেপ্তাৰ

**বিশেষ সংবাদদাতা**

**নগাঁও, ১৪ মে’ ঃ** কালি সন্ধিয়া নগাঁও চহৰৰ হয়বৰগাঁও আৰক্ষী চকীৰ আৰক্ষীয়ে চহৰখনৰ তেলিয়াপট্টিত অভিযান চলাই এজন ড্ৰাগছ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে। ধৃত ড্ৰাগছ সৰবৰাহকাৰীজনৰ নাম বিকি সূত্ৰধৰ। তেওঁৰ হাতৰ পৰা আৰক্ষীয়ে হেৰ’ইন ভৰ্তি ২৯ টা কন্টেইনাৰ জব্দ কৰে। সম্প্ৰতি ধৃত ড্ৰাগছ সৰবৰাহকাৰীজনক আৰক্ষীয়ে জেৰা অব্যাহত ৰাখিছে।

## বানে উটুৱাই নিলে নগৰবেৰা-মাজৰচৰ সংযোগী দলং

**ব্যাহত যাতায়াত ব্যৱস্থা**

**আলোপতি, ১৪ মে’ ঃ** যোৱা কে’বাদিন ধৰি হোৱা প্ৰৱল বৰষুণত ব্যাপক ভাৱে বৃদ্ধি পাইছে ব্ৰহ্মপুত্ৰ আৰু জলজলী নদীৰ জলস্তৰ। জলজলী নদীৰ বাঢ়নি পানীয়ে আজি চকুৰ সন্মুখতে উটুৱাই নিলে সাত লাখ টকীয়া বাঁহৰ দলং এখন। আভ্যন্তৰীণ জল পৰিবহণ বিভাগৰ নগৰবেৰা-মাজৰচৰ সংযোগী পথত থকা বৃহৎ দলঙখন আজি পুৰাই উটুৱাই নিয়ে বাঢ়নি পানীৰ প্ৰৱল সোঁতে। দলঙখন উটুৱাই নিয়াত ব্যাহত যাতায়াত ব্যৱস্থা। আভ্যন্তৰীণ জল পৰিবহণ বিভাগৰ পাৰঘাটৰ কৰ্মচাৰীসকলে কোনোমতে যাত্ৰী পাৰাপাৰ হোৱাৰ ব্যৱস্থা কৰিলেও যথেষ্ট বিপজ্জনক হৈ পৰিছে যাতায়াত। দক্ষিণ বৰপেটাৰ পৰা কামৰূপ জিলাৰ নগৰবেৰা সংযোগী পথত থকা বাঁহৰ বৃহৎ দলঙখন উটুৱাই নিয়াত সমস্যাৰ সন্মুখীন হৈছে অঞ্চলটোৰ ৰাইজ। দক্ষিণ বৰপেটাৰ বাঘবৰ আৰু চেঙা সমষ্টিৰ বৃহৎ সংখ্যকলোক দৈনিক বিভিন্ন কামৰ বাবে নগৰবেৰালৈ আহিব লগীয়া হয় যদিও বানে দলঙখন উটুৱাই নিয়াত সমস্যাৰ সন্মুখীন হৈছে। বিশেষকৈ কৃষিজাত সামগ্ৰী নগৰবেৰা বজাৰলৈ বিক্ৰীৰ বাবে আনিব নোৱাৰা পৰিস্থিতিৰ সৃষ্টি হৈছে। অসুবিধাৰ সন্মুখীন হৈছে বিদ্যালয়-মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ লগতে চিকিৎসাৰ বাবে অহা ৰোগীসকল।



## প্ৰতিকূল বতৰৰ বাবে পিছুৱালে বিহু মণ্ডপত একাঁঠু পানী

**বিশেষ সংবাদদাতা**

**ডিব্ৰুগড়, ১৪ মে’ ঃ** ব’হাগৰ অন্তিমটো সপ্তাহ তথা শেষ হ’বলৈ আৰু মাথোঁ দুটা দিন। এতিয়াও বিভিন্ন প্ৰান্তত ব’হাগী বিহু সন্মিলনৰ উৎসাহ অব্যাহত আছে। শেহতীয়াকৈ প্ৰৱল বৰষুণৰ বাবে বহু বিহু কমিটীয়ে বিহু উদ্‌যাপনৰ বাবে বিমোৰত পৰিব লগা হৈছে। ডিব্ৰুগড় মানকটা পূৱেৰুণ সংঘৰ সৌজন্যত কছাৰীবাৰীত আয়োজিত ৪৩ সংখ্যক কছাৰীবাৰী ৰঙালী বিহু সন্মিলন কালিৰে পৰা দুদিনীয়াকৈ অনুষ্ঠিত কৰিছিল যদিও বিহু উদযাপনৰ ক্ষেত্ৰত প্ৰতিকূল বতৰে দিলে বিধি- পথালি। পেণ্ডেলৰ ভিতৰত একাঁঠু পৰ্যন্ত পানী হোৱাৰ পৰিপ্ৰেক্ষিতত উদ্যোক্তাসকলে ১৫ আৰু ১৬ মে’লৈ বিহু পিছুৱাই দিব লগা পৰিস্থিতি সৃষ্টি হয়। উদ্যোক্তা সমিতিৰ সভাপতি দুলাল বড়াই বিহু প্ৰেমীসকলৰ অসুবিধাৰ প্ৰতি লক্ষ্য ৰাখি সকলোকে সহযোগিতা আগবঢ়াবলৈ অনুৰোধ জনোৱাৰ লগতে পৰৱৰ্তী দুয়োটা দিনতে সকলোৰে উপস্থিত কামনা কৰিছে।

## তিনিচুকীয়াত অসম বিধানসভাৰ ৰাজহুৱা হিচাপ পৰীক্ষণ সমিতিৰ পৰ্যালোচনা সভা

**অগ্ৰদূত বাৰ্তা**

**তিনিচুকীয়া, ১৪ মে’ ঃ** অসম বিধানসভাৰ ৰাজহুৱা হিচাপ পৰীক্ষণ সমিতিয়ে কালি তিনিচুকীয়া জিলা উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত জিলাখনৰ গুৰুত্বপূৰ্ণ উন্নয়নী বিভাগৰ স’তে এখন পৰ্যালোচনা সভাত মিলিত হয়। পৰ্যালোচনা সভাত সমিতিখনে বিভাগসমূহৰ অধীনত জিলাখনত ৰূপায়ণ হৈ থকা আঁচনিসমূহৰ অগ্ৰগতিৰ বুজ লয়। উল্লেখ্য যে বৃহস্পতিবাৰে দুদিনীয়া কাৰ্যসূচীৰে তিনিচুকীয়া জিলাত উপস্থিত হোৱা সমিতিখনে তিনিচুকীয়া জিলাত জলসম্পদ, লোকনিৰ্মাণ পথ, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, সমাজ কল্যাণ, জনস্বাস্থ্য কাৰিকৰী আদি বিভিন্ন বিভাগৰ দ্বাৰা ৰূপায়ণ হৈ থকা আঁচনিসমূহ পৰিদৰ্শন কৰে। পৰ্যালোচনা সভাত অসম বিধানসভাৰ ৰাজহুৱা হিচাপ পৰীক্ষণ সমিতিখনে জিলাখনত ৰূপায়ণ হৈ থকা আঁচনিসমূহৰ অগ্ৰগতিত সন্তুষ্টি প্ৰকাশ কৰাৰ লগতে প্ৰতিটো বিভাগকে নিষ্ঠাসহকাৰে কামৰ মানৰ স’তে কোনো আপোচ নকৰাকৈ আঁচনিসমূহৰ কাম ৰূপায়ণ কৰিবলৈ আহ্বান জনায়। পৰ্যালোচনা সভাত অসম বিধানসভাৰ ৰাজহুৱা হিচাপ পৰীক্ষণ সমিতিৰ সভাপতি বিধায়ক ৰাজিদ আলী চৌধুৰী তথা সমিতিৰ সদস্যসকল ক্ৰমান্বয়ে বিধায়ক বসন্ত দাস, বিধায়ক উৎপল বৰা, বিধায়ক মানৱ ডেকা, বিধায়ক চক্ৰধৰ গগৈ, বিধায়ক ভৰেন্দ্ৰ নাথ ভৰালী, বিধায়ক হাফিজ ৰচিৰ আহমেদ, বিধায়ক কমলাক্ষ্য দে পুৰকায়স্থ, বিধায়ক কৰিম উদ্দিন বাৰভূঞা সমন্বিতে ডিগবৈ সমষ্টিৰ বিধায়ক সুৰেন ফুকন, অতিৰিক্ত সচিব মুনিন্দ্ৰ শৰ্মা, জিলা উপায়ুক্ত নৰসিং পৱাৰ, জিলা উন্নয়ন আয়ুক্ত নয়নজ্যোতি ভাগৱতী, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া মুনিন্দ্ৰ বৰদলৈ, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ যুটীয়া সচিব গুৰনেইল সিং প্ৰমুখ্যে জিলাখনৰ বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াসকল উপস্থিত থাকে।

## শিশু ভাৰতী স্কুলৰ প্ৰতিষ্ঠা দিৱসৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**

**বৰুৱাবামুণগাঁও, ১৪ মে’ ঃ** ১৯৭৭তে প্ৰতিষ্ঠিত গোলাঘাট জিলাৰ বৃহত্তৰ দেৰগাঁৱৰ অন্যতম ইংৰাজী শিক্ষাৰ বিদ্যালয় ‘শিশু ভাৰতী ইংলিছ মিডিয়াম হাইস্কুল’ৰ ৪৫ সংখ্যক প্ৰতিষ্ঠা দিৱস অহা ১৬ মে’ত বিভিন্ন কাৰ্যসূচীৰে বিদ্যালয়খনত উদ্‌যাপিত হ’ব। কাৰ্যসূচী অনুসৰি, সেইদিনা পুৱা পতাকা উত্তোলন কৰিব বিদ্যালয়খনৰ প্ৰধান শিক্ষক বিমান চন্দ্ৰ বৰাই। স্মৃতি তৰ্পণ কাৰ্যসূচীৰ আৰম্ভ কৰিব দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ প্ৰদীপ দুৱৰাই। সমবেত সংগীত পৰিৱেশনৰ পাছতে বিদ্যালয়খনৰ অন্যতম প্ৰতিষ্ঠাপক তথা ভূমিদাতা প্ৰয়াত মোহনলাল বায়নৱালাৰ স্মৃতিত নৱনিৰ্মিত প্ৰতিমূৰ্তি উন্মোচন কৰিব অমিত বায়নৱালাই। ইয়াৰ পাছতে বিদ্যালয় প্ৰেক্ষাগৃহত অনুষ্ঠিত হ’বলগীয়া সভা উদ্বোধন কৰিব বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি, দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ নীলপদ্ম ফুকনে। প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি আয়োজন কৰা সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰিব বিশিষ্ট কণ্ঠশিল্পী ববিতা ভট্ট হাজৰিকাই। সাংস্কৃতিক অনুষ্ঠানত বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন অনুষ্ঠান পৰিৱেশন কৰিব। প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীত সকলো অভিভাৱক, ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি আদৰণি সমিতিৰ সম্পাদকদ্বয় মিতালী মহন্ত আৰু দেৱজিত বৰাই কামনা কৰিছে।

## নৰ্থ কামৰূপ বেতবাৰী হাইস্কুলত ‘বেটী বচাও, বেটী পঢ়াও’ কাৰ্যসূচী ৰূপায়ণ

**অগ্ৰদূত বাৰ্তা**

**জালাহ, ১৪ মে’ ঃ** বাগ্‌সা জিলাৰ বেতবাৰীস্থিত নৰ্থ কামৰূপ বেতবাৰী হাইস্কুলত যোৱা ১০ মে’ত সশস্ত্ৰ সীমা বল (এছ এছ বি)ৰ ২৭ বি বেটেচেলিয়ন হাউলীৰ ৰাবাং বড়ো বজাৰ শিবিৰৰ জোৱানসকলে ভাৰত চৰকাৰৰ ‘বেটী বচাও বেটী পঢ়াও’ কাৰ্যসূচী ৰূপায়ণ কৰে। বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰীসকলৰ অংশগ্ৰহণেৰে অনুষ্ঠিত অনুষ্ঠানত এছ এছ বিৰ ৰাবাং বড়ো বজাৰ শিবিৰৰ পৰিদৰ্শক শ্যামল বিশ্বাসে কয় যে ল’ৰা আৰু ছোৱালীৰ মাজত কোনো পাৰ্থক্য নাই। ছোৱালীসকলো ল’ৰাৰ সমানে আগবাঢ়ি গৈছে। অলিম্পিকৰ দৰে খেলত মেডেল লাভ কৰি স্ব-প্ৰতিভাৰে ছোৱালী সন্তানে উজলি উঠিবলৈ সক্ষম হৈছে। অতীতৰ ভ্ৰূণৰ লিংগ নিৰ্ধাৰণেৰে ছোৱালী বুলি জানিলেই ভ্ৰূণ হত্যা কৰি ভৱিষ্যতৰ সম্ভাৱনাক হত্যা কৰি পেলোৱাৰ দৰে জঘন্য ঘটনা কিছুমান সমাজত সংঘটিত হৈছিল। অৱশ্যে এনে জঘন্য ঘটনা শিক্ষাৰ প্ৰসাৰৰ লগে লগে ক্ৰমাৎ অৱসান হৈছে। প্ৰধান শিক্ষক আগোঁমা ব্ৰহ্ময়ো বিষয়বস্তুৰ ওপৰত বড়ো ভাষাত বক্তব্য আগবঢ়ায়।

## দুৰাৰোগ্য ৰোগত আক্ৰান্ত গাঁও প্ৰধানৰ সাহায্য আহ্বান

**অগ্ৰদূত বাৰ্তা**

**ফৰকাটিং, ১৪ মে’ ঃ** গোলাঘাট বিধানসভা সমষ্টিৰ অন্তৰ্গত দৈয়াং অঞ্চলৰ গোবিনপুৰ গাঁৱৰ গাঁও প্ৰধান গগন শইকীয়া (৬০)ৰ প্ৰায় তিনিমাহ ধৰি দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ ডিব্ৰুগড় চিকিৎসা মহাবিদ্যালয়ত চিকিৎসাধীন হৈ আছে। তেওঁ জানিবলৈ দিয়া মতে, কিছুদিনৰ আগতে মাংস খাওঁতে এটুকুৰা হাড়ে ডিঙিত আঘাত কৰাৰ ফলতে জটিল ৰোগ বিধ হয়। উল্লেখ্য যে আজীৱন বিনাবেতনেৰে ৰাইজৰ স্বাৰ্থত সেৱা কৰি গাঁও প্ৰধানজনে বৰ্তমান চিকিৎসাৰ বাবদ মোটা অংকৰ ধন ব্যয় কৰি আৰ্থিকভাৱে জুৰুলা হৈ পৰিছে। সেয়ে চৰকাৰৰ স্বাস্থ্য বিভাগ তথা স্থানীয় বিধায়িকাক গাঁও প্ৰধানজনকে এক চিকিৎসা অনুদান আগবঢ়াবলৈ আহ্বান জনাইছে।

## কামপুৰত ১২খন সমূহীয়া বিবাহ সম্পন্ন

**কামপুৰ, ১৪ মে’ ঃ** কামপুৰত কালি উলহ-মালহেৰে ১২খনলৈ সমূহীয়া বিবাহ সম্পন্ন হয়। কামপুৰৰ নিজ নাৰিকলী গাঁৱৰ ৰাইজে মূল্যবৃদ্ধিয়ে কোঙা কৰা আৰ্থ সামাজিক দিশৰ প্ৰতি লক্ষ্য ৰাখি সমূহীয়াভাৱে এই ১২ যোৰা দৰা-কইনাক বিবাহৰ সামাজিক স্বীকৃতি প্ৰদান কৰে। স্থানীয় নামঘৰত বৈদিক নীতিৰে হোম যজ্ঞৰ মাজেৰে বিবাহ কাৰ্য অনুষ্ঠিত হয়। বেণ্ডপাৰ্টিৰ তালে তালে দৰা-কইনাৰ লগতে ৰাইজে নচা দৃশ্যই সকলোকে আকৰ্ষিত কৰে। পাছত সকলো ৰাইজ একত্ৰিত হৈ ভোজ-ভাত খাই বিবাহ অনুষ্ঠানৰ সামৰণি মাৰে। নিজ নাৰিকলী গাঁৱৰ ৰাইজে গ্ৰহণ কৰা এই পদক্ষেপক সচেতন নাগৰিকে শলাগ লয়।

## তেজপুৰৰ নলাত মৃতদেহ উদ্ধাৰ

**ষ্টাফ ৰিপ’টাৰ**

**তেজপুৰ, ১৪ মে’ ঃ** তেজপুৰ পৌৰসভাৰ অন্তৰ্গত আঠ নম্বৰ ৱাৰ্ডৰ এটা নলাত কালি পুৱা এজন অচিনাক্ত লোকৰ মৃতদেহ উদ্ধাৰ হয়। তেজপুৰৰ মাজমজিয়াৰ জ্যোতিষ পথৰ নলাত মৃতদেহটো আৱৰ্জনাত আৱদ্ধ হৈ পৰা অৱস্থাত পুৱা স্থানীয় লোকে দেখা পাই আৰক্ষীক অৱগত কৰে। পাছত আৰক্ষীয়ে মৃতদেহটো উদ্ধাৰ কৰি তেজপুৰ কনকলতা অসামৰিক চিকিৎসালয়ৰ মৰ্গলৈ প্ৰেৰণ কৰে। উল্লেখ্য যে লংপেন্ট আৰু স্পটিং পৰিধান কৰা লোকজনৰ মৃতদেহটো নলাটোৰে উটি আহি সেই স্থানত আৱদ্ধ হৈ পৰা বুলি স্থানীয় লোকে সন্দেহ কৰিছে।

## দৰিকা দ্বিতীয় খণ্ড মীনমহলৰ বন্দৱস্তিৰ নিবিদা আহ্বান

**বিশেষ সংবাদদাতা**

**শিৱসাগৰ, ১৪ মে’ ঃ** শিৱসাগৰ জিলাৰ অন্তৰ্গত দৰিকা দ্বিতীয় মীনমহল বন্দোবস্তিৰ বাবে ইচ্ছুক গোট-সমিতি-এন জি অ’ৰ পৰা নিবিদা আহ্বান কৰা হৈছে। অহা ২৫ মে’ৰ দিনৰ ১২ বজালৈকে ইচ্ছুক গোট, সমিতি, এন জি অ’ বিলাকে শিৱসাগৰ উপায়ুক্ত কাৰ্যালয়ৰ পৰা নিবিদা প্ৰ-পত্ৰ সংগ্ৰহ কৰিব পাৰিব আৰু উক্ত দিনাই দিনৰ এক বজালৈকে বন্ধ খামত ‘দৰিকা দ্বিতীয় খণ্ড মীনমহলৰ বন্দোবস্তিৰ বাবে নিবিদা’ বুলি উল্লেখ কৰি নিবিদা জমা কৰিব পাৰিব। ইচ্ছুক নিবিদাকাৰীসকলে নিবিদাৰ চৰ্তাৱলীৰ সবিশেষ তথ্যৰ বাবে উপায়ুক্ত কাৰ্যালয়ৰ স’তে যোগাযোগ কৰিবৰ বাবে জিলা প্ৰশাসনৰ তৰফৰ পৰা আহ্বান জনোৱা হৈছে।

## যোৰহাট এনভাইৰন’মেন্ট ফ’ৰামৰ ৰচনা প্ৰতিযোগিতা

**অগ্ৰদূত বাৰ্তা**

**লাহদৈগড়, ১৪ মে’ ঃ** যোৰহাট এনভাইৰ’মেন্ট ফ’ৰামৰ দ্বি-বাৰ্ষিক অধিবেশন উপলক্ষে পৰিৱেশ বিষয়ৰ ৰচনা প্ৰতিযোগিতাৰ আয়োজন কৰিছে। অষ্টমৰ পৰা দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ মাজত জৈৱিক কৃষি পদ্ধতি, ইয়াৰ প্ৰয়োজনীয়তা আৰু একাদশৰ পৰা স্নাতক তৃতীয় বৰ্ষলৈ জলবায়ু পৰিৱৰ্তনৰ প্ৰত্যাহ্বানসমূহ আৰু সমাধান বিষয়ত ৰচনা অনুষ্ঠিত হ’ব। ৰচনাসমূহ নিম্ন শাখাত দুহেজাৰ আৰু উচ্চ শাখাত পাঁচ হেজাৰ শব্দৰ ভিতৰত লিখি ২৪ মে’ৰ ভিতৰত শংকৰ পুথিঘৰ, এ টি ৰোড, যোৰহাট ঠিকনাত জমা দিবলৈ সহকাৰী সচিব ড° প্ৰশান্ত হাজৰিকা (৯৪৩৫৩৫২২০২)ই আহ্বান জনাইছে।

## দুষ্প্ৰাপ্য কাছ পোৱালি উদ্ধাৰ

**অগ্ৰদূত বাৰ্তা**

**তামুলপুৰ, ১৪ মে’ ঃ** তামুলপুৰ জিলাৰ ঢেকিপোটাত কালি আবেলি এটি পৰিয়ালৰ বাৰীত এটা দুষ্প্ৰাপ্য কাছ পোৱালি উদ্ধাৰ হয়। তামুলপুৰ বনাঞ্চলিক বিষয়াৰ কাৰ্যালয়ৰ পৰা প্ৰকাশ কৰা মতে আবেলি ঢেকিপোটা গাঁওৰ গণেশ মেধি নামৰ এজন যুৱকে নিজৰ বাৰীৰ পাছফালে থকা পুখুৰীৰ পাৰত কাছ পোৱালিটো প্ৰত্যক্ষ কৰে। পুখুৰীৰ পাৰত কাছ পোৱালিটো দেখাৰ লগে লগে যুৱকজনে কৌশলেৰে ধৰি ঘৰলৈ লৈ আহে। পাছত তামুলপুৰ বনাঞ্চলিক বিষয়াৰ কাৰ্যালয়ত কাছ পোৱালিটো উদ্ধাৰ কৰাৰ খবৰ দিয়ে। বনবিভাগৰ লোক ঢেকিপোটাত উপস্থিত হৈ যুৱকজনৰ পৰা কাছ পোৱালিটো চমজি লয়। অতি দুষ্প্ৰাপ্য কাছটো কাইলৈ মানাহ অভয়াৰণ্যত এৰি দিয়া হ’ব।

## মুখ্যমন্ত্ৰীৰ ভিডিঅ’ কনফাৰেঞ্চৰ পাছতে সক্ৰিয় ৰঙিয়া লোকনিৰ্মাণ বিভাগ

**অগ্ৰদূত বাৰ্তা**

**ৰঙিয়া, ১৪ মে’ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যৰ লোকনিৰ্মাণ বিভাগৰ বিষয়াসকলৰ লগত কামৰ উন্নয়ন আৰু আঁচনিৰ অগ্ৰগতি সন্দৰ্ভত কালি ভিডিঅ’ কনফাৰেঞ্চ যোগে আলোচনা কৰাৰ লগে লগে বিষয়া-কৰ্মচাৰীসকলে অধিক সক্ৰিয় আৰু তৎপৰ হোৱা পৰিলক্ষিত হৈছে। ভিডিঅ’ কনফাৰেঞ্চৰ পাছতেই লোক নিৰ্মাণ বিভাগৰ উত্তৰ কামৰূপ সংমণ্ডলৰ এক জৰুৰী সভা অনুষ্ঠিত হয়। বিভাগৰ ৰঙিয়াৰ পৰিদৰ্শন বাংলোত অনুষ্ঠিত হোৱা সভাখনত কাৰ্যবাহী অভিযন্তাা দীপক বৈশ্যৰ উপৰি সংমণ্ডলটোৰ ৰঙিয়া আৰু কমলপুৰ কাৰ্যালয়ৰ শাখা সহায়কসকল উপস্থিত থাকে। মুখ্যমন্ত্ৰীৰ নিৰ্দেশৰ পৰিপ্ৰেক্ষিতত সভাত মুখ্যমন্ত্ৰীৰ নতুন আঁচনিসমূহ কিদৰে তৎপৰতাৰে আৰু নিয়াৰিকৈ কাৰ্যকৰী কৰিব পৰা যায়। সেই বিষয়ে কাৰ্যবাহী অভিযন্তাজনে বিতং আলোচনা কৰে। কাৰ্যবাহী অভিযন্তা বৈশ্যই অতি কম সময়ৰ ভিতৰত কিদৰে কাৰিকৰী ব্যৱস্থাৰ দ্বাৰা পথসমূহ নিৰ্মাণ কাৰ্যৰ বাবে উপযোগী কৰি তুলিব পাৰি সেই বিষয়েও শাখা সহায়কসকলক বুজাই দিয়ে। তেওঁ ফিল্ডত কৰ্মৰত কোনো এজন শাখা বিষয়া তথা শাখা সহায়কে যাতে নিজৰ কৰ্তব্য কৰ্মৰ ক্ষেত্ৰত কোনো ধৰণৰ গাফিলতি নকৰে তাৰ বাবেও সজাগ হ’বলৈ অনুৰোধ জনায়। সংমণ্ডলৰ অধীনৰ শাখা সহায়কসকলক নিৰ্দিষ্ট সময়ৰ ভিতৰত নিজৰ অঞ্চলৰ পথসমূহৰ ক্ষেত্ৰত প্ৰদান কৰা দায়িত্বসমূহ নিয়াৰিকৈ পালন কৰি সময়মতে প্ৰতিবেদন দাখিল কৰাৰ বাবেও তেওঁ সভাত উপস্থিত সকলো কৰ্মচাৰীকে অনুৰোধ জনায়। সভাত কাৰ্যবাহী অভিযন্তাৰ লগতে ৰঙিয়া লোকনিৰ্মাণ বিভাগৰ উপ-সংমণ্ডলৰ সহকাৰী কাৰ্যবাহী অভিযন্তা বিশ্বজিৎ কাকতি, কমলপুৰ, উপ-সংমণ্ডল বিভাগৰ সহকাৰী কাৰ্যবাহী অভিযন্তা অসীম চক্ৰৱৰ্তী, সহকাৰী অভিযন্তা দেৱংগ দত্তসহ অন্যান্য বিষয়াসকল উপস্থিত থাকে।




*বৰাকৰ কলু চাহ বাগিচাত উচ্ছেদৰ বিৰুদ্ধে চাপৰত আছাৰ প্ৰতিবাদী কাৰ্যসূচী, শনিবাৰে।*

## বনগাঁও চলা হাইস্কুলত বিজ্ঞান সজাগতা সভা সম্পন্ন

**খুমটাই, ১৪ মে’ঃ** গোলাঘাট জিলাৰ খুমটাই ৰাজহ চক্ৰৰ অন্তৰ্গত বনগাঁও চলা হাইস্কুলত কালি অসম বিজ্ঞান সমিতিৰ উদ্যোগত অসম চৰকাৰৰ বিজ্ঞান আৰু প্ৰযুক্তি বিভাগৰ সহযোগত বিজ্ঞান সজাগতা সভা অনুষ্ঠিত হয়। বনগাঁও চলা হাইস্কুলৰ প্ৰধান শিক্ষক দিলীপ ফুকনৰ সভাপতিত্বত অনুষ্ঠিত বিজ্ঞান সজাগতা সভাত ‘জৈৱ বৈচিত্ৰ্য সংৰক্ষণ’ শীৰ্ষক বিষয়ক লৈ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সভা অনুষ্ঠিত হয়। অসম বিজ্ঞান সমিতিৰ সম্পাদক ড° মনোজ কুমাৰ শৰ্মাই উদ্দেশ্য ব্যাখ্যা আগবঢ়োৱা সভাখন উদ্বোধন কৰে ড° চৌধুৰী নাথ শইকীয়াই। সভাত অৱসৰপ্ৰাপ্ত প্ৰবক্তা ড° মিনুৱাৰ বেগম নিৰ্দিষ্ট বক্তাৰূপে উপস্থিত ছাত্ৰ-ছাত্ৰীসকলৰ উদ্দেশ্য জৈৱ বৈচিত্ৰ্য সংৰক্ষণ বিষয়ে ভাষণ প্ৰদান কৰে। এই সভাতেই বিশিষ্ট শিক্ষাবিদ, প্ৰকৃতিপ্ৰেমী ড° চৌধুৰী নাথ শইকীয়া বিদ্যালয়খনৰ গ্ৰন্থাগাৰলৈ কে’বাখনো মূল্যৱান গ্ৰন্থ আগবঢ়ায়। সভাত অসম বিজ্ঞান সমিতি দেৰগাঁও শাখাৰ তৰফৰ পৰা বিদ্যালয়খনৰ সহকাৰী শিক্ষয়িত্ৰী, লেখক, প্ৰকৃতিপ্ৰেমী গিৰিমল্লিকা শইকীয়াক বিশেষভাৱে সম্বৰ্ধনা জনায়।

## নগৰবেৰাত মাইক্ৰ’ফাইনেন্সৰ ২.০৫২ গৰাকী হিতাধিকাৰীক চেক প্ৰদান

**আলোপতি, ১৪ মে’ ঃ** কামৰূপ জিলাৰ বকো সমষ্টিৰ ছমৰীয়া খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়ত কালি ২,০৫২ গৰাকী হিতাধিকাৰীৰ মাজত মাইক্ৰ’ফাইনেন্সৰ চেক বিতৰণ কৰা হয়। কামৰূপ জিলাৰ বকো সমষ্টিৰ লগতে বৰপেটা জিলাৰ হিতাধিকাৰীসকলে বিভিন্ন ক্ষুদ্ৰ সঞ্চয় বেংকৰ পৰা ঋণ লৈছিল। পাছত ৰাজ্য চৰকাৰে নিৰ্বাচনী প্ৰতিশ্ৰুতি ৰক্ষা কৰি হিতাধিকাৰীসকলৰ ঋণৰ মাফ কৰি চেকসমূহ প্ৰদান কৰে। তদুপৰি আজি ছমৰীয়া উন্নয়ন খণ্ডৰ অন্তৰ্গত প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত গৃহ লাভ কৰা একাংশ হিতাধিকাৰীক অনুমোদন পৰত্ৰ প্ৰদান কৰা হয়। এই উপলক্ষে কাৰ্যালয় চৌহদত ছমৰীয়া আঞ্চলিক পঞ্চায়তৰ সভাপতি ৰফিকুল ইছলামৰ সভাপতিত্বত অনুষ্ঠিত সভাত খণ্ড উন্নয়ন বিষয়া ছফিকুল ইছলাম, সমাজকৰ্মী উদয় শংকৰ মেধি, পৱিত্ৰ মেধি, ৰাজেশ মজুমদাৰৰ লগতে বিভিন্ন বেংকৰ প্ৰতিনিধিসকলে অংশগ্ৰহণ কৰে।

## জামুগুৰিহাটত সুৰামত্ত যুৱকক ৰাইজে গতালে আৰক্ষীক

**অগ্ৰদূত বাৰ্তা**

**নদুৱাৰ, ১৪ মে’ ঃ** জামুগুৰিহাটৰ ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত যোৱা ১২ মে’ৰ নিশা টেংকাৰ চলোৱা এজন সুৰাসক্ত চালকক স্থানীয় যুৱকে কৰায়ত্ত কৰি জামুগুৰি আৰক্ষীক চমজাই দিয়ে। তেজপুৰৰ পৰা বিশ্বনাথ চাৰিআলি অভিমুখে আহি থকা এ এছ-১২ই-৫৪৬৪ নম্বৰৰ টেংকাৰখনে জামুগুৰিহাট ৰাষ্ট্ৰীয় ঘাইপথৰ ওপৰত নিয়ন্ত্ৰণহীনভাৱে গতি কৰি থকা টেংকাৰখনৰ পাছত অহা কেইজনমান যুৱকৰ দৃষ্টিগোচৰ হয়। সম্ভাব্য বিপদৰ কথা চিন্তা কৰি যুৱককেইজনে কৌশলৰে অৱশেষত জামুগুৰি পেট্ৰ’ল পাম্পৰ ওচৰত টেংকাৰখন ৰখাবলৈ সক্ষম হয়। লগে লগে জামুগুৰি আৰক্ষীক অৱগত কৰে। ঘটনাস্থলীত আৰক্ষী উপস্থিত হোৱাৰ পাছত সুৰাসক্ত অৱস্থাত থকা টেংকাৰখনৰ চালকসহ টেংকাৰখন যুৱককেইজনে আৰক্ষীক চমজাই দিয়ে। আটক হোৱা সুৰাসক্ত চালকজন চাৰিদুৱাৰৰ প্ৰণৱ ডেকা বুলি জানিব পৰা গৈছে। উল্লেখ্য যে ৰাষ্ট্ৰীয় ঘাইপথত দুৰ্ঘটনা ৰোধ কৰাৰ বাবে যানবাহন আৰক্ষীয়ে সুৰাসক্ত চালকৰ বিৰুদ্ধে পদক্ষেপ গ্ৰহণ কৰি আহিছে যদিও এতিয়াও একাংশ চালকে মদ্যপান সেৱন কৰি যানবাহন চলাই আহিছে।

## সাংবাদিক ৰাজু বৰুৱাৰ আশু আৰোগ্য কামনা

**অগ্ৰদূত বাৰ্তা**

**নদুৱাৰ, ১৪ মে’ ঃ** নিউজ ১৮ অসম নৰ্থ-ইষ্টৰ গুৱাহাটীত কৰ্মৰত সাংবাদিক তথা জামুগুৰিহাটৰ ধলাইবিলৰ চামধৰা নিবাসী ৰাজু বৰুৱা জটিল ৰোগত আক্ৰান্ত হৈ সম্প্ৰতি গুৱাহাটীৰ আয়ুৰচন্দ্ৰা হাস্পতালত চিকিৎসাধীন হৈ আছে। সাংবাদিকজন অৱস্থা সংকটজনক দেখি চিকিৎসকে উন্নত চিকিৎসাৰ বাবে শীঘ্ৰে বহিঃৰাজ্যলৈ নিয়াৰ পৰামৰ্শ দিছে। সাংবাদিকজনৰ ব্যয় বহুল চিকিৎসাৰ বাবে সম্প্ৰতি আৰ্থিক অনাটন হোৱাত পৰিয়াল বৰ্গই ৰাইজৰ পৰা বিচাৰিছে আৰ্থিক সাহায্য। কালি সাংবাদিকজনৰ জন্মস্থান জামুগুৰিহাটৰ বিভিন্ন প্ৰান্তত নদুৱাৰ প্ৰেছ ক্লাবৰ সাংবাদিকসকলে ৰাইজৰ পৰা সংগ্ৰহ কৰে আৰ্থিক সাহায্য। সাংবাদিকসকলে জামুগুৰি, কুসুমটোলা, ইটাখোলা আদি ব্যৱসায়ীক কেন্দ্ৰৰ বিভিন্ন ব্যৱসায়ী, শুভাকাংক্ষীৰ পৰা দান-বৰঙণি সংগ্ৰহ কৰি ৰোগাক্ৰান্ত সাংবাদিকজনৰ পৰিয়ালৰ সদস্যৰ হাতত অৰ্পণ কৰে এই ধন। নদুৱাৰ প্ৰেছ ক্লাবৰ সদস্যসকলে সাংবাদিক ৰাজু বৰুৱাৰ আশু আৰোগ্য কামনাৰে প্ৰাৰ্থনা জনোৱাৰ লগতে অসমবাসীক সহায়ৰ হাত আগবঢ়াবলৈ আহ্বান জনাইছে।

## কাৰ্বি আংলং স্বায়ত্ত পৰিষদৰ নিৰ্বাচনৰ বাবে তৎপৰ প্ৰশাসন

**অগ্ৰদূত বাৰ্তা**

**বোকাজান, ১৪ মে’ ঃ** অহা আঠ জুনত অনুষ্ঠিত হ’বলগীয়া কাৰ্বি আংলং স্বায়ত্ত পৰিষদৰ নিৰ্বাচনৰ বাবে তৎপৰ হৈ পৰিছে জিলা প্ৰশাসন। জিলাখনৰ চাৰিটা বিধানসভা সমষ্টিৰ অন্তৰ্গত ২৬ টা পৰিষদীয় সমষ্টিত অনুষ্ঠিত হ’ব এই নিৰ্বাচন। ইতিমধ্যে ৰাজ্যিক নিৰ্বাচন আয়োগে যোৱা ১২ মে’ত নিৰ্বাচনৰ দিন ঘোষণা কৰে। ২৩ মে’ত মনোনয়ন পত্ৰ দাখিলৰ শেষ দিন আৰু ২৪ মে’ত মনোনয়ন পত্ৰ পৰীক্ষা আৰু প্ৰত্যাহাৰৰ দিন ধাৰ্য কৰিছে নিৰ্বাচন আয়োগে। অহা আঠ জুনত পুৱা ৭-৩০ বজাৰ পৰা বিয়লি ৪-৩০ বজালৈকে অনুষ্ঠিত হ’ব ভোট গ্ৰহণ। ১২ জুনত ভোট গণনা কৰা হ’ব। আজি বোকাজান মহকুমাৰ মহকুমাধিপতিৰ কাৰ্যালয়ত অনুষ্ঠিত এক সংবাদমেলত বোকাজান বিধানসভা সমষ্টিৰ অন্তৰ্গত সাতটা পৰিষদীয় সমষ্টিৰ বাবে প্ৰশাসনৰ প্ৰস্তুতি সম্পৰ্কে অৱগত কৰে। এই সাতটা সমষ্টিৰ মুঠ ২১৮ টা ভোট কেন্দ্ৰৰ ৭৪ টা স্পৰ্শকাতৰ বুলি জানিবলৈ দিয়াৰ লগতে মুঠ ১,৬৯,৭৮৮ গৰাকী ভোটাৰে ভোটাধিকাৰ সাব্যস্ত কৰিব। ইয়াৰে পুৰুষ ভোটাৰ ৮৫,৮৩৪ হোৱাৰ বিপৰীতে মহিলা ভোটাৰৰ সংখ্যা ৮৩,৯৫৪ গৰাকী। ইপিনে, নিৰ্বাচনৰ দিন ঘোষণা হোৱাৰ লগে লগেই ৰাজনৈতিক দলসমূহেও সাংগঠনিক তৎপৰতা বৃদ্ধি কৰা পৰিলক্ষিত হৈছে।

**বোকাজান মহকুমাৰ মহকুমাধিপতিৰ সংবাদমেল**

## শোণিতপুৰ আৰক্ষীৰ জালত ছয় দুৰ্ধৰ্ষ মটৰ চাইকেল চোৰ

**ষ্টাফ ৰিপ’টাৰ/অগ্ৰদূত বাৰ্তা**

**তেজপুৰ/ঠেলামৰা, ১৪ মে’ ঃ** শোণিতপুৰ আৰক্ষীয়ে চলোৱা এক অভিযানত জিলাখনৰ লগতে ৰাজ্যৰ বিভিন্ন স্থানৰ মুঠ ছজন মটৰ চাইকেল আৰু যান-বাহন চোৰক গ্ৰেপ্তাৰ কৰে। তদুপৰি আৰক্ষীয়ে পাঁচখন মটৰ চাইকেল উদ্ধাৰ কৰিবলৈ সক্ষম হৈছে। আৰক্ষীয়ে প্ৰকাশ কৰা অনুসৰি, আৰক্ষীৰ এই অভিযানত ঢেকিয়াজুলিৰ হামিদ আলী, লখিমপুৰৰ বান্দৰদোৱাৰ পৰা মহিবুল ইছলাম আৰু আবিদুৰ ৰহমান ওৰফে মামা, শোণিতপুৰ মিছামাৰীৰ টিংকু, ঠেলামৰাৰ সাগৰীজানৰ পৰা চাহিদুল আৰু মাইনুলক গ্ৰেপ্তাৰ কৰে। এই দুজনৰ পৰা আৰক্ষীয়ে এখন মটৰ চাইকেলৰ উপৰি ঢেকিয়াজুলিৰ হামিদৰ পৰা এখন গ্লেমাৰ আৰু এখন স্প্লেণ্ডাৰ মটৰ চাইকেল আৰু টিংকুৰ পৰা আন দুখন মটৰ চাইকেলসহ পাঁচখন মটৰ চাইকেল উদ্ধাৰ কৰে। উল্লেখ্য যে বান্দৰদোৱাত তেজপুৰ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা মহিবুল আৰু আবিদুৰ তেজপুৰৰ ডেকাৰগাঁওস্থিত মহিন্দ্ৰা কাৰখানাৰ পৰা সংঘটিত বলেৰ’ চুৰি ঘটনাৰ মূল অভিযুক্ত আছিল। তদুপৰি আৰক্ষী সূত্ৰই প্ৰকাশ কৰা অনুসৰি, ঠেলামৰাৰ চাহিদুল আৰু মাইনুল দুৰ্ধৰ্ষ মটৰ চাইকেল চোৰ। উদ্ধাৰ হোৱা মটৰ চাইকেলসমূহ পূৰ্বে বিভিন্ন স্থানৰ পৰা চুৰি কৰা বুলিও আৰক্ষীয়ে প্ৰকাশ কৰিছে।

## চকীৰবড়ীৰ পৰা সৌৱামুৰী সংযোগী পথৰ দুৰৱস্থা

**■ নীৰৱ হাজো সমষ্টিৰ বিধায়িকা**

**অগ্ৰদূত বাৰ্তা**

**বাহাৰঘাট, ১৪ মে’ ঃ** কামৰূপ জিলাৰ হাজো বিধানসভা সমষ্টিৰ কিছুমান পথৰ অৱস্থাই সমষ্টিটোৰ উন্নয়নৰ প্ৰকৃত ছবি স্পষ্টকৈ প্ৰকাশ কৰিছে। ইয়াৰ ভিতৰত বাৰাংহাটী গাঁও পঞ্চায়তৰ অন্তৰ্গত চকীৰবড়ী চ’কৰ পৰা সৌৱামুৰী সংযোগী পথটোৰ অৱস্থা দেখিলে সকলো ৰাইজে সমষ্টিটোৰ বিধায়িকাগৰাকীয়ে দোষাৰোপ কৰিব। বাস্তৱত উক্ত কথাটো সত্যও। কাৰণ এজন জনপ্ৰতিনিধিয়ে সমষ্টিটোৰ চুকে-কোণে তকা সকলো বাট-পথৰ লগতে সকলো ৰাজহুৱা অভাৱ-অভিযোগৰ প্ৰতি গুৰুত্ব দিব লাগে। কিন্তু দুৰ্ভাগ্যজনকভাৱে বিধায়িকাগৰাকীয়ে উক্ত পথছোৱাৰ ক্ষেত্ৰত কোনো গুৰুত্বই দিয়া নাই বুলি ভুক্তভোগী ৰাইজে অভিযোগ কৰিছে। উল্লেখ্য যে বিগত বিজেপি মিত্ৰগোষ্ঠীৰ চৰকাৰৰ দিনত পথটোৰ মেৰামতিৰ কাম কৰিছিল। কিন্তু ঠিকাদাৰে অধিক লাভৰ আশাত পালমৰা ধৰণে কাম কৰাত দুটা বছৰ সম্পূৰ্ণ নোহোৱাতে পুনৰ বিধ্বস্ত ৰূপ পাইছে গোটেই পথটো। বৰ্তমান পথটো ভাঙি-ছিঙি জৰাজীৰ্ণ হৈ বোকাপানীৰে কদৰ্য ৰূপ পোৱাত পথচাৰী যন্ত্ৰণা ভোগ কৰিব লগা হৈছে। পথটোৰে দৈনিক ছাত্ৰ-ছাত্ৰীক ধৰি অসংখ্য লোকে অহা-যোৱা কৰে। তদুপৰি উক্ত পথটোৰে কঞা ৰাজহ চক্ৰ আৰু কঞা আৰক্ষী থানালৈ সৌৱামুৰী, পৈলানী আদিৰ ৰাইজে সহজে অহা-যোৱা কৰিব পাৰে। সেইসকল ৰাইজে পথটোৰ দুৰৱস্থাৰ বাবে যথেষ্ট কষ্ট ভোগ কৰি আছে। সেয়া ভুক্তভোগী ৰাইজৰ লগতে পশ্চিম বড়িগোগ আঞ্চলিক ছাত্ৰ-ছাত্ৰই অনতি-পলমে পথটো নতুনকৈ মেৰামতি কৰাৰ বাবে বিধায়িকাৰ লগতে লোকনিৰ্মাণ বিভাগক দাবী জনাইছে।



# অৱসাদৰ পৰা মুক্তি পাবলৈ নিয়মীয়াকৈ মাছ খাওক



আধুনিক জীৱন-যাপনত অৱসাদত আক্ৰান্ত লোকৰ সংখ্যা অস্বাভাৱিকভাৱে বৃদ্ধি পাবলৈ ধৰিছে। আনকি কম বয়সীয়া ল'ৰা-ছোৱালীয়ে অৱসাদৰ চিকাৰ হোৱা বিষয়টো সকলোৰে বাবে চিন্তাৰ কাৰণ হৈ পৰিছে। যিসকল লোক অৱসাদত ভুগিছে তেওঁলোকে যদি নিয়মীয়াকৈ মাছৰ তেল খায় তেতিয়াহ'লে অৱসাদৰ পৰা মুক্তি লাভ কৰাটো সম্ভৱ বুলি গৱেষকসকলে মন্তব্য আগবঢ়াইছে। বহু লোকে মানসিক অৱসাদত ভুগি আত্মহত্যা কৰে। নিয়মীয়াকৈ মাছৰ তেল খালে সহজতে এনেধৰণৰ প্ৰৱণতাই গা কৰি উঠিব নোৱাৰে। ইংলণ্ডৰ বিভিন্ন কাৰাগাৰত থকা কয়দীৰ ওপৰত এই অধ্যয়ন চলাইছে গৱেষকসকলে। আত্মহত্যাৰ বাবে চেষ্টা কৰা এশগৰাকী কয়দীৰ ওপৰত এই গৱেষণা চলোৱা হয়। এইসকল কয়দীৰ তেজৰ নমুনা সংগ্ৰহ কৰি পৰীক্ষা কৰাত ইক'চাপেণ্টানয়িক এচিডৰ পৰিমাণ তুলনামূলকভাৱে কম। এইসকলৰ ভিতৰত আকৌ যিসকলে হত্যাকাণ্ডৰ স'তে জড়িত হৈছে তেওঁলোকৰ শৰীৰত ওমেগা-৩ নামৰ ফেটী এচিডবিধৰ পৰিমাণ কম। আনহাতে, সিসকলে হিংসাৰ পথ গ্ৰহণ নকৰাকৈ অপৰাধ সংঘটিত কৰিছে তেওঁলোকৰ শৰীৰত তুলনামূলকভাৱে জঘন্য অপৰাধৰ স'তে জড়িত সকলতকৈ এইবিধ ফেটী এচিডৰ পৰিমাণ বেছি। মেলব'ৰ্ণৰ 'অ'ৰেন ৰিছাৰ্চ চেণ্টাৰ'ৰ গৱেষকসকলে এইবুলি মন্তব্য আগবঢ়াইছে যে ওমেগা-৩ যুক্ত মাছ নিয়মীয়াকৈ খালে স্কিজোফ্ৰেনিয়াত আক্ৰান্ত হোৱাত সময়ৰ ব্যৱধান বৃদ্ধি পায়। আনহাতে, ফ'বিয়া বা আতংকত ভোগা সমস্যা প্ৰতিৰোধৰ ক্ষেত্ৰতো ইয়াৰ ভূমিকা মনকৰিবলগীয়া। অধ্যয়নৰ সময়ত গৱেষকসকলে ১৩ৰ পৰা ২৪ বছৰৰ ভিতৰত ৮১ গৰাকী ল'ৰা-ছোৱালীক অন্তৰ্ভুক্ত কৰে। এই সময়ত ৮১ গৰাকী ল'ৰা-ছোৱালীৰ ভিতৰত মাত্ৰ তিনিগৰাকীহে স্কিজোফ্ৰেনিয়াত আক্ৰান্ত হোৱা দেখা যায়। আনহাতে, ইংলণ্ডৰ শ্বেফিল্ড বিশ্ববিদ্যালয়ৰ অধ্যাপক ডাঃ মেলকল পীটে এইবুলি মন্তব্য আগবঢ়াইছে যে অধ্যয়নৰ কালত মানসিকভাৱে বিকাৰগ্ৰস্তসকলৰ ভালেখিনি উন্নত হোৱা পৰিলক্ষিত হয়। এইসকল ৰোগীক প্ৰথমতে এণ্টি ছাইকোটিক ঔষধ সেৱন কৰিবলৈ দিয়া হৈছিল যদিও কোনো বিশেষ ফল পোৱা নাছিল। কিন্তু যেতিয়া নিয়মীয়াকৈ মাছৰ তেল যোগান ধৰা হয় তেতিয়া তেওঁলোকৰ মানসিক অৱস্থাৰ ভালেখিনি পৰিৱৰ্তন হ'বলৈ ধৰিলে। সেইবাবে মানসিক অৱসাদৰ পৰা পৰিত্ৰাণ পাবলৈ সকলোৱে নিয়মীয়াকৈ মাছ খোৱা উচিত।

# দীঘল নখ আৰু হাতত ৰছী বান্ধিব নালাগে

আজিকালি দীঘল নখ আৰু হাতত ৰছী মেৰুওৱা আদি ফেশ্বনত পৰিণত হৈছে। এইবোৰ যে বিভিন্ন ৰোগৰ বাহক হ'ব পাৰে সেই কথা পিছে কোনোবাই ভাবি চায়নে? নখ দীঘল কৰি ৰাখিলে ইয়াৰ গুৰিত মলি জমা হৈ থাকে। এই মলিতে থাকে বিভিন্ন ৰোগৰ বীজাণু। এইবোৰ খাদ্য গ্ৰহণ কৰোতে খাদ্যৰ স'তে পেটত প্ৰৱেশ কৰে। এনেদৰে মলি সোমাই থকাৰ ফলত বিভিন্ন ধৰণৰ পেটৰ অসুখ গা কৰি উঠে। তদুপৰি নখ ফাটি গৈ কেতিয়াবা গুৰিত তেজো ওলোৱাৰ আশংকা থাকে। তদুপৰি হাতত ৰচি মেৰিয়াই ল'লে সেয়া যিমানেই পুৰণি হয় সিমানেই ইয়াত বিভিন্ন ধৰণৰ বীজাণুৱে বাহ ল'বলৈ ধৰে। এই বোৰে ছালৰ লগতে শৰীৰত প্ৰৱেশৰ ফলত বিভিন্ন ৰোগে গা কৰি উঠে। শিক্ষা-দীক্ষা থকাৰ পাছতো বহুতে দীঘলকৈ নখ ৰখা আৰু হাতত ৰছী মেৰিওৱাৰ প্ৰৱণতাই গা কৰি উঠাতো সঁচাকৈয়ে চিন্তানীয় বিষয়। এনে ফেশ্বন আদি সকলোৱে পৰিহাৰ কৰিবই লাগিব। তেনেধৰণৰ মানসিকতা পৰিত্যাগ কৰিলে বহুতো ৰোগৰ পৰা পৰিত্ৰাণ পোৱাটো সম্ভৱ।

# স্কেলিং কৰিলে দাঁতৰ ক্ষয় হয় নেকি

দাঁতৰ বিভিন্ন ধৰণৰ সমস্যাত প্ৰায়ভাগ লোকেই আক্ৰান্ত হয়। সাধাৰণতে খাদ্য গ্ৰহণৰ পাছত খাদ্যৰ টুকুৰা, বিভিন্ন ধৰণৰ বীজাণু আৰু কিছুমান প্ৰ'টিনজাতীয় উপাদান দাঁত আৰু দাঁতৰ আলুৰ মাজত জমা হৈ এসময়ত টান হৈ পৰে। সাধাৰণতে এনেধৰণৰ সমস্যাৰ সৃষ্টি হ'লে দাঁতৰ পাথৰ হোৱা বুলি কয়। যেতিয়া পাথৰৰ সমস্যাই জটিল ৰূপ ধাৰণ কৰে তেতিয়া ইয়াৰ বাবে স্কেলিঙৰ প্ৰয়োজন হয়। আধুনিক দন্ত চিকিৎসাৰ ক্ষেত্ৰত স্কেলিং আদিৰে দাঁতক সুৰক্ষা প্ৰদান কৰা হয়। অৱশ্যে ইয়াৰ মাজতে বহুতৰ মনত ভ্ৰান্ত ধাৰণা আছে যে স্কেলিং-কৰাৰ পাছত দাঁত লৰচৰ হোৱাৰ লগতে এনামেলৰো ক্ষতিসাধন হয়। পিছে শেহতীয়াভাৱে গৱেষকসকলে এই বুলি মন্তব্য কৰিছে যে স্কেলিং কৰিলে দাঁত লৰচৰ নহয়, বৰং লৰি থকা দাঁত ভালহে হয়। এইখিনিতে উল্লেখ কৰিব লাগিব যে এবাৰ প্লাগ বা পাথৰ জমা হ'লে সেয়া নিয়মীয়াকৈ ব্ৰাছ কৰিলেও থাকি যায়। তদুপৰি ফ্লছ কৰিলেও এইবোৰ থাকি যায়। এনে কৰি থাকোতে কেতিয়াবা দাঁতৰ মাজৰ ফাঁক আদিত বৃদ্ধি পোৱাৰ আশংকা থাকে। সেইবাবে এই ক্ষেত্ৰত স্কেলিঙৰ বিকল্প নাই। বিশেষজ্ঞসকলৰ মতে, এই ক্ষেত্ৰত বছৰত অন্ততঃ এবাৰ হ'লেও স্কেলিং কৰাৰ প্ৰয়োজন।

# হৃদৰোগ প্ৰতিৰোধৰ বাবে সতৰ্কতা অৱলম্বন কৰক



আজিকালি হৃদৰোগত আক্ৰান্ত লোকৰ সংখ্যা অস্বাভাৱিকভাৱে বৃদ্ধি পাবলৈ ধৰিছে। কিছু বছৰ আগলৈ বয়সীয়াল লোকসকল এইৰোগত আক্ৰান্ত হৈছিল যদিও এতিয়া কম বয়সতে এনেধৰণৰ সমস্যাৰ বলি হোৱা লোকৰ সংখ্যা অভাৱনীয়ভাৱে বৃদ্ধি পাবলৈ ধৰিছে। মানুহে যিমানেই আধুনিক জীৱন-যাপন কৰিবলৈ লৈছে সিমানেই এনেধৰণৰ সমস্যাৰ দ্বাৰা সততে আক্ৰান্ত হৈছে। খাদ্য গ্ৰহণৰ পৰা আদি কৰি শোৱালৈকে সকলো ক্ষেত্ৰতে সাৱধানতা অৱলম্বন নকৰা বাবে হৃদৰোগত আক্ৰান্তৰ সংখ্যা বৃদ্ধি পাইছে। প্ৰায়ভাগ লোকেই অপ্ৰয়োজনীয়ভাৱে শ্ৰেষ্ঠত্বৰ যুঁজত অৱতীৰ্ণ হোৱা বাবে নিজৰ অজ্ঞাতেই এনে সমস্যাৰ মাজত সোমাই পৰিছে। আমি সকলোৱে হৃদৰোগ বহু পৰিমাণে প্ৰতিৰোধ কৰিব পাৰো। ইয়াৰ বাবে প্ৰয়োজন মাথোঁ সতৰ্কতাৰ।

**উপযুক্ত খাদ্য গ্ৰহণ কৰক**

জীয়াই থাকিবলৈ মানুহক খাদ্যৰ প্ৰয়োজন। কাৰণ খাদ্যৰ পৰা লাভ কৰা পুষ্টি অবিহনে শৰীৰৰ বিভিন্ন অংগ-প্ৰত্যংগই স্বাভাৱিকভাৱে কাৰ্য সম্পাদন কৰিব নোৱাৰে। সকলোৱেই নিতৌ খাদ্য গ্ৰহণ কৰে যদিও প্ৰত্যেকৰে খাদ্যাভাষ ভিন্ন। এগৰাকী ব্যক্তিয়ে যি খাদ্য গ্ৰহণ কৰি ভাল পায় আন এগৰাকীয়ে আকৌ পছন্দ নকৰিবও পাৰে। তদুপৰি কিছুমান মানুহৰ পেটত ভোক থাকিলেও খাব নোৱাৰে। ইয়াৰ কাৰণ ভিন্ন। কিছুমান লোকৰ বিভিন্ন ৰোগৰ বাবে যিকোনো খাদ্য গ্ৰহণ কৰিব নোৱাৰে। এইখিনিতে উল্লেখ কৰিব লাগিব যে কিছুমান লোকে কম খায় আৰু আন কিছুমানে প্ৰয়োজনতকৈ অধিক গ্ৰহণ কৰে। যিকোনো খাদ্যই বেছি খোৱাটো যিদৰে শৰীৰৰ বাবে উপকাৰী নহয়, তেনেদৰে কমকৈ গ্ৰহণ কৰাটোও আকৌ ক্ষতিকাৰক। সেইবাবে দৈনন্দিন খাদ্য তালিকা প্ৰস্তুত কৰোতে শৰীৰৰ বাবে অতি প্ৰয়োজনীয় উপাদানসমূহ সঠিক অনুপাতত লাভ কৰিব পৰা খাদ্যহে অন্তৰ্ভুক্ত কৰা উচিত। সহজ অৰ্থত ক'বলৈ হ'লে দৈনন্দিন খাদ্য তালিকা প্ৰস্তুত কৰোতে সদায় প্ৰ'টিন, ভিটামিন, কেলৰি, খনিজ দ্ৰব্য আদি অন্তৰ্ভুক্ত কৰিব লাগে। সকলো খাদ্যই শৰীৰৰ বাবে উপকাৰী। পিছে প্ৰয়োজনতকৈ বেছি খালে হিতে বিপৰীত হোৱাৰ আশংকা নুই কৰিব নোৱাৰি। প্ৰতিগৰাকী ব্যক্তিয়ে যি ঠাইত বসবাস কৰে তেনে ঠাইত হোৱা খাদ্য গ্ৰহণ কৰাটোৱে মংগলজনক। কাৰণ প্ৰতিটো অঞ্চলৰ লোকসকলৰ খাদ্যাভ্যাস গঢ়ি উঠে সেই অঞ্চলটোৰ জলবায়ু, জীৱন যাপনৰ পদ্ধতি, কৰ্ম পদ্ধতি ইত্যাদি বিষয়ৰ ওপৰত। এগৰাকী ব্যক্তিয়ে খাদ্য গ্ৰহণ আৰু আহৰণ কৰা শক্তি (কেলৰি) ব্যয়ৰ মাজত ভাৰসাম্য ৰক্ষা হোৱাটো বাঞ্ছনীয়। দুয়োটাৰ মাজত ভাৰসাম্য ৰক্ষা হ'লে শৰীৰৰ বাবে অপকাৰ হোৱাৰ আশংকা নাথাকে।

চৰ্বি শৰীৰৰ বিকাশৰ ক্ষেত্ৰত প্ৰয়োজনীয়। পিছে এই প্ৰয়োজনীয় উপাদানবিধ যদি শৰীৰত বেছি পৰিমাণে জমা হয় তেতিয়া হ'লে বিপদ হ'ব পাৰে। সেইবাবে খাদ্য তালিকাত চৰ্বিযুক্ত আহাৰ কম পৰিমাণে অন্তৰ্ভুক্ত কৰিব লাগে। সদায় সুষম আহাৰ তালিকাভুক্ত কৰাৰ ওপৰত গুৰুত্ব দিব লাগে। কাৰণ সুষম আহাৰৰ পৰাই শৰীৰে প্ৰয়োজনীয় উপাদান লাভ কৰে। সৰুৰে পৰাই সুষম আহাৰ গ্ৰহণৰ অভ্যাস গঢ় তোলাৰ অভ্যাস কৰিব লাগে। সুষম আহাৰ হ'ল কাৰ্বোহাইড্ৰেট, প্ৰ'টিন, চৰ্বিৰ লগতে ভিটামিন আৰু খনিজ পদাৰ্থ। সকলোৱে যিমান সম্ভৱ সতেজ গাঢ় সেউজীয়া শাক-পাচলিয়ে গ্ৰহণ কৰিব লাগে। কাৰণ এনে ধৰণৰ শাক-পাচলি, ফলমূলতে পোৱা যায় শৰীৰৰ বাবে প্ৰয়োজনীয় গুৰুত্বপূৰ্ণ উপাদানসমূহ। মাছ খালে বহুতো উপকাৰ হয়। বিশেষকৈ ওমেগা, উপকাৰী ক'লেষ্টেৰল (এইছ ডি এল) আদি পোৱা যায়।

এইখিনিতে উল্লেখ কৰা ভাল হ'ব যে আমি যেতিয়াই তেতিয়াই যিকোনো খাদ্য খালেই নহ'ব। সাধাৰণতে বহুতো লোকেই নিশাৰ আহাৰত মাছ-মাংস, কাণী, পনিৰ আদি অন্তৰ্ভুক্ত কৰে। পিছে নিশা গুৰুপাকী আহাৰ গ্ৰহণ কৰাটো অনুচিত। ইংৰাজীত এষাৰ কথা আছে 'Brekfast like a king, lunch like a price; diner like a pauper. প্ৰত্যেকে পুৱাৰ আহাৰ ৰজাৰ দৰে গ্ৰহণ কৰিব লাগে। কাৰণ পুৱাই যদি শৰীৰটোৱে প্ৰয়োজনীয় উপাদানখিনি লাভ কৰে তেতিয়া হ'লে কাম কৰিবলৈ শক্তি পায়। তদুপৰি দিনটো কাম কৰি থকা বাবে শক্তি বা কেলৰিও ব্যয় হয়। তেতিয়া শৰীৰে গ্ৰহণ কৰা কেলৰি আৰু ব্যয় হোৱা পৰিমাণৰ মাজত ভাৰসাম্য ৰক্ষা হয়। আনহাতে, দুপৰীয়াৰ আহাৰ গুৰুপাকী নহ'লেও কোনো কথা নাথাকে। পুৱা আৰু দুপৰীয়া খাদ্য গ্ৰহণৰ মাজত এক নিৰ্দিষ্ট ব্যৱধান থকা উচিত। যিহেতু নিশা আমি বিশেষ কাম নকৰো সেইবাবে শৰীৰক কম শক্তিৰ প্ৰয়োজন। নিশা অতি কম পৰিমাণে খাদ্য গ্ৰহণ কৰাৰ অভ্যাস গঢ়ি তুলিলে শৰীৰৰ উপকাৰ হোৱাটো নিশ্চিত। দৈনন্দিন খাদ্য কিমান খাব লাগে সেয়া কে'বাটাও বিষয়ৰ ওপৰত নিৰ্ভৰ কৰে। বয়স, লিংগ, কামৰ ধৰণ আদিৰ ওপৰত ভিত্তি কৰিহে এগৰাকী ব্যক্তিয়ে কিমান পৰিমাণৰ খাদ্য নিতৌ গ্ৰহণ কৰিব সেৱা নিৰ্ধাৰণ কৰা হয়।

খাদ্যৰ স'তে নিমখ সকলোৱে খায়। এতিয়া পিছে সকলোৰে প্ৰশ্ন নিমখ কম কিয় খাব লাগে। নিমখ বেছি খালে কেনেধৰণৰ সমস্যাই গা কৰি উঠিব পাৰে? দৰাচলতে নিমখ খালে বেয়া নহয়, পিছে অতিৰিক্তভাৱে খালেহে উচ্চ ৰক্তচাপ আদি বৃদ্ধি হোৱাৰ আশংকা থাকে। নিমখত প্ৰচুৰ পৰিমাণে ছ'ডিয়াম থাকে। সেইবাবে নিমখ কমকৈ খাবলৈ চিকিৎসকে পৰামৰ্শ আগবঢ়ায়। নিমখ একেবাৰে নোখোৱাটোও স্বাস্থ্যৰ পক্ষে উপকাৰী বুলি ক'ব নোৱাৰি। অৱশ্যে এটা কথা ঠিক যিসকলৰ উচ্চ ৰক্তচাপৰ সমস্যা আছে তেওঁলোকে যিমান সম্ভৱ সিমান নিমখ কম পৰিমাণে খোৱাটোৱে মংগলজনক।

**নিয়মীয়াকৈ খোজ কাঢ়ক**

খোজকঢ়াটো শৰীৰৰ বাবে উপকাৰী। সেইবাবে সকলোৱে নিয়মীয়াকৈ খোজকঢ়া উচিত। প্ৰাতঃভ্ৰমণ আৰু সান্ধ্যা ভ্ৰমণক লৈ কোনো কথা নাই। দিনটোৰ ভিতৰত কমেও এঘণ্টা সময় বেগাই খোজ কাঢ়িব লাগে। খোজ কাঢ়িলে শৰীৰৰ বিভিন্ন অংগ-প্ৰত্যংগৰ সঞ্চালন হোৱাৰ লগতে ৰক্ত প্ৰবাহো স্বাভাৱিক হয়। আজিকালি প্ৰায়ভাগ লোকৰেই কৰ্মব্যস্ততাক দোহাই দি খোজকঢ়াৰ পৰা আঁতৰি থাকে। আনহাতে, সমাজত এতিয়া এনে কিছুমান লোক আছে যিসকলে ক'ৰবালৈ খোজকাঢ়ি গ'লে সামাজিক সন্মান হানি হয় বুলি ভাবে। ঘৰৰ ওচৰৰ বজাৰ বা দোকানলৈকে আনকি মটৰ চাইকেল অথবা গাড়ী লৈ যায়। অট্টালিকাৰ ওপৰ মহললৈ উঠিবলৈকে লিফ্‌ট ব্যৱহাৰ কৰা লোকৰ সংখ্যাই বেছি। কায়িক শ্ৰম নকৰা লোকসকলে অলপ সময়ো যদি খোজ নাকাঢ়ে তেতিয়া হ'লে শৰীৰৰ বিভিন্ন অংগ-প্ৰত্যংগৰ লগতে ৰক্ত সঞ্চালনৰ গতিও স্বাভাৱিক নহয়। শৰীৰৰ জমা হোৱা চৰ্বিৰ পৰিমাণ বৃদ্ধি পাবলৈ ধৰে। এনেদৰে বৃদ্ধি পোৱা চৰ্বিয়ে এসময়ত বিপদ ঘটায়। বহুতে ভাবে যে দিনটো কষ্ট কৰি আছে আৰু সেইবাবে বেছি সময় খোজকঢ়াৰ প্ৰয়োজন নাই। পিছে শীত-তাপ নিয়ন্ত্ৰিত কোঠাত বহি ১৮-১৯ ঘণ্টা কাম কৰিলেও তেওঁৰ যে কায়িক শ্ৰম হোৱা নাই সেই কথা এবাৰো ভাবি নাচায়। কায়িক শ্ৰম কৰাসকলে নিয়মীয়াকৈ খোজকঢ়া বিষয়টো সিমান গুৰুত্বপূৰ্ণ নহয়।

এইখিনিতে এটা প্ৰশ্ন সদায়ে উদয় হয়— প্ৰাতঃভ্ৰমণ নে সান্ধ্যা ভ্ৰমণ শৰীৰৰ বাবে উপকাৰী। এইক্ষেত্ৰত বহুতৰ মনত বিভিন্ন প্ৰশ্নৰ উদয় হ'লেও এটা কথা স্পষ্ট কৰি দিব লাগিব যে খোজকঢ়াৰ ক্ষেত্ৰত পুৱা অথবা গধূলি বুলি কোনো কথা নাই। দুয়োটা সময়তে একেই উপকাৰ পোৱা যায়। এগৰাকী ব্যক্তিয়ে যদি ৩০ মিনিট বেগাই খোজ কাঢ়ে তেন্তে ১০০ৰ পৰা ৩০০ কেলৰি ব্যয় হয়। সপ্তাহৰ সাত দিনেই নিয়মীয়াকৈ খোজ কাঢ়িলে কমেও ১০০০-৩০০০ কেলৰি ব্যয় কৰাটো সম্ভৱ, বেগাই খোজকঢ়াৰ ফলত শৰীৰত জমা হৈ থকা অতিৰিক্ত চৰ্বিও ব্যয় হয়। ফলত ডায়েবেটিছ আৰু হৃদৰোগ আদিৰ আশংকা ভালেখিনি হ্ৰাস পায়। খোজ কঢ়াটোৱে সৰ্বোত্তম ব্যায়াম বুলি সকলোৱে আখ্যা দিয়ে। এইখিনিতে এটা কথা সকলোৱে মনলৈ আহে— বেগাই খোজকঢ়া ভাল নে দৌৰিলে বেছি উপকাৰ পোৱা যায়। সাধাৰণতে প্ৰায়ভাগ লোকে খোজ কঢ়াৰ ওপৰতহে গুৰুত্ব প্ৰদান কৰে। যদিহে কাৰোবাৰ ওজন হ্ৰাস কৰাৰ ইচ্ছা আছে তেতিয়াহ'লে দৌৰাটোৱেই বেছি ফলদায়ক। আনহাতে, যদিহে ব্যায়াম কৰিব নোৱাৰে অথবা দৌৰিবও নোৱাৰে তেওঁলোকৰ বাবে সদায় নিৰ্দিষ্ট সময় খোজকঢ়াটোৱে বেছি লাভদায়ক। কেতিয়াবা কিছুমান লোকে বিভিন্ন অসুখৰ বাবে দৌৰিব নোৱাৰে। কিছুমানৰ আকৌ কৰ্মব্যস্ততাৰ বাবে দৌৰিবলৈ সময় নাপায়। এনে লোকে কামৰ মাজতেই ৩০ মিনিট সময় খোজ কাঢ়িব পাৰে। তদুপৰি কৰ্মস্থলীলৈ যদি দূৰত্ব বেছি নাথাকে তেতিয়াহ'লে খোজকাঢ়ি যোৱা উচিত। তদুপৰি বিদ্যালয়-মহাবিদ্যালয়লৈ যোৱাৰ সময়তো খোজকাঢ়ি গ'লে সৰুৰে পৰাই এনে অভ্যাস গঢ়ি উঠিব। আজিকালি বহুতে খোজ কাঢ়িলে সন্মান হানি হয় বুলি ভাবে। কিছুমানে আনকি ল'ৰা-ছোৱালীক বিদ্যালয়লৈকে বিলাসী বাহনত থ'বলৈ যায়। আগতে এক দুই কিলোমিটাৰ দূৰলৈকে ল'ৰা-ছোৱালীয়ে বিদ্যালয়-মহাবিদ্যালয়লৈ খোজ কাঢ়িয়ে অহা-যোৱা কৰিছিল বাবে বহুতো ৰোগে গা কৰি উঠিবলৈ সুযোগ পোৱা নাছিল। শৰীৰত কমকৈ চৰ্বি জমা হৈছিল। হৃদৰোগৰ সমস্যা কাচিৎ আছিল। প্ৰত্যেক পিতৃ-মাতৃয়ে সন্তানক সৰুৰে পৰাই খোজকঢ়াৰ অভ্যাস গঢ়ি তোলাৰ বাবে চেষ্টা কৰা উচিত।





# বিভিন্ন শ্ৰেণীৰ ঔষধৰ পাৰ্শ্বক্ৰিয়া

কিছুমান ঔষধ শৰীৰৰ বাবে তেনেই উপকাৰী বুলি গণ্য কৰিলেও অত্যধিক ব্যৱহাৰৰ ফলত সমান্তৰালভাৱে গা কৰি উঠে পাৰ্শ্বক্ৰিয়াৰ সমস্যাই। এই পাৰ্শ্বক্ৰিয়া ব্যক্তি বিশেষে ভিন্ন হ'ব পাৰে। ভিন্ন শ্ৰেণীৰ ঔষধৰ পাৰ্শ্বক্ৰিয়া ভিন্ন। এণ্টিভাইৰেল শ্ৰেণীৰ ঔষধৰ পাৰ্শ্বক্ৰিয়া হিচাপে ওকালি আহিব পাৰে। কিছুমানৰ বমি হয়। প্ৰতিটো ক্ষণতে অস্বস্তি অনুভৱ কৰা, ক্লান্তিবোধ অনুভৱ হোৱা আদি সমস্যায়ো সমান্তৰালভাৱে গা কৰি উঠিব পাৰে। শৰীৰৰ উত্তাপ বৃদ্ধি হোৱাৰ লগতে ডায়েৰীয়া আদিও হয়। এই শ্ৰেণীৰ ঔষধৰ পাৰ্শ্বক্ৰিয়াৰ ফলস্বৰূপে হাইপাৰ টেনচনজনিত প্ৰতিক্ৰিয়াৰ বাবে সৰ্বশৰীৰতে বিষ হোৱা দেখা যায়। এণ্টিপ্লেটেড ড্ৰাগ ব্যৱহাৰৰ ফলত ৰক্তক্ষৰণ, হাইপাৰটেনচন, ব্লেডিকাৰ্ডিয়া, ওকালি ভাব হোৱা, বমি হোৱা, পেটৰ বিষ আদিৰ সমস্যাই গা কৰি উঠে। কোষ্ঠকাঠিন্যও হয়। আনহাতে, কাৰ্বনিক এনহাইড্ৰেছ ইনহিবিটৰ শ্ৰেণীৰ ঔষধৰ বাবে তন্দ্ৰাচ্ছন্নৰ দৰে হ'ব পাৰে। ইয়াৰ উপৰি এলাৰ্জিক প্ৰতিক্ৰিয়া হোৱা, ছালৰ ওপৰত চকলা-চকল হোৱা, জ্বৰ, হাইপোকেলমিয়া, ওকালি ভাব আদিও হয়। সকলোবোৰ পাৰ্শ্বক্ৰিয়া একেলগে ফুটি উঠাৰ পৰিৱৰ্তে এটা বা দুটা লক্ষণো ফুটি উঠিব পাৰে। বেছিকৈ ডায়জেষ্টিভ এন্‌জাইম শ্ৰেণীৰ ঔষধ খোৱা সকলৰ আকৌ অন্য ধৰণৰ পাৰ্শ্বক্ৰিয়াই দেখা দিয়ে। এনে ঔষধ নিয়মীয়াকৈ খালে ওকালি ভাবৰ সৃষ্টি হোৱাৰ উপৰি বমিও হয়। আনহাতে, এলাৰ্জিৰ সমস্যাই গা কৰি উঠে। কিছুমানৰ পেটৰ সমস্যায়ো দেখা দিয়ে। মূৰৰ বিষ হয়। এনোৰেক্সিয়া হ'লে খাবলৈ মন নকৰে। ভোক লাগিলেও খাবলৈ আগ্ৰহী নহয়। বেছিকৈ খালে শকত হোৱাৰ ভয় মনত জাগি উঠে। এনে ব্যক্তিয়ে শুকাই-ক্ষীণাই যায়। পাৰ্শ্বক্ৰিয়াৰ ফলত আচন্দ্ৰোৱাৰ দৰেও অনুভৱ হয়। এনে শ্ৰেণীৰ ঔষধ ব্যৱহাৰৰ ক্ষেত্ৰত ডায়েবেটিক ৰোগী সতৰ্ক হোৱাটো তেনেই গুৰুত্বপূৰ্ণ বিষয়।

এণ্টিবায়'টিক হিচাপে ব্যৱহাৰ কৰা টেট্ৰোচাইক্লিনৰ পাৰ্শ্বক্ৰিয়া হিচাপে অৰুচি, ওকালি ভাব, বমি হোৱা, পেটৰ অস্বস্তি হোৱা, ছালত চকলা-চকল দাগ হোৱা, লিভাৰৰ ক্ষতি, দাঁতত দাগ বন্ধাৰ উপৰি, মূৰ ঘূৰণি আৰু কোষ্ঠকাঠিন্যৰ সমস্যাই গা কৰি উঠে।

# শাক-পাচলি নিয়মীয়াকৈ খাওক



নিয়মীয়াকৈ খাদ্য তালিকাত শাক-পাচলিৰ লগতে ফলমূল অন্তৰ্ভুক্ত কৰা উচিত। কাৰণ শাক-পাচলি আৰু ফলমূলত শৰীৰৰ বাবে প্ৰয়োজনীয় সকলোবোৰ উপাদান পোৱা যায়। সতেজ সেউজীয়া শাক-পাচলিত বিভিন্ন ধৰণৰ ভিটামিনৰ লগতে খনিজ পদাৰ্থও পোৱা যায়। সুস্বাস্থ্যৰ বাবে এনেধৰণৰ খাদ্য গ্ৰহণ কৰাটো নিতান্তই প্ৰয়োজন। সাধাৰণতে শাক-পাচলিত ভিটামিন 'এ' 'বি' 'চি' আদি পোৱা যায়। টেঙা জাতীয় ফলত বিশেষকৈ কমলা টেঙা-নেমু আদিত প্ৰচুৰ পৰিমাণে ভিটামিন 'চি' পোৱা যায়। এইবিধ ভিটামিনে শৰীৰত ৰোগ প্ৰতিৰোধ কৰাত বিশেষ ভূমিকা গ্ৰহণ কৰা দেখা যায়। আজিকালি বহুতেই পৰম্পৰাগত খাদ্য খোৱাৰ পৰিৱৰ্তে আন খাদ্য খোৱাৰ ফলত বিভিন্ন সমস্যাই গা কৰি উঠিবলৈ ধৰিছে। শাক-পাচলিত এণ্টি অক্সিডেন্ট বিশেষকৈ বিলাহী আদিত প্ৰচুৰ পৰিমাণে পোৱা যায়। এইখিনিতে উল্লেখ কৰিব লাগিব যে বয়স বৃদ্ধিৰ লগে লগে শৰীৰত বিপাকীয় পৰিৱৰ্তনে দেখা দিবলৈ ধৰে। সেইবাবে যদি সঠিক পৰিমাণে পুষ্টিকৰ খাদ্য গ্ৰহণ কৰা নহয়, তেতিয়াহ'লে শৰীৰে নিজস্ব প্ৰতিৰক্ষা ব্যৱস্থা বজাই ৰখাটো অসম্ভৱ। দৰাচলতে আমি দৈনন্দিন জীৱনযাত্ৰাত যি ধৰণৰ খাদ্য গ্ৰহণ কৰো বা খোৱাটো প্ৰয়োজনীয় তাৰ মাজতে থাকে এটি প্ৰক্ৰিয়া, যিটো সকলোৱে অজ্ঞাতে স্বয়ংক্ৰিয়ভাৱে চলি আহিছে। প্ৰত্যেক মানুহেই বাৰ্ধক্য প্ৰতিৰোধ কৰিবলৈ বিচাৰে। তথাপি প্ৰকৃতিগতভাৱে মানৱ জীৱনলৈ নামি আহে বাৰ্ধক্য। বাৰ্ধক্য জীৱনলৈ অহাত পলম হোৱাৰ ক্ষেত্ৰত যিয়ে বিশেষ ভূমিকা গ্ৰহণ কৰে সেয়া হ'ল এণ্টি অক্সিডেন্টছ। এইখিনিতে উল্লেখ কৰিব লাগিব যে বিভিন্ন ধৰণৰ অসুখ-বিসুখ, অকাল বাৰ্ধক্য, চৰ্মৰোগ আদিৰ মূলতেই হ'ল ফ্ৰি ৰেডিকেলছ। বিপাকক্ৰিয়া আমাৰ শৰীৰৰ ভিতৰত প্ৰতিদিনে চলি থাকে। এক কথাত ক'বলৈ গ'লে আমি দৈনন্দিন যিবোৰ খাদ্য গ্ৰহণ কৰো সেইবোৰৰ পৰা শক্তি আহৰণ কৰিবলৈ হ'লে বিপাকক্ৰিয়াৰ মাধ্যম থাকিবই লাগিব। এই বিপাকক্ৰিয়াৰ সময়তে প্ৰতি মুহূৰ্তত আমাৰ বিভিন্ন ধৰণৰ ফ্ৰি ৰেডিকেল উৎপন্ন হৈ থাকে। এই সকলোবোৰ ফ্ৰি ৰেডিকেলছক প্ৰশমিত কৰে এণ্টি অক্সিডেন্টছে। অৱশ্যে ইয়াৰ ভিতৰত কিছু কিছু এণ্টি অক্সিডেণ্টছ আমাৰ শৰীৰত থাকেই। শ্বাস-প্ৰশ্বাসৰ সময়ত প্ৰতিবাৰে বতাহৰ পৰা যি অক্সিজেন গ্ৰহণ কৰা হয় তাৰে ৯৮ শতাংশ ঠিকমতে দহন হয়। তাপ, কাৰ্বন-ডাই-অক্সাইড, পানী, জৈৱশক্তি আৰু অন্যান্য পদাৰ্থত এই অক্সিজেন দহন হোৱা দেখা যায়। কিন্তু বাকী দুই শতাংশ কোষৰ মাইট্ৰ'কণ্ডিয়াৰ মাজত আংশিক দহন ঘটে। ইয়াৰ ফলত স্বাভাৱিকত পদ্ধতি অনুসৰি পানী উৎপন্ন হ'ব নোৱাৰি বি-সুৰীয়া ইলেক্ট্ৰণ উৎপন্ন হয়। এইবোৰ ভয়ংকৰ ৰি-একটিভ বা প্ৰতিক্ৰিয়াশীল। চিকিৎসা বিজ্ঞানৰ ভাষাত তাকেই আমি ফ্ৰি ৰেডিকেল বুলি কওঁ। শৰীৰত উৎপন্ন হোৱা ফ্ৰি ৰেডিকেলছ প্ৰশমিত বা নিষ্ক্ৰিয় কৰিবলৈ এণ্টি অক্সিডেণ্টৰ প্ৰয়োজন। ফ্ৰি ৰেডিকেলছৰ পৰা হ'ব পৰা সম্ভাব্য আক্ৰমণ প্ৰতিহত কৰাত ই বিশেষ ভূমিকা গ্ৰহণ কৰে। ফ্ৰি ৰেডিকেলছসমূহ হ'ল মুক্ত পৰমাণু। সেয়েহে ই স্থায়ী ৰূপ ধাৰণ কৰিবলৈ চেষ্টা কৰে। স্থায়িত্ব লাভ কৰিবলৈ চেষ্টা চলাওতে কোষৰ প্ৰাচীৰ, ডি এন এক প্ৰতিটো মুহূৰ্ততে আক্ৰমণ কৰে। ইয়াৰ ফলত আৰু অধিক পৰিমাণে ফ্ৰি ৰেডিকেলৰ উৎপত্তি হোৱা দেখা যায়। যেতিয়ালৈকে এণ্টি অক্সিডেণ্টে ইহঁতক আক্ৰমণ নকৰে, তেতিয়ালৈকে ই ধ্বংসকাৰ্য অব্যাহত ৰাখে। শৰীৰত ছুপাৰ অক্সাইড ডিছমিউটজ, গ্লুটাথিঅ'ন পাৰ অক্সিডো ইত্যাদি এনজাইম থাকে। এইবোৰো একপ্ৰকাৰৰ এণ্টি অক্সিডেণ্ট। খোৱা-বোৱাৰ পৰা আৰম্ভ কৰি দৈনিক চাপ, টেনছন, ধূমপান আদিয়েও এণ্টি অক্সিডেণ্ট ধ্বংস কৰি পেলায়। সাধাৰণতে বিভিন্ন ধৰণৰ ফল মূল, শাক-পাচলি আদিত যথেষ্ট পৰিমাণে এণ্টি অক্সিডেণ্ট পোৱা যায়। উদ্ভিদ আৰু প্ৰাণীজ উৎসৰ পৰাও কিছু পৰিমাণে এণ্টি অক্সিডেণ্ট লাভ কৰাটো সম্ভৱ। অনিয়ন্ত্ৰিত জীৱন-যাপন আৰু অনিয়মীয়া খাদ্যাভ্যাসৰ বাবে শৰীৰত ফ্ৰি ৰেডিকেলৰ পৰিমাণ বৃদ্ধি পায়। প্ৰয়োজনীয় এণ্টি অক্সিডেণ্টসমূহ হ'ল— ভিটামিন 'এ', ভিটামিন 'ই', ভিটামিন 'চি', জিংক, কপাৰ, কৰোটিনয়েডছ, আলফা-লিপোইক এচিড, কো-এনজাইম কিউটেন আদি। আইৰণেও এণ্টি অক্সিডেণ্ট হিচাপে কাম কৰে।



# ইনছুলিন



ডায়েবেটিছ ৰোগৰ অন্যতম চিকিৎসা হ'ল ইনছুলিন। তেজত শৰ্কৰা নিয়ন্ত্ৰণৰ ক্ষেত্ৰত ইনছুলিনৰ ভূমিকা গুৰুত্বপূৰ্ণ। এই ৰোগবিধ সম্পৰ্কে ইতিমধ্যে বিশ্বৰ বিভিন্ন ঠাইত গৱেষণা আৰম্ভ হৈছে। ৰোগবিধৰ বিষয়ে যিমানে নতুন নতুন তথ্য লাভ কৰাটো সম্ভৱ হৈছে, সিমানেই চিকিৎসাও সুচল হৈ পৰিছে। ইনছুলিন ৰোগীগৰাকীক কেতিয়া ব্যৱহাৰ কৰিব লাগিব, সেই সম্পৰ্কে চিকিৎসকে পৰামৰ্শ আগবঢ়ায়। শৰীৰত শৰ্কৰা বা গ্লুক'জৰ পৰিমাণ ভাৰসাম্য কৰি ৰাখিবলৈ ইনছুলিন ব্যৱহাৰ কৰা হয়।

**কেনেদৰে প্ৰয়োগ কৰিব**

ইনছুলিন প্ৰয়োগৰ কিছুমান নিৰ্দিষ্ট নিয়ম আছে। কেনেদৰে ইয়াৰ প্ৰয়োগ কৰিব লাগে, সেই বিষয়ে জানি থোৱা ভাল—



১) বেজী ছালৰ তলত ছাবকিউটেনিয়াছ কলাত দিব লাগে। বহুতে ভাবে যে এই বেজী ছালৰ তলত প্ৰয়োগ কৰা হয়। দৰাচলতে ছাবকিউটেনিয়াছ কলাৰ বাহিৰে আন অংশত দিয়া নহয়।

২) ইনছুলিন পেটত ল'লে নাভিৰ পৰা দুই ইঞ্চি এৰিহে প্ৰয়োগ কৰিব লাগে। তদুপৰি উৰুৰ সন্মুখৰ ফালে অথবা বাহিৰৰ ফালেও ছালৰ তলত প্ৰয়োগ কৰিব পাৰি। মনত ৰাখিব উৰুৰ ভিতৰৰ ফালে কেতিয়াও ইনছুলিন প্ৰয়োগ কৰিব নালাগে।

৩) ইনছুলিন একে ঠাইতে প্ৰয়োগ কৰাৰ পৰিৱৰ্তে স্থান সলনি কৰিব লাগে।

৪) ইনছুলিন প্ৰয়োগৰ ব্যায়াম নকৰাটোৱেই মংগলজনক। কিয়নো এনেদৰে ব্যায়াম কৰাৰ ফলত তেজত শৰ্কৰাৰ পৰিমাণ হ্ৰাস পোৱাৰ আশংকা থাকে।

৫) ইনছুলিন পেন ব্যৱহাৰ কৰোতে সদায় মনত ৰাখিব যাতে ইয়াক পাঁচ ছেকেণ্ডমান সময় পেনটোৰ সন্মুখভাগ ধৰি ৰাখিব লাগে। কিয়নো এনেদৰে ৰাখিলেহে ইনছুলিন ছাবকিউটেনিয়াছ কলাৰ ভিতৰত সম্পূৰ্ণৰূপে প্ৰৱেশ কৰিব।

৬) ৰেপিড এক্‌টিং ইনছুলিন খাদ্য গ্ৰহণৰ ১৫ মিনিট আগতে অথবা ১৫ মিনিট পাছতো প্ৰয়োগ কৰিব পাৰে. আনহাতে, শ্বৰ্ট এক্‌টিং ইনছুলনি প্ৰয়োগৰ ক্ষেত্ৰত খাদ্য গ্ৰহণৰ স'তে ৩০ মিনিটৰ ব্যৱধান থকা উচিত।

৭) আন এটা গুৰুত্বপূৰ্ণ বিষয় হ'ল এনে ধৰণৰ ৰোগীয়ে যিকোনো সময়তে কমেও ১৫ গ্ৰাম শৰ্কৰা জাতীয় খাদ্য লগত ৰাখিব লাগে। যদিহে হঠাতে তেজত শৰ্কৰাৰ পৰিমাণ হ্ৰাস পায়, তেতিয়া এনে খাদ্য খালে বিপদ হোৱাৰ আশংকা নাথাকে। যদিহে সময় মতে চিকিৎসকৰ পৰামৰ্শ গ্ৰহণ কৰি ইনছুলিন প্ৰয়োগ কৰা নহয় তেতিয়াহ'লে যিকোনো সময়তে সমস্যাই জটিল ৰূপ ধাৰণ কৰাৰ আশংকা থাকে।



# পুনৰ ৰূপালী পৰ্দাত শ্বাহৰুখ-কাজল যুটি !

**বলিউদৰ** হিট যুটিসমূহৰ ভিতৰত ওপৰৰ ফালেই থাকিব শ্বাহৰুখ খান আৰু কাজলৰ যুটি। এই দুই তাৰকাই একেলগে কেবাখনো হিট ছবি উপহাৰ দিছে। বলিউদৰ চৰ্চা অনুসৰি, কৰণ জোহৰৰ এখন ছবিৰ যোগেদি এই ছুপাৰহিট যুটিটোক পুনৰ একেলগে ৰূপালী পৰ্দাত দেখা যাব। আনকি ছবিখন ‘কুচ কুচ হোতা হ্যে’ৰ ছিকুৱেল হ’ব পাৰে বুলিও চৰ্চা চলিছে।

অৱশ্যে এই চৰ্চা চলি থকাৰ মাজতে কৰণৰ ধৰ্মা প্ৰডাকচনৰ তৰফৰ পৰা জনোৱা হ’ল যে শ্বাহৰুখ-কাজলে একেলগে ছবিত অভিনয় নকৰে। বৰঞ্চ তাৰকাদ্বয়ক কৰণৰ নতুন ছবি ৰাণী ঔৰ ৰকী কি প্ৰেম কাহানি’ৰ এটা গীতৰ দৃশ্যত দুয়োকে দেখা যাব। অতি শীঘ্ৰেই গীতৰ দৃশ্যাংশৰ চিত্ৰগ্ৰহণো সম্পন্ন হোৱাৰ কথা। ছবিখনৰ মূল ভূমিকাত আছে ৰণবীৰ সিং আৰু আলিয়া ভাট। শুনা গৈছে যে তাৰকাদ্বয় পৰিচালক কৰণৰ ঘনিষ্ঠ বন্ধু হোৱাৰ বাবেই এটি গীতত একেলগে অভিনয় কৰিবলৈ সন্মত হৈছে।

উল্লেখ্য যে শ্বাহৰুখ-কাজলৰ ৰূপালী পৰ্দাৰ প্ৰেমৰ যাদু কোনো গুণেই কম নহয়। সেয়ে ইমান বছৰ অতিবাহিত হোৱা সত্ত্বেও তাৰকাদ্বয়ৰ যুটিয়ে অনুৰাগীৰ মনত জোৱাৰ তুলি আহিছে। ‘বাজীগৰ’, ‘কৰণ-অৰ্জুন’, ‘দিলৱালে দুলহনীয়া লে জায়েংগে’, ‘কভি খুচি কভি গম’, ‘মাই নেম ইজ খান’, ‘দিলৱালে’ ছবি ছুপাৰহিট হৈছিল। সেই বাবেই কৰণৰ ছবিত দুয়ো একেলগে অভিনয় কৰিব বুলি শুনি প্ৰথমেই উচ্ছ্বসিত হৈ পৰিছিল। অৱশ্যে কৰণ জোহৰে অনুৰাগীসকলক হতাশ কৰিলেও তেওঁলোকক আনন্দিত কৰাৰ দায়িত্ব লৈছে আন এজন প্ৰখ্যাত পৰিচালক ৰাজকুমাৰ হিৰাণীয়ে। ‘মুন্নাভাই’ শৃংখলা, ‘পিকে’ আদি ছবিৰ পৰিচালক হিৰাণীয়ে পুনৰ নিজস্ব শৈলীৰ এখন কমেডী ছবি নিৰ্মাণৰ বাবে সাজু হৈছে। সেই ছবিতে একেলগে অভিনয় কৰিব শ্বাহৰুখ আৰু কাজলে। ইতিমধ্যেই ছবিৰ প্ৰাথমিক প্ৰস্তুতি আৰম্ভ হৈছে।



## কুৰুক্ষেত্ৰ মহাসমৰৰ পৰৱৰ্তী সময়ৰ কাহিনী

**মহাকাব্য** মহাভাৰতৰ কুৰুক্ষেত্ৰ মহাসমৰৰ পৰৱৰ্তী সময়ৰ কাহিনীৰ বিশেষ দৰ্শনেৰে অনিল কুমাৰ ভট্টাচাৰ্যই ৰচনা কৰা ‘যুগ অন্য যুগ’ নাটক যোৱা নিশা তেজপুৰৰ ঐতিহ্যমণ্ডিত বাণ থিয়েটাৰত প্ৰদৰ্শিত হয়। প্ৰতিকূল প্ৰাকৃতিক পৰিৱেশ সত্ত্বেও যথেষ্ট সংখ্যক দৰ্শকে নাটকখন উপভোগ কৰে। উল্লেখ্য যে নাটকখনৰ কাহিনী আছিল মহাভাৰতৰ অৰ্থাৎ কুৰুক্ষেত্ৰ যুদ্ধৰ পৰৱৰ্তী কালছোৱা। যুগনায়ক শ্ৰীকৃষ্ণৰ দ্বাৰকা নগৰিত তেতিয়া বিৰাজ কৰিছে যুদ্ধোত্তৰ কালৰ শান্তিৰ পৰিৱেশে। কিন্তু সেই চাক্ষুশ শান্তিৰ পৃষ্ঠভূমিত সৃষ্টি হোৱা পৰৱৰ্তী সময়ৰ এক বিপৰীত পৰিৱেশক একাংশ দক্ষ অভিনয় শিল্পীৰ জৰিয়তে মঞ্চায়ন কৰা হ’ল বাণ থিয়েটাৰত। এঘন্টা পোন্ধৰ মিনিটৰ নাটকখনত কুৰুক্ষেত্ৰ যুদ্ধৰ পাছৰ সেই সময়ৰ বয়সৰ শ্ৰীকৃষ্ণ, বলোৰাম, কৃষ্ণৰ বন্ধু উতংগ, সাত্যকি, কৃত বৰ্মা, দাৰুক, ব্যাধ, ৰুক্মিণী, এগৰাকী বৃদ্ধ আৰু কিশোৰ চৰিত্ৰক লৈ বিশিষ্ট সংগীতশিল্পী তথা ‘চাতক’ৰ সভাপতি অনিল কুমাৰ ভট্টাচাৰ্যই এক বিশেষ দৰ্শনেৰে ৰচনা কৰা আৰু ইতিমধ্যে আকাশ বাণী গুৱাহাটী কেন্দ্ৰৰ জৰিয়তে সম্প্ৰচাৰিত হৈ বহুল সমাদৃত ‘যুগ অন্য যুগ’ শীৰ্ষক নাটকখনে দীৰ্ঘ বিৰতিৰ পাছত মঞ্চত পৰিৱেশন কাৰ হয়।

# তেজপুৰৰ বাণ থিয়েটাৰত ‘চাতক’ৰ নাটক ‘যুগ অন্য যুগ’ৰ সফল মঞ্চায়ন

বিশিষ্ট নাট্য আৰু ভাওনা শিল্পী ভৱানী ভূএঞাই নাট্যকাৰ ভট্টাচাৰ্যৰ স’তে পৰিচালনা কৰা এই নাটকখনত ভট্টাচাৰ্যৰ জৰিয়তে মানস প্ৰতীম বৰাই অতি অৰ্থবহ আৰু মনোগ্ৰাহী সংগীত ব্যৱহাৰ কৰাৰ লগতে পোহৰ নিক্ষেপণৰ ক্ষেত্ৰত তেজপুৰৰ বিশিষ্ট আলোক শিল্পী বিপুল নাথেও পোহৰৰ সু প্ৰয়োগ কৰি নাটকৰ সফল মঞ্চায়নত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। স্বৰ্ণমণ্ডিত দ্বাৰকাৰ দ্বাৰ সেইখিনি সময়ত কিয় খহি পৰিছিল অথবা মহা প্ৰলয়ে এফালৰ পৰা সকলোকে কেনেদৰে গ্ৰাস কৰিছিল আৰু পৰাক্ৰমী অৰ্জ্জুনৰ স’তে হস্তিনাপুৰলৈ যোৱা দ্বাৰকাৰ কুলবধু সকলৰ কি হ’ল এই সকলো বিষয়ৰ মনোগ্ৰাহী উপস্থাপনৰে নাটকখনে লাভ কৰে অনন্য মাত্ৰা। উদীয়মান



আকাংক্ষা ভূএঞা, মৰিচী দেৱ নাথ আৰু জ্ঞানাংগ নাথ শৰ্মাই নাটকখনৰ বিশেষ দৃশ্যাংশত অংশ গ্ৰহণ কৰি দৰ্শকক আপ্লুত কৰাৰ সমান্তৰাল ভাৱে ইতিমধ্যে দক্ষ অভিনেতা হিচাপ খ্যাত ৰাজীৱ শৰ্মাই বলোৰামৰ চৰিত্ৰত, দিপাংকৰ নাথে শ্ৰীকৃষ্ণৰ চৰিত্ৰত বলিষ্ঠ অভিনয় কৰি দক্ষতাৰ পৰিচয় দিয়ে। একেদৰে গৌতম কোঁচ, নিতুমণি কলিতা, বিপ্লৱ শৰ্মা, গৌতম শৰ্মাৰ লগতে অনিল কুমাৰ ভট্টাচাৰ্য, ভৱানী ভূএঞা, পংকজ শৰ্মাই অভিনয় কৰা নাটকখনৰ একমাত্ৰ নাৰী চৰিত্ৰ ৰুক্মিণীৰ চৰিত্ৰত দৰ্শনীয় অভিনয় কৰে মুন ডেকা চৌধুৰীয়ে নাটকখনৰ একমাত্ৰ শিশু চৰিত্ৰটো ৰূপায়ণ কৰা চৰ্চিকা চৌধুৰীৰ সাৱলীল অভিনয় যেনেদৰে আশাব্যঞ্জক আছিল সেইদৰে নাটকখনৰ অতি কঠিন সংলাপ সমূহ প্ৰত্যেক গৰাকী অভিনয় শিল্পীয়ে সলসলীয়াকৈ আওৰাই অভিনয় কৰাত নাটকখনৰ গতিত কোনোধৰণৰ জঠৰতা তথা সঞ্জহবিৰতা নথকাটো এক উল্লেখযোগ্য দিশ।

বাণ থিয়েটাৰৰ কাৰ্যনিৰ্বাহক সদস্য পংকজ বৰুৱাৰ নাটকখনৰ নেপথ্যৰ সংলাপৰে এই বিশেষ নাটকখনে দৰ্শকক এক পৃথক সোৱাদ দিবলৈ সক্ষম হয়।

## ভাৱৰীয়াৰ সাবলীল প্ৰদৰ্শনত মোহাচ্ছন্ন দৰ্শক



# বিৰহ বেবেজীয়াত ‘মুক্ত তীৰ্থ’ অসমীয়া ভাওনা

**নগাঁও** জিলাৰ ঐতিহ্যমণ্ডিত বিৰহ বেবেজীয়া নামঘৰ আৰু শংকৰী কলাকেন্দ্ৰৰ স্থায়ী মণিকূট আৰু গুৰু আসন প্ৰতিষ্ঠানৰ বাবে তিনিদিনীয়াকৈ আয়োজিত বৰ্ণাঢ্য অনুষ্ঠান উপলক্ষে বিহুৰাম কাকতি বৰবায়ন আৰু হাতীচোং মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক ক্ষিৰোদ কুমাৰ নাথৰ পৰিচালনাত পৰিবেশিত ‘মুক্ত তীৰ্থ’ অসমীয়া ভাওনাত ভাৱৰীয়াৰ মননশীল প্ৰদৰ্শনে ভক্তপ্ৰাণ দৰ্শক-ৰাইজক যোৱা ১০ মে’ৰ পুৱতি নিশা পৰ্যন্ত মোহাচ্ছন্ন কৰি ৰাখে। কৃষি বিভাগৰ অৱসৰপ্ৰাপ্ত বিষয়া তথা প্ৰবীণ সমাজকৰ্মী মহেশ্বৰ ভূএঞাই উদ্বোধন কৰা ভাওনাখনত অভিনয় কৰা শিল্পীসকলৰ সাৱলীল অভিনয়ে দৰ্শক-ৰাইজৰ পৰা সমাদৰ লাভ কৰে। বৰ্ষিয়ান বিহুৰাম কাকতি বৰবায়নৰ নেতৃত্বত ক্ষিৰোদ কুমাৰ নাথ, পবিত্ৰ শইকীয়া, বিনোদ শইকীয়া, বাবুল নাথ, ফনীধৰ নাথ, খেলন নাথ, চন্দ্ৰ শইকীয়া, ডিম্বেশ্বৰ শইকীয়া, খুমন চন্দ্ৰ নাথ আৰু বকুল ভূএঞাৰ গায়ন-বায়নৰ দলটোয়ে জোৰা পৰিবেশন কৰে। আনহাতে, শ্ৰীশ্ৰীকৃষ্ণৰ চৰিত্ৰত বিৰহ বেবেজীয়াৰ দিব্যজ্যোতি নাথ, বালক কৃষ্ণৰূপে প্ৰিয়ানুজ নাথ আৰু সূত্ৰধাৰৰ ভূমিকাত ভূপেন ভূএঞাই সুন্দৰ কৈ ভাওনাখন আগবঢ়াই নিয়াত অৰদান যোগায়। ভাওনাখনত ভাৱৰীয়াৰূপে পাৰ্থপ্ৰতিম কলিতা, দুদুল কাকতি, বিমল কাকতি, বুবু নাথ, দীপমনি নাথ (শেনচোৱা), অজিত নাথ, তোলন মহন্ত, মন্টুন নাথ, লোকনাথ ভূএঞা, নুপুৰ শইকীয়া, নিপুল হাজৰিকা, ভাস্কৰ বৰা, বাবাতি নাথ, চন্দ্ৰমণি শইকীয়া, সুনীতা দেৱী, হিমাদ্ৰী ভূএঞা, ভাগ্যশ্ৰী দেৱী, নিলাক্ষি দেৱী, ববি মেধি ভূএঞা, ঝৰ্ণা ভূএঞা, দেইজী শইকীয়া, আইমণি দেৱী আদি আছিল। নামঘৰ পৰিচালনা সমিতিৰ সভাপতি চতীন্দ্ৰ নাথ আৰু সম্পাদক তথা বিশিষ্ট সমাজ সংগঠক ডম্বৰুধৰ নাথৰ লগতে যুৱক-যুৱতী, আই-মাতৃ তথা গাঁওবাসী ৰাইজৰ সক্ৰিয় সহায়-সহযোগিতাত কুশ কলিতা, নিত্যানন্দ নাথ, বলোৰাম নাথ, পুতুল শইকীয়া আদিয়ে নাটভাগৰ বিভিন্ন দিশ চোৱা-চিতা কৰে বুলি পৰিচালনা সমিতিয়ে লগতে জনাইছে। উল্লেখ্য যে এই তিনিদিনীয়া অনুষ্ঠানত অসমীয়া ভাওনা প্ৰদৰ্শনৰ উপৰি আন কাৰ্যসূচীসমূহৰ ভিতৰত খোল প্ৰসংগ, নাম প্ৰসংগ, ভাগৱত শোভাযাত্ৰ, মণিকূট তথা গুৰু আসন প্ৰতিষ্ঠা, ভাগৱত পাঠ আৰু ব্যাখ্যা, মহানাম, গন্ধব্য বাদন, গোপিনী কীৰ্তন আৰু বন্তি প্ৰজ্বলন আদি আছিল।

# মুৰুলী নাট্য গোষ্ঠীৰ নাট সমাৰোহৰ সামৰণি

**যোৰহাট** জিলাৰ অন্তৰ্গত পশ্চিমে দহোটিয়াৰ নলীন চন্দ্ৰ হাজৰিকা সোঁৱৰণী ৰাজহুৱা সভাঘৰত অলপতে মুৰুলী নাট্য গোষ্ঠীয়ে অনুষ্ঠিত কৰা নাট সমাৰোহ সফলতাৰে সামৰণি পৰে। পশ্চিম যোৰহাটৰ গ্ৰামাঞ্চলৰ ন-পুৰণি প্ৰতিভাৱান শিল্পীসকলক লৈ তিনিদিনীয়াকৈ তিনিখন নাটক মঞ্চস্থ কৰে। প্ৰথম দিনা মহেশ কলিতাৰ ‘ভাড়া ঘৰৰ বোৱাৰী’, দ্বিতীয় দিনা অৱতাৰ সিঙৰ ‘ফুল চন্দন তুলসী’ আৰু শেষৰ দিনা সেৱাব্ৰত বৰুৱাৰ ‘দখল’ নাটক মঞ্চস্থ কৰে। নাট্যচৰ্চাৰ বিশিষ্ট কৰ্মী প্ৰদীপ হাজৰিকা আৰু তৰুণী কুমাৰ শৰ্মাই নাট পৰিচালনা কৰে। উল্লেখ্য যে বিগত বৰ্ষসমূহৰ দৰে মুৰুলী নাট্যগোষ্ঠীয়ে নবীন প্ৰজন্মক নাটকৰ প্ৰতি আগ্ৰহী আৰু নাট্য আন্দোলনৰ ধাৰা অব্যাহত ৰখাৰ উদ্দেশ্যে নাট সমাৰোহ আয়োজন কৰিছে। তিনিদিনৰ নাটসমূহ পৃথকে পৃথকে উদ্বোধন কৰে স্থানীয় বিধায়ক ভৱেন্দ্ৰ নাথ ভৰালী, প্ৰাক্তন বিধায়ক সুশীলা হাজৰিকা আৰু আৰক্ষী বিষয়া অনুপম গোৱলাই। তদুপৰি নাট মঞ্চস্থ হোৱাৰ প্ৰাকমুহূৰ্তত মুৰুলী নাট্য গোষ্ঠীৰ সম্পাদক মলয় পল্লৱ বৰা আৰু শিক্ষক অৰূপ দত্তই আঁত ধৰা অনুষ্ঠানত অঞ্চলটোৰ সমাজকৰ্মী, শিল্পীক সম্বৰ্ধনা জনায়। তিনিওদিনৰ নাটকত অভিনয় কৰা সকলোৱে নিষ্ঠাৰে অভিনয় কৰি দৰ্শকৰ মন জয় কৰিবলৈ সক্ষম হৈছে। এই নাট সমাৰোহ গ্ৰামাঞ্চলত বহু ন ন -শিল্পীক পৰিচয় কৰাই দিবলৈ সক্ষম হয়।



# পাৰিশ্ৰমিকৰ শীৰ্ষত বাহুবলী

## বলিউদৰ মহাতাৰকাক চেৰ পেলালে প্ৰভাসে

**খান**-কাপুৰহঁতৰ ৰাজত্বত এইবাৰ দখলদাৰী আৰম্ভ হৈছে দক্ষিণৰ। শেহতীয়াকৈ দক্ষিণ ভাৰতীয় ছবিয়ে বলিউদৰ ছবিতকৈ বেছি সমাদৰ লাভ কৰিছে। কে’বাখনো ছবিয়ে তোলপাৰ লগাইছে, যাৰ তুলনাত বলিউদৰ ছবিক দৰ্শক টনাৰ ক্ষেত্ৰত কিছু ম্লান দেখা গৈছে। ইয়াৰ সমান্তৰালকৈ ছবিৰ বাবদ পাৰিশ্ৰমিক গ্ৰহণৰ ক্ষেত্ৰতো দক্ষিণৰ অভিনেতাই বলিউদৰ মহাতাৰকাসকলক প্ৰত্যাহ্বান জনাইছে। প্ৰাপ্ত তথ্য অনুসৰি, প্ৰতিখন ছবিত ‘বাহুবলী’ৰ উপাৰ্জনে হেনো ইতিমধ্যেই বলিউদৰ ছুপাৰষ্টাৰসকলক চেৰ পেলাইছে।

কিমান টকা উপাৰ্জন কৰে ‘বাহুবলী’খ্যাত প্ৰভাসে। ছবি উদ্যোগটোৰ সূত্ৰই জনোৱা মতে, প্ৰভাসে হেনো আজিকালি ডেৰশ কোটি টকাৰ তলত কোনো ছবিতেই কাম কৰিব নোখোজে। ফলত দক্ষিণৰ ছুপাৰষ্টাৰজনেই হেনো এতিয়া দেশৰ সবাতোকৈ অধিক উপাৰ্জনকাৰী অভিনেতাত পৰিগণিত হৈছে। দক্ষিণৰ ছবিততো তেওঁৰ আধিপত্য আছিলেই, এতিয়া হেনো তেওঁ শ্বাহৰুখ, ছলমান, আমিৰহঁতৰ ৰাজত্বৰো ওৰ পেলোৱাৰ বাবে সাজু হৈছে। এই মুহূৰ্তত প্ৰত্যেক ছবিৰ পাৰিশ্ৰমিকৰ দিশত প্ৰভাসতকৈ অনেক পিছপৰি আছে শ্বাহৰুখ খান। শ্বাহৰুখে এতিয়া প্ৰত্যেক ছবিৰ বাবদ এশ কোটি টকাতে মান্তি হয়। ছলমানে অৱশ্যে আৰু অলপ বেছি টকা দাবী কৰে। প্ৰতিখন ছবিৰ বাবদ ছলমানে লয় ১২৫ কোটি টকা। অৱশ্যে সূত্ৰই দাবী কৰিছে যে শ্বাহৰুখ, ছলমান বা আমিৰ নহয়; বৰঞ্চ প্ৰভাসক কিছু প্ৰত্যাহ্বান জনাব পাৰে কেৱল অক্ষয় কুমাৰেহে। বলিউদৰ খিলাড়ী কুমাৰে প্ৰায় ডেৰশ কোটি টকা নিদিলে হেনো ছবিত কাম কৰিবলৈ ৰাজি নহয়।

# ৰাজামৌলিৰ ছবি ‘অভিশপ্ত’!

## বিখ্যাত পৰিচালকৰ ছবিত অভিনয় কৰিবলৈ ভয় বহুতৰ



**দক্ষিণ** ভাৰতীয় ছবিৰ অন্যতম সফল পৰিচালক এছ এছ ৰাজামৌলি। ‘বাহুবলী’ৰ পৰা আৰম্ভ কৰি শেহতীয়া ‘আৰআৰআৰ’লৈকে তেওঁৰ একাধিক ছবিয়েই বক্স অফিচত তোলপাৰ লগাইছে। এনে এটা সময় আছিল, যেতিয়া ৰাজামৌলিৰ ছবিত অভিনয় কৰিবলৈ সকলোৱে উদ্বাউল হৈ থাকিছিল। অথচ এতিয়া হঠাৎ পৰিস্থিতি সলনি হৈ পৰিছে। এতিয়া হেনো ৰাজামৌলিৰ ছবিত অভিনয় কৰিবলৈ দক্ষিণৰ বহু তাৰকাই ভয় কৰা হৈছে। কিয়নো ৰাজামৌলিৰ ছবি হেনো এতিয়া অভিশপ্ত হৈ পৰিছে। তেওঁৰ ছবিত অভিনয় কৰা অভিনেতাৰ পৰৱৰ্তী ছবিখনেই হেনো বক্স অফিচত বেয়াকৈ মাৰ খাইছে।

ৰাজামৌলিৰ ছবিত অভিনয় কৰিছে আৰু সেই ছবিয়ে ব্যাপক সফলতা অৰ্জন কৰিছে। অথচ একেজন অভিনেতাৰ পৰৱৰ্তী ছবিখন হৈছে ছুপাৰফ্লপ। এনে উদাহৰণ হেনো দক্ষিণৰ ছবি উদ্যোগত আগতেও দেখা গৈছিল। ইয়াৰেই শেহতীয়া উদাহৰণ সাম্প্ৰতিক দক্ষিণী ছবিৰ ছুপাৰষ্টাৰ প্ৰভাস আৰু ৰামচৰণ। ‘বাহুবলী’ শৃংখলাৰ অসাধাৰণ সাফল্যৰ জৰিয়তে সমগ্ৰ ভাৰততে প্ৰচুৰ জনপ্ৰিয়তা অৰ্জন কৰে প্ৰভাসে। অথচ তেওঁ অভিনয় কৰা পৰৱৰ্তী ছবি ‘ছাহো’ৱে বিশেষ সুবিধা কৰিব নোৱাৰিলে। ছবিখন চিত্ৰগৃহলৈ কেতিয়া আহিল, কেতিয়া গ’ল দৰ্শকে গমেই নাপালে। কাৰণ ছবিখনত বাহুবলীৰ দৰে জাকজমক, একচন নাছিল। গতিকে ছবিখনে দৰ্শকক আকৰ্ষণ কৰিব নোৱাৰিলে।



ইপিনে, ‘আৰআৰআৰ’ৰ আকাশলংঘী সফলতাৰ পাঁচ সপ্তাহৰ ভিতৰতে মুক্তি লাভ কৰে ৰামচৰণৰ আন এখন ছবিয়ে। অথচ ‘আচাৰ্য’ নামৰ ছবিখনে ‘আৰআৰআৰ’ৰ দৰে এশ কোটিৰ ব্যৱসায়তো দূৰৰে কথা, এশ কোটিৰ দেওনাও পাৰ কৰিব নোৱাৰিলে। ইয়াৰ পূৰ্বে ৰামচৰণে ৰাজামৌলিৰ ‘মগধিৰা’ ছবিত কাম কৰিছিল। তাৰ ঠিক পৰৱৰ্তী ছবি ‘অৰেঞ্জ’ত ব্যৰ্থতাৰ মুখ দেখিছিল ৰামচৰণে। ৰাজামৌলিৰ ছবিৰ অভিশাপে আনকি নিষ্কৃতি নিদিলে বলিউদৰ তাৰকা অজয় দেৱগণকো। ‘আৰআৰআৰ’ ছবিত এটা সৰু চৰিত্ৰত অজয়ে অভিনয় কৰিছিল। ইয়াৰ পাছতে অজয়ৰ হিন্দী ছবি ‘ৰাণৱে’ ৩৪’ বক্স অফিচত পিছলি পৰে।







# এইবাৰ ৰূপালী পৰ্দাত ছিক্সাৰ মাৰিব ধোনিয়ে!

**২০১৬ত** মুক্তিপ্ৰাপ্ত মহেন্দ্ৰ সিং ধোনিৰ বায়’পিক ‘এম এছ ধোনি ঃ দ্য আনটʼল্ড ষ্ট’ৰী’য়ে বক্স অফিচত তোলপাৰ লগাইছিল। এইবাৰ নতুন ৰূপত চলচ্চিত্ৰ জগতৰ স’তে যুক্ত হ’বলৈ সাজু হৈছে তাৰকা ক্ৰিকেটাৰ ধোনি। আন্তৰ্জাতিক ক্ৰিকেটৰ পৰা তেওঁ ইতিমধ্যেই অৱসৰ গ্ৰহণ কৰিছে। আইপিএলতো আগন্তুক বৰ্ষত তেওঁক দেখা পোৱাৰ কোনো নিশ্চয়তা নাই। সেয়ে ক্ৰিকেটৰ পাছত তেওঁ ছবিজগতৰ স’তে জড়িত হৈ পৰাৰ ইচ্ছা কৰিছে। এক সংবাদ মাধ্যমৰ মতে, শীঘ্ৰেই ধোনিয়ে এখন তামিল ছবি প্ৰযোজনা কৰিব। ছবিখনৰ মুখ্য ভূমিকাত অভিনয় কৰিব দক্ষিণৰ জনপ্ৰিয় অভিনেত্ৰী নয়নতৰাই। ইতিমধ্যে অভিনেত্ৰীগৰাকীৰ স’তে চুক্তি সম্পন্ন হৈছে। চলিত আইপিএল শেষ হোৱাৰ পাছতে ধোনিয়ে ছবিখনৰ সন্দৰ্ভত আনুষ্ঠানিক ঘোষণা কৰিব। উল্লেখ্য যে আইপিএলৰ আৰম্ভণিৰে পৰাই ধোনিয়ে চেন্নাই ছুপাৰ কিংছ দলৰ হৈ খেলি আছে। ফলত তেওঁ চেন্নাইৰ ঘৰুৱা ল’ৰাৰ দৰে হৈ পৰিছে। সেইবাবেই তেওঁ তামিল ছবি নিৰ্মাণ কৰাৰ সিদ্ধান্ত লৈছে।

ইপিনে, অভিনয়তো হেনো ধোনিয়ে মন দিয়াৰ চেষ্টা কৰিছে। বিভিন্ন বিজ্ঞাপনত সাৱলীল অভিনয় কৰা তাৰকা ক্ৰিকেটাৰজনক শীঘ্ৰে ‘অথৰ্ব’ নামৰ এক পৌৰাণিক কাহিনীৰ ৱেব ছিৰিজৰ মুখ্য ভূমিকাত দেখা যাব। ৰমেশ তামিলমানিয়ে ৰচনা কৰা সেই ৱেব ছিৰিজ ধোনিৰ প্ৰযোজনা সংস্থা ধোনি এণ্টাৰটেইনমেণ্টে প্ৰযোজনা কৰিছে। সম্প্ৰতি ইয়াৰ এটা ভিডিঅ’ প্ৰকাশ পাইছে। তাত দেখা গৈছে, এজন পৌৰাণিক যোদ্ধাৰ সাজত ধোনিয়ে দৈত্য-দানৱৰ স’তে যুদ্ধ কৰিছে। ধোনিয়ে এই নতুন ভূমিকাত অৱতীৰ্ণ হোৱাৰ মূলতে আছে তেওঁৰ পত্নী সাক্ষী। ইপিনে, নয়নতৰাই অতি শীঘ্ৰে বলিউদৰ ছবিত আত্মপ্ৰকাশ কৰিব। শ্বাহৰুখ খানৰ বিপৰীতে এখন ছবিত অভিনয় কৰিছে দক্ষিণৰ জনপ্ৰিয় অভিনেত্ৰীগৰাকীয়ে।



# অভিনেত্ৰীয়ে নাপায় ভাল কমেডী চৰিত্ৰ

## বলিউদত ‘পুৰুষতন্ত্ৰ’ৰ বিৰুদ্ধে মুখ খুলিলে কিয়াৰাই

মহিলাসকল কি বানৰ পানীত ভাহি আহিছে? এনে অভিযোগ বিভিন্ন ক্ষেত্ৰতেই উঠি আহিছে। বলিউদো ইয়াৰ ব্যতিক্ৰম নহয়। বহু সময়তেই বলিউদত পুৰুষতন্ত্ৰৰ অভিযোগ উঠি আহিছে। এইবাৰ ইয়াত জড়িত হ’ল কিয়াৰা আদৱানীও। কমেডী চৰিত্ৰত পুৰুষসকলক প্ৰাধান্য দিয়াক কেন্দ্ৰ কৰি সম্প্ৰতি ক্ষোভ উজাৰিলে অভিনেত্ৰীগৰাকীয়ে।

**সকলো** ক্ষেত্ৰতে পুৰুষৰে কিয় অগ্ৰাধিকাৰ? মহিলাসকল কি বানৰ পানীত ভাহি আহিছে? এনে অভিযোগ বিভিন্ন ক্ষেত্ৰতেই উঠি আহিছে। বলিউদো ইয়াৰ ব্যতিক্ৰম নহয়। বহু সময়তেই বলিউদত পুৰুষতন্ত্ৰৰ অভিযোগ উঠি আহিছে। এইবাৰ ইয়াত জড়িত হ’ল কিয়াৰা আদৱানীও। কমেডী চৰিত্ৰত পুৰুষসকলক প্ৰাধান্য দিয়াক কেন্দ্ৰ কৰি সম্প্ৰতি ক্ষোভ উজাৰিলে অভিনেত্ৰীগৰাকীয়ে।

কিয়াৰাই দাবী কৰিছে যে ‘কুইন’ বা ‘তনু ৱেড্‌ছ মনু’ৰ দৰে মুষ্টিমেয় দুই-এখন ছবিৰ উদাহৰণ বাদ দিলে হিন্দী ছবিত কমেডী চৰিত্ৰ পুৰুষ অভিনেতাৰ বাবেই নিৰ্দিষ্ট কৰি থোৱা থাকে। ২০১৪ত বলিউদত ভৰি দিয়াৰে পৰা কিয়াৰাই মাত্ৰ দুখন কমেডী ছবিত অভিনয়ৰ সুযোগ পাইছে। ‘গুড নিউজ’ৰ পাছত সম্প্ৰতি মুক্তিৰ অপেক্ষাত থকা হৰৰ-কমেডী ছবি ‘ভুলভুলাইয়া ২’। সাম্প্ৰতিক এক সাক্ষাৎকাৰত এই প্ৰসংগত কিয়াৰাই কয়, ‘কোনো ছবিত বিৰাট কৌতুকৰ মুহূৰ্ত সৃষ্টি কৰিছে নাকিয়াই, এনেকুৱা কথা কিন্তু বিৰল। কমেডী ছবিত মই কাম কৰিছো। চৰিত্ৰবোৰো যথেষ্ট ভাল, কিন্তু নায়কৰ চৰিত্ৰত কমেডী অভিনয়ৰ তুলনাত সেয়া একোৱেই নহয়। দুৰ্ভাগ্যজনকভাৱে চিত্ৰনাট্যসমূহো সেইদৰেই ৰচনা কৰা হয়।’ অভিনয়ৰ দিশত ইতিমধ্যেই যথেষ্ট প্ৰতিভাৰ পৰিচয় দিয়া ২৯ বছৰীয়া অভিনেত্ৰীগৰাকীয়ে ধাৰণা কৰে যে এই বিষয়ত মুখ খোলাৰ সময় সমাগত হৈছে। তেওঁ কয়, ‘নাৰীয়ে ভাল কমেডী চৰিত্ৰ নোপোৱাটো হতাশজনক। পৰিচালকসকলক সেই কথা মুখ ফুটাই ক’ব লাগিব যে আমি আৰু বেছি বিচাৰো। মই হয়তো ইয়াৰ পাছৰ পৰা সেয়াই কৰিম।’

কিয়াৰাই অৱশ্যে মানি লয় যে কমেডী বিষয়টো বৰ সহজ নহয়। তেওঁৰ মতে, বহুতৰে কৌতুকৰ ক্ষমতা ঈশ্বৰপ্ৰদত্ত। অৱশ্যে এনে চৰিত্ৰত অভিনয় কৰিবলৈ হ’লে সবাতোকৈ জৰুৰী নিখুঁত সময়জ্ঞান, সেই কথাও জনাবলৈ পাহৰা নাই অভিনেত্ৰীগৰাকীয়ে। ‘গুড নিউজ’ত অক্ষয় কুমাৰ আৰু দিলজিৎ সিং দোছাঞ্জ আৰু ‘ভুলভুলাইয়া ২’ত কাৰ্তিক আৰিয়ান আৰু ৰাজপাল যাদৱৰ পৰা কমেডী অভিনয়ৰ খুঁটি-নাটি শিকা বুলিও তেওঁ কয়। উল্লেখ্য যে কিয়াৰাই এই দাবী কৰিলেও অতীতত শ্ৰীদেৱী, মাধুৰী দীক্ষিত, জুহি চাওলা আদিয়ে বহু ছবিত কমেডী অভিনয় কৰিছে।

# মাতৃ হ’বলৈ ওলাইছে কেটৰিণা!

**কিছু দিনৰ** পূৰ্বে ৰণবীৰ কাপুৰ আৰু আলিয়া ভাটৰ বিবাহক কেন্দ্ৰ কৰি বলিউদত ব্যাপক চৰ্চা হৈছিল। ইয়াৰ পূৰ্বে ব্যাপক চৰ্চা হৈছিল কেটৰিণা কাঈফ আৰু ভিকি কৌশলৰ বিবাহক কেন্দ্ৰ কৰি। প্ৰিয় তাৰকা যুটিয়ে বিবাহপাশত আবদ্ধ হোৱাৰ বাবে তেওঁলোকৰ অনুৰাগীসকলো আনন্দিত হৈছিল। এতিয়া আন এটা নতুন খবৰে উচ্ছ্বসিত কৰি তুলিছে তেওঁলোকৰ অনুৰাগীক। প্ৰশ্ন হৈছে সঁচাকৈয়ে কেটৰিণা মাতৃ হ’বলৈ ওলাইছে নেকি?

সম্প্ৰতি প্ৰায় প্ৰতি দিনেই তাৰকা দম্পতীৰ প্ৰেমত মচগুল হৈ থকা বিভিন্ন মুহূৰ্তৰ ফটো নেট মাধ্যমত দেখা গৈছে। মাতৃদিৱসত লণ্ডনত উপস্থিত হৈ দুয়ো কেটৰিণাৰ মাতৃ চুজানৰ আশিস গ্ৰহণ কৰে। ইয়াৰ পাছতে ‘ভিকেট’ক দেখা গ’ল নিউ য়ৰ্কত তেওঁলোকৰ প্ৰিয় ৰেস্তোৰাঁত। তাতো দুয়োকে অত্যন্ত আনন্দত থকা দেখা গৈছে। সম্প্ৰতি কিছু বেছিকৈয়ে তাৰকা দম্পতীয়ে একেলগে অৱসৰৰ সময় কটোৱা দেখা গৈছে। ইয়াকে লৈ বলিউদত সম্প্ৰতি আন এক চৰ্চা হৈছে। কেটৰিণা হেনো দুমাহৰ অন্তঃসত্বা। পিতৃ হ’বলৈ ওলাইছে ভিকি। সেই বাবেই হেনো দুয়ো আনন্দৰ মুহূৰ্তবোৰ ঘনাই উপভোগ কৰিছে।

আন এক কাৰণৰ বাবেও এই ধাৰণাটো কৰা হৈছে। কেটৰিণাই কাম কৰিবলগীয়া কে’বাখনো ছবিৰ চিত্ৰগ্ৰহণ হেনো প্ৰযোজকসকলে পিছুৱাই দিছে। সেইসকল প্ৰযোজকৰ স’তে কেটৰিণাৰ চুক্তি আছে। গতিকে তেওঁলোকে চিত্ৰগ্ৰহণৰ সূচী সলনি কৰিবলগীয়া হৈছে। বলিউদৰ সূত্ৰই জনোৱা মতে, অহা ডিচেম্বৰত যিকেইখন ছবিত কেটৰিণাই কাম কৰিবলগীয়া আছিল, সেই ছবিসমূহৰ কাম আগন্তুক বৰ্ষলৈ পিছুৱাই দিয়া হৈছে। অৱশ্যে ভিকিৰ মুখপাত্ৰই এই খবৰৰ সত্যতা অস্বীকাৰ কৰিছে। তথাপি বলিউদত বিষয়টোৱে ব্যাপক চৰ্চা লাভ কৰিছে।



দেওবৰীয়া দৈনিক
অগ্ৰদূত
Regn No. RNP/GH-085/2021-2023




হঠাৎ অহা বৰষুণৰ ফলত কৃত্ৰিম বানপানীত ডুব গ'ল অনিল নগৰ।

# লখিমপুৰত মুক্তি পাবলগীয়া 'এমুঠি পুঠি'ৰ প্ৰচাৰ কলা-কুশলীৰ

**অগ্ৰদূত বাৰ্তা**

**লখিমপুৰ, ১৪ মে' ঃ** ৰ'হান ফিল্ম এণ্ড মেটানঅৰমেল আৰু ভিবে ষ্টুডিঅ'ৰ বেনাৰত নিৰ্মিত তথা অহা ১৭ জুনত মুক্তি পাবলগীয়া পূৰ্ণ দৈৰ্ঘ্যৰ ছবিখনৰ আজি লখিমপুৰ বালিকা মহাবিদ্যালয়, নৰ্থ লখিমপুৰ মহাবিদ্যালয়ত (স্বাঃশা) প্ৰচাৰ চলোৱা হয়। ইতিমধ্যে ইউ টিউবত উপলব্ধ হোৱা কেইটামান মিউজিক ভিডিঅ'ই প্ৰচাৰ চলোৱা অনুষ্ঠানত ছবিখনৰ স'তে জড়িত কে'বাজনো কলা-কুশলীয়ে অংশগ্ৰহণ কৰে। উল্লেখ্য যে মুক্তি পাবলগীয়া ছবিখনৰ কাহিনী চিত্ৰনাট্য আৰু সংলাপ ভাস্কৰ হাজৰিকা আৰু সুনয়না দত্তৰ। পৰিচালনা কুলনন্দিনী মহন্তৰ। ছবিখনৰ মুখ্য চৰিত্ৰত অভিনয় কৰিছে প্ৰতিভা চৌধুৰী, মিতালী দাস, সৃষ্টি শৰ্মা, কেনী বসুমতাৰী, মনীষা ভূঞা আৰু ৰুবুল বড়োৱে।

# চামতাত গছৰ বিবাহ সম্পন্ন



**অগ্ৰদূত বাৰ্তা**

**চামতা, ১৪ মে' ঃ** চামতাত সম্পূৰ্ণ বৈদিক নিয়মত সম্পন্ন হ'ল এখন ব্যতিক্ৰমী বিবাহ। আয়তীৰ উৰুলি- বিয়া গীত, আয়তীসকলৰ পানী তোলাৰ উৎসৱমুখৰ পৰিৱেশ। প্ৰায় ২০ বছৰ পূৰ্বে চামতাৰ মালোপাৰা নিবাসী প্ৰয়াত নগেন কাকতিয়ে মালোপাৰা কৃষ্ণ মন্দিৰৰ কাষত একেলগে ৰোপণ কৰিছিল ধোপ আৰু আঁহত গছৰ দুটা পুলি। কিন্তু ধোপ আৰু আঁহতৰ পুলি দুটা গুৰিৰ পৰা এডাল গছৰ দৰে একেলগে ডাঙৰ হৈ অহাত গছ ডালৰ ১২ বছৰ হ'লে বিবাহ অনুষ্ঠান পাতিবলৈ পৰামৰ্শ আগবঢ়াইছিল নগেন কাকতিয়ে। সেই পৰামৰ্শৰে প্ৰয়াত পিতৃৰ পৰামৰ্শ অনুসৰি শনিবাৰে সম্পূৰ্ণ মাংগলিক আৰু বৈদিক কৰ্মৰে গছ দুডালৰ মাজত বিবাহ সম্পন্ন কৰে নগেন কাকতিৰ পৰিয়ালে। আনকি বিবাহৰ দুপৰীয়া আপ্যায়ন কৰে গাঁওবাসীক। গছ বিবাহ চাবলৈও যথেষ্ট সংখ্যাক লোক একত্ৰিত হয়। দিনজোৰা কাৰ্যসূচীৰে গছৰ বিবাহ সম্পন্ন কৰাত অঞ্চলবাসীয়ে নগেন কাকতি পৰিয়ালক প্ৰশংসা কৰে।

# ফেচবুকত আলফাক সমৰ্থন কৰি মোৰাঝাৰ-বঙাইগাঁৱত আৰক্ষীৰ জালত দুই যুৱক

**অগ্ৰদূত ব্যুৰ'/অগ্ৰদূত বাৰ্তা**

**যমুনামুখ/হোজাই, ১৪ মে' ঃ** আলফা (স্বাঃ)ত নিতৌ ন ন যুৱক-যুৱতীয়ে যোগদান কৰাৰ তথ্য পোহৰলৈ অহাৰ সময়তে সামাজিক মাধ্যমত সংগঠনটোক সমৰ্থন আগবঢ়োৱাৰ অভিযোগত আজি হোজাই জিলাৰ মোৰাঝাৰ আৰক্ষীয়ে এজন যুৱকক আটক কৰে। ধৃত ছাত্ৰজন হোজাই ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়ৰ স্নাতক চতুৰ্থ ষাণ্মাসিকৰ ছাত্ৰ তথা মোৰাঝাৰ আৰক্ষী থানাৰ অন্তৰ্গত হাতীশালি গাঁৱৰ মুহিবৰ ৰহমানৰ পুত্ৰ আব্দুল ইস্তাক (২২)। আৰক্ষীৰ সূত্ৰই সদৰী কৰা মতে, ছাত্ৰজনে নিষিদ্ধ ঘোষিত সংগঠনটোৰ নেতা অভিজিৎ অসমৰ লগত যোগাযোগ কৰি আলফাত যোগদানৰ ইচ্ছা কৰিছিল। এই সন্দৰ্ভত ফেচবুকত এটা ভিডিঅ' ছেয়াৰ কৰিছিল। এই বিষয়ে সংগঠনটোত কেনেকৈ যোগদান কৰিব লাগে সেই সন্দৰ্ভত ফেচবুকৰ মেছেঞ্জাৰ যোগে কথা পতাৰ কথাৰ হোজাই আৰক্ষীৰ চাইবাৰ চেলে অৱগত হোৱাত আৰক্ষীক জনায়। লগে লগে হোজাই জিলা আৰক্ষীৰ নিৰ্দেশত মোৰাঝাৰ আৰক্ষীয়ে যোৱা নিশা যুৱকজনক হাতীশালিৰ পৰা আটক কৰে। আৰক্ষীৰ জেৰাত যুৱকজনে অভিজিৎ অসমৰ লগত যোগাযোগ কৰাৰ লগতে তেওঁক আলফা নেতাজনে উত্তৰ দিছিল বুলিও সদৰী কৰিছে। ইপিনে, আৰক্ষীয়ে আটক কৰা যুৱকজনৰ ফেচবুক প্ৰফাইলত মোৰাঝাৰ এনএছইউআইৰ সভাপতি বুলি উল্লেখ আছে। ছাত্ৰজনে নিজকে এনএছইউআইৰ দায়িত্বত থকা বুলি স্বীকাৰ কৰিছে যদিও হোজাই জিলা এনএছইউআয়ে এই তথ্য অস্বীকাৰ কৰিছে। তেওঁ এনএছইউআইৰ দায়িত্বত নাই বুলি দাবী কৰিছে। ইফালে, মোৰাঝাৰ আৰক্ষীয়ে ভাৰতীয় দণ্ড বিধিৰ ১২০(খ)/১২১(ক) / ১২১, আৰডব্লিউ ১০/১৩ ইউএপিএ আৰু ৬৭ আইটি এক্টৰ অধীনত ১২৯/২২ নম্বৰত এটা গোচৰ ৰুজু কৰি আজি হোজাই শংকৰদেৱ নগৰ আদালতত হাজিৰ কৰায়। আদালতে ছাত্ৰজনক চাৰি দিনৰ বাবে আৰক্ষীৰ জিম্মালৈ প্ৰেৰণ কৰে।



ইফালে, বঙাইগাঁৱতো নিষিদ্ধ ঘোষিত সংগঠনটোলৈ ফেচবুকত প'ষ্ট দি আৰক্ষীৰ জালত পৰিছে এজন যুৱক। জিলাখনৰ ৰাখালডুবিৰ নিকটবৰ্তী ডাউকীঝাৰৰ ডেভিদ বৰ্মন (২১) নামৰ যুৱকজনক আজি গ্ৰেপ্তাৰ কৰে বঙাইগাঁও আৰক্ষীয়ে। এই সন্দৰ্ভত জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক লুনা সোণোৱালে বঙাইগাঁও সদৰ থানাত এক সংবাদমেলত প্ৰকাশ কৰা মতে, ধৃত যুৱকজনে ছ'চিয়েল মিডিয়াত আলফাৰ সপক্ষে প'ষ্ট দিছিল। আৰক্ষীয়ে এই বিষয়ে অৱগত হৈ যুৱকজনক গ্ৰেপ্তাৰ কৰি তদন্ত অব্যাহত ৰাখিছে বুলি তেওঁ সদৰী কৰে।

# অসুস্থ পাইলট নিৰাপদে বিমান অৱতৰণ কৰিলে 'অনভিজ্ঞ' যাত্ৰীয়ে

চিনেমাৰ পৰ্দাত কেতিয়াবা দেখা যায় এনে শিহৰণকাৰী দৃশ্য। জটিল পৰিস্থিতিত সাধাৰম মানুহেও বিমান মাটিলৈ নিৰাপদে নমাই আনে। ৰক্ষা কৰে বহু যাত্ৰীৰ প্ৰাণ। অৱশ্যে বাস্তৱত এনে ঘটনা সংঘটিত হোৱাৰ দৃষ্টান্ত হয়তো নাছিল। যদিও তেনে এক অসাধ্যই সাধন কৰিলে আমেৰিকাৰ এজন সাধাৰণ লোকে। এই অসাধাৰণ ঘটনা সংঘটিত হৈছে ফ্ল'ৰিডাত।



## চিনেমাৰ কাহিনী যেন অনুভৱ হৈছিল স্বয়ং এটিচি বিষয়াৰ

**নিউজ ব্যুৰ'**

**ফ্ল'ৰিডা, ১৪ মে' ঃ** চিনেমাৰ পৰ্দাত কেতিয়াবা দেখা যায় এনে শিহৰণকাৰী দৃশ্য। জটিল পৰিস্থিতিত সাধাৰম মানুহেও বিমান মাটিলৈ নিৰাপদে নমাই আনে। ৰক্ষা কৰে বহু যাত্ৰীৰ প্ৰাণ। অৱশ্যে বাস্তৱত এনে ঘটনা সংঘটিত হোৱাৰ দৃষ্টান্ত হয়তো নাছিল। যদিও তেনে এক অসাধ্যই সাধন কৰিলে আমেৰিকাৰ এজন সাধাৰণ লোকে। এই অসাধাৰণ ঘটনা সংঘটিত হৈছে ফ্ল'ৰিডাত। যি ঘটনাই স্বাভাৱিকতে আচৰিত কৰি তুলিছে এয়াৰ ট্ৰেফিক কন্ট্ৰোল (এটিচি)ৰ অভিজ্ঞ বিষয়াকো। পাইলত মাজ আকাশত অসুস্থ হৈ পৰাত এজন সাধাৰণ যাত্ৰীয়ে বিশেষ উদ্যোগ লৈ নিৰাপদে অৱতৰণ কৰালে এখন ব্যক্তিগত বিমান। অথচ সেই লোকজনৰ নাছিল বিমান চালনাৰ ন্যূনতম জ্ঞানখিনিও।

পাইলট অসুস্থ হৈ পৰাৰ পাছতে ধৈৰ্য নেহেৰুৱাই লোকজনে এটিচিৰ স'তে যোগাযোগ কৰি কয়, 'মই অত্যন্ত বিপদত পৰিছো। আমাৰ পাইলটজন অসুস্থ হৈ পৰিছে। বিমান কিদৰে নমোৱা হয় মই নাজানো।' এই কথা শুনাৰ লগে লগে ব্যস্ত হৈ পৰে এটিচিৰ বিষয়াসকল। প্ৰথমে তেওঁলোকে বিমানৰ অৱস্থান ক'ত বুলি প্ৰশ্ন কৰে। অথচ যাত্ৰীজনে সেই প্ৰশ্নৰ সঠিক উত্তৰ দিব নোৱাৰিলে। কিয়নো বিমানৰ অৱস্থান জনাবলগীয়া হয় বিভিন্ন গাণিতিক হিচাপ কৰি। যাত্ৰীজনে কেৱল জনাব পাৰিলে যে তেওঁ কেৱল ফ্ল'ৰিডাৰ সাগৰৰ বীচছ দেখা পাইছে। অৱশ্যে সেই উত্তৰতে এটিচিৰ বিষয়াসকলে বিমানখনৰ অৱস্থান বুজি লয়। ইয়াৰ পাছতে বিমানখন মাটিলৈ নমাই অনোৱাৰ দায়িত্ব লয় ২০ বছৰৰ অভিজ্ঞতালব্ধ এটিচি বিষয়া ৰবাৰ্ট মৰ্গানে। তেওঁ সেই যাত্ৰীজনলৈ নিৰন্তৰভাৱে নিৰ্দেশ প্ৰেৰণ কৰি থাকিল। মাজতে যোগাযোগ বিচ্ছিন্ন হৈ পৰিছিল বুলিও জনোৱা হৈছে। তেতিয়া ম'বাইল ফোন যোগে নিৰ্দেশ দিয়া হয়। অৱশেষত বিমানখন নিৰাপদে পাম বীচচ আন্তৰ্জাতিক বিমানকোঠত নমোৱা হয়। তেতিয়াই পোহৰলৈ আহে যে পাইলটৰ উপৰি ব্যক্তিগত বিমানখনত দুজন যাত্ৰী আছিল।

পাইলটজনৰ কি হৈছিল সেয়া বিমানকোঠ কৰ্তৃপক্ষ আৰু এটিচিৰ তৰফৰ পৰা সদৰী কৰা নাই। লগতে যাত্ৰীদ্বয়ৰ পৰিচয়ো সদৰী কৰা নাই। কেৱল জনাইছে যে তিনিওজনেই সম্প্ৰতি সুস্থ অৱস্থাত আছে। অৱশ্যে বিমানখনে অৱতৰণ কৰাৰ পাছতেই এটিচিৰ বিষয়াসকলে সাহসী যাত্ৰীজনক অভিনন্দনেৰে উপচাই দিয়ে। বিমানখন নমোৱাৰ দায়িত্ব পালন কৰা এটিচি বিষয়া মৰ্গানে কয়, 'এনে লাগিছিল যেন মই কোনো চিনেমাৰ মাজতহে আছো। এই ধৰণৰ অভিজ্ঞতা কোনোদিনেই হোৱা নাছিল।' তেওঁ লগতে কয়, 'মই নিজৰ কামখিনিয়ে কৰিছিলো। অৱশ্যে সাধাৰণতে যিখিনি কৰো, তাতকৈ অত্যন্ত কঠিনভাৱে এই কামখিনি কৰিবলগীয়া হৈছিল।'



বিগত কিছু সপ্তাহ ধৰি কৃষ্ণসাগৰৰ উপকূলত ঘনাই ভাহি উঠিছে ডলফিনৰ মৃতদেহ। জাক জাক ডলফিনৰ অস্বাভাৱিক মৃত্যুত স্বাভাৱিকতে পৰিৱেশবিদৰ মাজত উদ্বেগৰ সৃষ্টি হৈছে। প্ৰাথমিক পৰ্যবেক্ষণত বিজ্ঞানীসকলে ধাৰণা কৰিছিল যে ৰাছিয়া আৰু ইউক্ৰেইনৰ নৌবাহিনীৰ যুদ্ধত সাগৰৰ পানীত ধাৰাবাহিক বিস্ফোৰণ আৰু প্ৰদূষণৰ বাবেই ডলফিনসমূহৰ মৃত্যু হৈছে। অৱশ্যে ইয়াৰ সমান্তৰালকৈ ডলফিনৰ গণমৃত্যুৰ কাৰণৰূপে উঠি আহিছে আন এক তত্ত্বও।

# কৃষ্ণসাগৰত ৰাছিয়াৰ 'প্ৰহৰী'ক হত্যা কৰিছে ইউক্ৰেইনে!

## জাক জাক ডলফিনৰ মৃতদেহ ভৰি পৰিছে উপকূলত

**নিউজ ব্যুৰ'**

**আংকাৰা, ১৪ মে' ঃ** বিগত কিছু সপ্তাহ ধৰি কৃষ্ণসাগৰৰ উপকূলত ঘনাই ভাহি উঠিছে ডলফিনৰ মৃতদেহ। জাক জাক ডলফিনৰ অস্বাভাৱিক মৃত্যুত স্বাভাৱিকতে পৰিৱেশবিদৰ মাজত উদ্বেগৰ সৃষ্টি হৈছে। প্ৰাথমিক পৰ্যবেক্ষণত বিজ্ঞানীসকলে ধাৰণা কৰিছিল যে ৰাছিয়া আৰু ইউক্ৰেইনৰ নৌবাহিনীৰ যুদ্ধত সাগৰৰ পানীত ধাৰাবাহিক বিস্ফোৰণ আৰু প্ৰদূষণৰ বাবেই ডলফিনসমূহৰ মৃত্যু হৈছে। অৱশ্যে ইয়াৰ সমান্তৰালকৈ ডলফিনৰ গণমৃত্যুৰ কাৰণৰূপে উঠি আহিছে আন এক তত্ত্বও। কৃষ্ণসাগৰত থকা ৰুছ নৌসেনাৰ ঘাটিসমূহৰ 'প্ৰহৰী' প্ৰশিক্ষণপ্ৰাপ্ত ডলফিনসমূহক ইউক্ৰেইনৰ বাহিনীয়ে পৰিকল্পিতভাৱে নিধন কৰিছে নেকি বুলিও সম্প্ৰতি প্ৰশ্ন উত্থাপন হৈছে।

এপ্ৰিলৰ তৃতীয় সপ্তাহত ইউক্ৰেইন সেনাৰ ক্ষেপণাস্ত্ৰৰ আঘাতত কৃষ্ণসাগৰত নিয়োজিত ৰুছ যুদ্ধজাহাজ মস্কোভাৰ সলিল সমাধি ঘটিছিল। তাৰ পাছতে ক্ৰিমিয়াৰ ছেভাষ্টিপ'লসহ কৃষ্ণসাগৰৰ কে'বাটাও ৰুছ নৌঘাটিৰ নিৰাপত্তাৰ বাবে বিশেষভাৱে প্ৰশিক্ষিত ডলফিন বাহিনী নিয়োজিত কৰিছিল মস্কোৱে। বিগত দুটা সপ্তাহত সংশ্লিষ্ট অঞ্চলৰ উপকূলতে শতাধিক ডলফিনৰ মৃতদেহ সাগৰৰ পৰা ভাহি অহা দেখা গৈছে। অৱশ্যে ডলফিনসমূহৰ দেশত কোনো আঘাতৰ চিন দেখা নাই বুলিয়ে তুৰস্কৰ এটা গৱেষণা সংস্থাৰ বিজ্ঞানীসকলে জনাইছে।

উল্লেখ্য যে সামৰিক কামত ৰাছিয়াই পূৰ্বেও ডলফিনক ব্যৱহাৰ কৰিছিল। ২০১৮ত ছিৰিয়া যুদ্ধৰ সময়ত টাৰটাছ নৌঘাটিত ডলফিন বাহিনী নিয়োজিত কৰা হৈছিল। সেই ছবি উপগ্ৰহ চিত্ৰত ধৰাও পৰিছিল। আচলতে ৬০ৰ দশকত ছোভিয়েট আমোলতে এই বুধিয়ক প্ৰাণীসমূহক সামৰিক কাম-কাজৰ বাবে প্ৰশিক্ষণ দিয়াৰ কাম আৰম্ভ হৈছিল। ক্ৰিমিয়াৰ ছেভাষ্টিপ'লতে আছিল সেই প্ৰশিক্ষণ কেন্দ্ৰ। শত্ৰুপক্ষৰ ডুবাৰুক চিহ্নিত কৰা, সমুদ্ৰৰ তলত বিস্ফোৰক চিহ্নিত কৰা আৰু সেইবোৰ উদ্ধাৰ কৰি অনাৰ কামত ডলফিনক প্ৰশিক্ষণ দিয়া হয়। আনকি সাগৰৰ তলিত বিস্ফোৰক স্থাপনৰ বাবেও ডলফিনক প্ৰশিক্ষণ দিয়া হয়। লক্ষ্যণীয়ভাৱে ছোভিয়েটৰ পতনৰ পাছত ক্ৰিমিয়া অঞ্চলটো ২০১৪ পৰ্যন্ত ইউক্ৰেইনৰ নিয়ন্ত্ৰণত আছিল। গতিকে ডলফিনৰ প্ৰশিক্ষণ কেন্দ্ৰৰ বিষয়টো কিয়েভৰ অজ্ঞাত নহয়। বিগত সপ্তাহৰ আৰম্ভণিৰে পৰা স্নেক আইলেণ্ডসহ কৃষ্ণসাগৰৰ কে'বাটাও ৰুছ নৌঘাটি দখলৰ বাবে অভিযান আৰম্ভ কৰিছে ভ'ল'ডিমিৰ জেলেন'স্কীৰ অনুগত বাহিনীয়ে। ঘটনাক্ৰমে তেতিয়াৰ পৰাই বাঢ়িবলৈ আৰম্ভ কৰিছে ডলফিনৰ মৃত্যুৰ হাৰ।

# বটদ্ৰৱাৰ কুজিসত্ৰত উদ্ধাৰ ১৫টাকৈ নশ শতিকাৰ তামৰ মুদ্ৰা

## পুখুৰী খন্দা অৱস্থাতে পালে শ্ৰমিকে ঃ নৱনিৰ্মিত সংগ্ৰহালয়ত সংৰক্ষণৰ সিদ্ধান্ত

**অগ্ৰদূত বাৰ্তা**

**বটদ্ৰৱা, ১৪ মে' ঃ** বটদ্ৰৱাৰ কুজিসত্ৰৰ পৰা উদ্ধাৰ হৈছে নশ শতিকাৰ তামৰ মুদ্ৰা। এটা পুখুৰী খান্দি থকা অৱস্থাত ৰপ্তটা তামৰ মুদ্ৰা উদ্ধাৰ কৰে এজন শ্ৰমিকে। পৰৱৰ্তী সময়ত মৰিগাঁও জিলা প্ৰশাসনে শ্ৰমিকজনৰ পৰা তামৰ মুদ্ৰাসমূহ নিজৰ জিম্মাত লয়।

উল্লেখ্য যে কুজিসত্ৰৰ এটি পথ নিৰ্মাণৰ বাবে এজন স্থানীয় লোকৰ ঘৰত এটি পুখুৰী খান্দি ট্ৰেক্টৰৰ জৰিয়তে পথলৈ মাটি কঢ়িওৱা হৈছিল। কালি এইদৰে মাটি কঢ়িয়াই থকা অৱস্থাতে এজন শ্ৰমিকে এই মুদ্ৰাখিনি লাভ কৰি নিজ ঘৰলৈ লৈ যায়। পৰৱৰ্তী সময়ত এই খবৰ সমগ্ৰ অঞ্চলত বিয়পি পৰাত শ্ৰমিকজনৰ পৰা প্ৰশাসনৰ লোকে এই মুদ্ৰাসমূহ উদ্ধাৰ কৰে। শ্ৰমিকজনে পৌৰাণিক মুদ্ৰাসমূহ লাভ কৰি নিজৰ ঘৰলৈ নিয়াৰ বিষয়ে অৱগত হৈ নৰোৱা কুজিসত্ৰৰ সত্ৰাধিকাৰ নিত্যানন্দ গোস্বামীয়ে মৰিগাঁও জিলা প্ৰশাসনৰ সহযোগত ১৫টা আপুৰুগীয়া মুদ্ৰা উদ্ধাৰ কৰিবলৈ সক্ষম হয়। মূল্যবান ধাতুৰে গঢ়া এই মুদ্ৰাসমূহ নৱম শতিকাৰ মুদ্ৰা বুলি জিলা প্ৰশাসনৰ তৰফৰ পৰা জনাইছে। ১২শ বছৰ পূৰ্বৰ মুদ্ৰা এই ভূমিত উদ্ধাৰৰ পাছত কুজিসত্ৰৰ ভকত-বৈষ্ণৱৰ মাজত বৈছে আনন্দৰ বন্যা।

উল্লেখ্য যে অহা ১১ জুনত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা কুজিসত্ৰত উপস্থিত হ'ব।



মুখ্যমন্ত্ৰীয়ে সত্ৰখনত উন্মোচন কৰিব সত্ৰৰ সম্পদৰাজি সংৰক্ষণৰ বাবে নিৰ্মাণ কৰা এটি সংগ্ৰহালয়। উক্ত সংগ্ৰহালয়তে এই প্ৰাচীন মুদ্ৰাকেইটা সংৰক্ষণৰ দিহা কৰিছে সত্ৰৰ সত্ৰাধিকাৰ আৰু ভকত-বৈষ্ণৱে। গুৰুজনাৰ স্মৃতি বিজড়িত ঐতিহাসিক কুজিসত্ৰত এই প্ৰাচীন মুদ্ৰা উদ্ধাৰৰ পাছতে পুৰাতত্ত্ব বিভাগে অঞ্চলটোত খননকাৰ্য চলালে হয়তো আৰু বহু এনে সমল উদ্ধাৰ হ'ব বুলি সচেতন মহলে মত প্ৰকাশ কৰিছে।



মহঘুলি চাপৰিত ফাট বিহু উপলক্ষে নৃত্য প্ৰদৰ্শন, শনিবাৰে।

# ডিব্ৰুগড়ত অস্ত্ৰসহ আনলাৰ দুই সদস্য গ্ৰেপ্তাৰ

**বিশেষ সংবাদদাতা**

**ডিব্ৰুগড়, ১৪ মে' ঃ** ডিব্ৰুগড়ত বিদ্ৰোহী সংগঠন আনলাৰ দুই দুৰ্ধৰ্ষ সদস্য অস্ত্ৰসহ আত্মসমৰ্পণ কৰে। ডিব্ৰুগড় আৰক্ষীৰ ওচৰত আত্মসমৰ্পণ কৰে আদিবাসী নেছনেল লিবাৰেছন আৰ্মীৰ দুই সদস্যৰ। ডিব্ৰুগড় জিলা আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ত নিশা আৰক্ষী অধীক্ষক শ্বেতাংগ মিশ্ৰা আৰু ভাৰতীয় সেনাৰ শীৰ্ষ বিষয়াৰ উপস্থিতিত আত্মসমৰ্পণ কৰে দুই বিদ্ৰোহী সংগঠনৰ নেতাই। আত্মসমৰ্পণকাৰী আনলা সদস্য দুজন কাৰ্বি আংলঙৰ সুবল গড় আৰু লোকা কংগাড়ী। আত্মসমৰ্পণৰ সময়ত দুটা মেগজিনৰ স'তে ১৩টা সক্ৰিয় গুলি, এটা নাইন এম এম পিষ্টল আৰু এটা ১.২২ পিষ্টল সেনা-আৰক্ষীৰ হাতত অৰ্পণ কৰে। ডিব্ৰুগড় আৰক্ষীয়ে দুয়োকে জেৰা অব্যাহত ৰাখিছে।




অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com